## তৃতীয় অধ্যায়

# শীলভদ্ৰৰ উপন্যাসত গ্ৰাম্য জীৱন আৰু পশ্চিম অসমৰ লোক-সাংস্কৃতিক উপাদান

অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত অবিভক্ত গোৱালপাৰা জিলা। অবিভক্ত গোৱালপাৰা জিলাৰ সমাজখনে অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰিছে যদিও ই অসমীয়া ভাষা-সংস্কৃতিৰ পৰা পৃথক। এককথাত গোৱালপাৰাৰ অধিবাসী সকলে নিজস্ব বৈশিষ্ট্যৰে জাতি সত্তা জীয়াই ৰাখি অসমীয়া সমাজত সুকীয়া পৰিচয় দি আহিছে। অবিভক্ত গোৱালপাৰা জিলাৰ অন্তৰ্গত এক বিশেষ অঞ্চল 'গৌৰীপুৰ'। এসময়ৰ জমিদাৰ শাসিত সৰু গ্ৰাম্য চহৰ, গৌৰীপুৰৰ নিজা সত্তা আছে। ভাষিক বৈচিত্ৰ্যৰ ফালৰ পৰাও গৌৰীপুৰ স্বতন্ত্ৰ। ইংৰাজ শাসন, জমিদাৰ শাসন আৰু স্বৰাজোত্তৰ কালৰ শাসন ব্যৱস্থাৰ মাজেৰে গৌৰীপুৰ অঞ্চল শৈক্ষিক, সামাজিক, সাংস্কৃতিক আৰু ভাষিক দিশত নিজস্ব বৈশিষ্ট্য অক্ষুণ ৰাখি এটি বিশেষ অঞ্চল ৰূপে পৰিচিত লাভ কৰিছে।

গৌৰীপুৰৰ প্ৰাকৃতিক ভৌগোলিক বৈচিত্ৰ্য আৰু জীৱ বৈচিত্ৰ্যৰো উৎস। এইখন এনে এখন ঠাই, য'ত জলপথ, স্থলপথ আৰু আকাশপথৰ সংযোগত সময়ে সময়ে জীৱন আৰু জীৱিকাৰ বাবে বহু জাতি-জনগোষ্ঠীৰ মানুহৰ মিলনভূমি ৰূপে চিহ্নিত হৈছে। তাৰ ভিতৰত কিছুমানে স্থায়ীভাৱে থাকিব লৈছে, কিছুমান গুচি গৈছে। স্থায়ীভাৱে থাকিবলৈ লোৱা পৰিয়ালবোৰৰ ওপৰত গৌৰীপুৰৰ ভাষা-সংস্কৃতি আৰু জীৱন চৰ্চাৰ প্ৰভাৱ প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে পৰিছে। এই গৌৰীপুৰতে শীলভদ্ৰ ওৰফে ৰেৱতীমোহন দত্ত চৌধুৰীৰ জন্ম। শৈশৱ, শিক্ষা, যৌৱন আৰু ঠিকাদাৰী কৰ্মজীৱনৰ মাধ্যমত আহৰিত গৌৰীপুৰৰ ভাষা-কৃষ্টিৰ লগত একাত্মবোধ গঢ়ি তোলাৰ লগে লগে অৱহেলিত, অনুন্নত এখন গ্ৰাম্য চহৰক অসমবাসী তথা বিশ্ববাসীক চিনাকি কৰি দিয়াৰ উদ্দেশ্যৰে গৌৰীপুৰ অঞ্চলক সমল আৰু পটভূমি হিচাপে গ্ৰহণ কৰি কথাসাহিত্য সৃষ্টিত মনোনিৱেশ কৰে।

শীলভদ্ৰৰ উপন্যাসৰ কাহিনী যিয়ে নহওঁক কিয়, সুয়োগ আৰু সুবিধা বুজি গৌৰীপুৰলৈ উভতি আহে। য'ত গৌৰীপুৰৰ গ্ৰাম্য জীৱনৰ চিত্ৰ আৰু লোক-সাংস্কৃতিক উপাদানৰ বাস্তৱ আৰু

নিখুঁত ছবি অংকন  কৰাত অক'ণো ত্ৰুটি কৰা পৰিলক্ষিত নহয়। ফলত গ্ৰাম্য জীৱনৰ অবিকল স্বৰূপ শীলভদ্ৰৰ উপন্যাসত পৰিলক্ষিত হয়।

**প্ৰাচীন গ্ৰাম্য ব্যৱস্থা আৰু ইয়াৰ গঠন ঃ**

গ্ৰাম্য ব্যৱস্থা ক'ত, কেতিয়াৰ পৰা আৰম্ভ হ'ল তাক ঠাৱৰ কৰা কঠিন। কিন্তু এটা কথা ঠিক যে, প্ৰাক্-ঐতিহাসিক যুগৰ পৰা মানুহ বিভিন্ন স্তৰে স্তৰে বিভিন্ন আহিলা- পাতি, খাদ্য সংগ্ৰহৰ পদ্ধতি,  গোট বা ফৈদ, গাঁও, নগৰ, সমাজ আদি আৱিস্কাৰ কৰি সভ্যতাৰ শিখৰত গতি কৰিছিল। এনে দৃষ্টিকোণৰ পৰা নৃতাত্ত্বিক সকলে মানৱ জাতিক মূলত লৌহ বা তাম্ৰ যুগ, ব্ৰঞ্জ যুগ; নৱপ্ৰস্তৰ যুগ, মধ্যপ্ৰস্তৰ যুগ, প্ৰত্নপ্ৰস্তৰ যুগ, শেষ প্ৰত্নপ্ৰস্তৰ যুগ, মধ্য প্ৰত্নপ্ৰস্তৰ যুগ, আদি প্ৰত্নপ্ৰস্তৰ যুগ আৰু  প্ৰত্নপ্ৰস্তৰ যুগ আদিত বিভক্ত কৰিছে। ইয়াৰে আদি প্ৰত্নপ্ৰস্তৰ যুগৰ পৰাই মানৱ সভ্যতাৰ আৰম্ভণি। এই যুগতে আদিম মানৱ সমাজে শিলৰ আহিলা-পাতিৰ ব্যৱহাৰ, জুইৰ ব্যৱহাৰ, কাঠৰ ব্যৱহাৰ, সৰু সৰু চিকাৰী দলত মানুহবোৰ বিভক্ত আৰু অঘৰী জীৱন-যাপন কৰিছিল। ক্ৰমন্বায়ে শিলৰ জোং, গুহাত বাস, মৃতকৰ সৎকাৰ, আহাৰ সংগ্ৰহ, মাটিৰ পাত্ৰ ব্যৱহাৰ, শিল, হাড়, কাঠৰ সুঁজলি,  মাছ মৰা জাল আদিৰ ব্যৱহাৰে খ্ৰীষ্টপূৰ্ব ৫০,০০০ বছৰ আগতে আদিম মানৱ সমাজে সৰু সৰু দলত বিভক্ত, থিতাপি নোহোৱা চিকাৰী মানুহ পঁজা-ঘৰ নিৰ্মাণ, ঠাই  বিশেষে শীতকালত শিলৰ গুহাত বাস কৰিছিল। ইয়াৰ পৰা অনুমান কৰিব পৰা যায় যে, আদিম মানৱে সৰু সৰু দলত বিভক্ত হোৱা প্ৰথাৰ পৰাই পৰৱৰ্তী সময়ত গাঁওৰ সৃষ্টি। এই গাঁও সৃষ্টিৰ উত্থান হয় নৱপ্ৰস্তৰ যুগত। এই  যুগতে মানুহে গাঁও পাতি বসতি কৰিব লৈ লয়। গাঁৱৰ পত্তন, কৃষিকৰ্ম, পশুপালন, বোৱা-কটা, বেহা-বেপাৰ আদিৰ পৰাই গ্ৰাম্য ব্যৱস্থাৰ সূত্ৰপাত ঘটে। বিশেষকৈ মানুহে উন্নত জীৱন যাপন তথা স্থায়ীভাৱে বসতি কৰিবৰ বাবে ঘৰ সজাৰ প্ৰণালী, শোৱা-বোৱাৰ বাবে কাঠৰ আচবাব তৈয়াৰ, খাদ্য সংগ্ৰহ কৰি  ৰখাৰ বাবে মৃৎপাত্ৰ ইত্যাদি ব্যৱস্থা প্ৰৱৰ্তনে মানুহক গাঁও পাতি স্থায়ীভাৱে বসতি কৰিবলৈ লয়।

ভাৰতবৰ্ষ এখন গ্ৰাম্য আৰু কৃষি প্ৰধান দেশ। সেয়ে মহাত্মা গান্ধীয়ে ভাৰতীয় সমাজ মূলতঃ  গ্ৰাম্য ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল সেই কথা  উল্লেখ কৰিছে—'Real India lives in its villages.' ভাৰতীয় প্ৰাচীন ধৰ্ম গ্ৰন্থবোৰত গাঁৱৰ উল্লেখ পোৱা যায়। ঋক্বেদত গাঁওক

গ্ৰাম (Gram), বাল্মীকি ৰামায়ণত গাঁওক ঘোষ (Ghosh) আৰু গ্ৰাম (Gram), মহাভাৰতত গাঁওক ব্ৰীজ (Brij), পল্লী (Palli), গ্ৰাম (Gram), খভত্ৰ বা পল্লম (Khavatra or Pallam), আৰু পুৰ, পুৰী, নগৰ (Pur, Puri, Nagar) আদিত শ্ৰেণী বিভক্ত কৰা হৈছিল। ভাৰতীয় মানৱ সমাজতো প্ৰাচীনকালৰ পৰাই গ্ৰাম্য ব্যৱস্থা আছিল সেইটো স্পষ্ট।

সমাজ গতিশীল। সেয়েহে মানুহে সৰু সৰু গোট বা ফৈদ বা দলত বিভক্ত হৈ বসতি স্থাপন কৰিছিল। পৰৱৰ্তী সময়ত এই গোট বা দল বা ফৈদবোৰে পৰিয়ালৰ সৃষ্টি কৰে। পৰিয়াল হ'ল সমাজৰ আটাইতকৈ ন্যূনতম আৰু মূল গোট। পৰিয়াল সংগঠিত হয় স্বজনতাৰ ভিত্তিত। মধ্যযুগীয় সমাজত পৰিয়ালসমূহক প্ৰাথমিক পৰিয়াল, যুগ্ম পৰিয়াল আৰু সংযুক্ত বা বহু পৰিয়ালত বিভক্ত কৰা হৈছে। পৰিয়াল কিছুমান লগ লাগি সমাজ গঠন হয়। যাক বৈদিক যুগত গ্ৰাম্য সমাজ হিচাপে চিহ্নিত কৰা হয়। গ্ৰাম্য সমাজৰ সামাজিক-সাংস্কৃতিক পৰম্পৰা, স্ব-শাসন ব্যৱস্থা, অৰ্থনীতি ব্যৱস্থা সুকীয়া। পূজা-পাতল, বিশ্বাস-অবিশ্বাস, প্ৰবাদ-প্ৰবচন, উৎসৱ পাৰ্বন, গাঁওবুঢ়া বা মুৰব্বী প্ৰথা, বাৰদল বিচাৰ পদ্ধতি, মুষ্ঠি প্ৰথা আদি প্ৰাচীন গ্ৰাম্য ব্যৱস্থাৰ মূল। প্ৰাগ্-ঐতিহাসিক যুগৰ পৰা মানৱ সংগঠিত সমাজৰ ঐতিহ্য পৰম্পৰা আৰু বৰ্তমান সমাজ ব্যৱস্থা নিৰ্মাণৰ ক্ষেত্ৰত প্ৰাচীন গ্ৰাম্য ব্যৱস্থাৰ ভূমিকা সবল।

**শীলভদ্ৰৰ উপন্যাসত গ্ৰাম্য জীৱন ঃ**

মানুহৰ বসতি প্ৰধান কিছু পৰিয়ালক একেলগে অঞ্চল বা গাঁও হিচাপে স্বীকৃতি দিয়া প্ৰথা প্ৰাচীন। সেই অঞ্চল বা গাঁওতে সমাজ গঢ় লয়। সমাজ গঢ় লোৱাৰ মূলতঃ অঞ্চল ভিত্তিত গঢ়ি উঠা ৰীতি-নীতি, প্ৰথা তথা লোকাচাৰ, যিয়ে সমাজখন সুস্থভাৱে পৰিচালনা কৰাত সহায় কৰে। লোকাচাৰ, ৰীতি-নীতি, নিয়ম-কানুন প্ৰকাশ পায় গাঁও অঞ্চলত বসতি কৰা প্ৰতিজন মানুহৰ দৈনন্দিন জীৱন শৈলী পদ্ধতিত, য'ত কোনো কৃত্ৰিমতাৰ পালিচ নাই, ই স্বতঃফুৰ্ত। গ্ৰাম সমাজৰ অনুশাসন আৰু একতা, পাৰস্পৰিক ৰীতি-নীতি, ভাতৃত্ববোধ, আত্মীয়তা, জাত-পাত বিভেদ বৰ্জিত, সু-সমন্বয় তথা সু-সম্পৰ্ক গাঁৱলীয়া জীৱন শৈলীৰ এক চিৰাচৰিত সত্য।

গাঁৱলীয়া সমাজ প্ৰধানতঃ কৃষি প্ৰধান সমাজ। গাঁৱলীয়া অৰ্থনীতি কৃষি নিৰ্ভৰ বাবে

গাঁৱৰ লোক শ্ৰমজীৱি, প্ৰকৃতি নিৰ্ভৰ। স্বৰাজোত্তৰ পাছত গাঁৱলীয়া সমাজ ব্যৱস্থাৰ কিছু পৰিৱৰ্তন লক্ষণীয়। কাৰণ, নগৰীয়া সভ্যতাৰ প্ৰভাৱ, সম্ভ্ৰান্ত পৰিয়ালৰ দম্ভ, শ্ৰেণীগত সংঘাত, বাণিজ্যিক উত্থান, ৰাজনীতিৰ কু-অভিসন্ধি আদিৰ পৰিপ্ৰেক্ষিতত গাঁৱলীয়া জীৱনৰ সহজ-সৰলতাত ক্ষুণে ধৰে। এককথাত গাঁও আৰু নগৰকেন্দ্ৰিক সভ্যতাৰ সংঘাত আৰু সংঘাতময় পৰিৱেশৰ পৰাই ঔপন্যাসিকে উপন্যাসৰ সমল বিচাৰি পায়। শীলভদ্ৰৰ উপন্যাসতো গাঁও আৰু নগৰকেন্দ্ৰিক সংঘাতৰ প্ৰতিফলন আছে, কিন্তু গাঁৱলীয়া জীৱনৰ ছবি নিটোল আৰু যথাযথ ৰূপত জীৱন্ত হৈ উঠিছে। য'ত গাঁৱলীয়া জীৱনৰ সুখ-দুখ, আশা-আকাংশা, মানসিক দ্বন্দ্ব, মৌলিক সমস্যা আদিৰ সংবেদনশীল ৰূপায়ণৰ উপৰিও সংগ্ৰামী জীৱনৰ বাস্তৱ চিত্ৰ শীলভদ্ৰৰ উপন্যাসত সততে দেখা পোৱা যায়। তদুপৰি সহজ-সৰল গাঁৱলীয়া জীৱনৰ ভাষিক বিৱৰণ, খাদ্যাভাসৰ বৰ্ণনা, সাজ-পাৰ পিন্ধাৰ ধৰণ, লোকাচাৰ, লোকবিশ্বাসৰ হুবহু উপস্থাপন, উৎসৱ-অনুষ্ঠান, ঘৰৰ বিৱৰণ আদিৰ নিভাঁজ ছবি অংকন কৰিছে। শীলভদ্ৰৰ উপন্যাসৰ প্ৰকাশভংগীয়ে গ্ৰাম্য জীৱনক একাত্মভাৱে আৱেগ, অনুভূতি, প্ৰত্যক্ষ অভিজ্ঞতা, আন্তৰিকতা আৰু সমবেদনাপূৰ্ণ দৃষ্টিভংগীৰে গৌৰীপুৰকেন্দ্ৰিক গ্ৰাম্য জীৱনৰ এখনি বাস্তৱ চিত্ৰ নিখুঁতভাৱে ফুটাই তুলিবলৈ সক্ষম হৈছে।

শীলভদ্ৰৰ উপন্যাসৰ পটভূমি হৈছে মধুপুৰ। ই এখন সৰু ঠাই। ই নগৰো নহয়, গাঁও নহয়। জমিদাৰ শাসিত অঞ্চল হিচাপে গাঁওতকৈ কিছু উন্নতমানৰ যদিও পাৰিপাৰ্শ্বিক অৱস্থা তথা পৰিৱেশ মূলতঃ গাঁৱলীয়া পৰিৱেশ। গাঁৱলীয়া লোকসমাজৰ লোকৰীতি, ভাষা-কৃষ্টিৰ অবিকল উপস্থাপনৰ পৰা স্পষ্ট যে শীলভদ্ৰৰ উপন্যাস গাঁৱলীয়া সমাজৰ পটভূমিত ৰচিত। গতিকে গাঁৱলীয়া সমাজৰ পৰিৱেশ আৰু ভাষা-কৃষ্টিয়ে মধুপুৰ তথা গৌৰীপুৰীয়া ভাষা-কৃষ্টিৰ স্বকীয় সত্তা হিচাপে চিহ্নিত কৰাৰ অৱদান নুই কৰিব নোৱাৰি। এনে গৌৰীপুৰীয়া ভাষা-কৃষ্টিৰ স্বকীয় সত্তা চিনাকি কৰি দিয়াৰ বাবে শীলভদ্ৰই উপন্যাসসমূহত গ্ৰাম্য জীৱনৰ চিত্ৰ সততে উপলব্ধ। ইয়াৰ মূলতে হৈছে গ্ৰাম্য জীৱনৰ পৰা আহৰিত সমলৰ উপস্থাপন।

অসমীয়া গ্ৰাম্য সমাজ বিভিন্ন লোকবিশ্বাস, লোকাচাৰ আদিৰে পৰিপূৰ্ণ। লোকাচাৰৰ মাজেদি প্ৰকাশ পায় গ্ৰাম্য জীৱনৰ প্ৰতিচ্ছবি। গ্ৰাম্য জীৱনৰ লগত ওতঃপ্ৰোতঃ সম্পৰ্ক ৰক্ষা কৰা সামাজিক লোকাচাৰসমূহ লোকসমাজে পালন কৰি আহিছে। লোকচাৰৰ লগত ৰীতি-

নীতি, বিশ্বাস-অবিশ্বাস আৰু সংস্কাৰ  অঙ্গাঙ্গিভাৱে জড়িত। য'ত নিহিত হৈ থাকে শুভ-অশুভ। গ্ৰাম্য জীৱনত প্ৰচলিত লোকচাৰ, লোকবিশ্বাস আদি শীলভদ্ৰৰ উপন্যাসত যথেষ্ট।

গ্ৰাম্য সমাজত চিকিৎসাবিহীন মানুহৰ মৃত্যু হোৱা এক চিৰাচৰিত ঘটনা। কিন্তু মানুহৰ বেমাৰ-আজাৰ হ'লে চিকিৎসকৰ পৰিৱৰ্তে ওজা মাতি চিকিৎসা কৰা পদ্ধতি গ্ৰাম্য জীৱনৰ প্ৰাচীন প্ৰথা আৰু বিশ্বাস। দেও ধৰা, দেৱ-দেৱীক উপসনা কৰা, ওজা বা কবিৰাজৰ হতুৱাই চিকিৎসা কৰা পদ্ধতিত লোক-বিশ্বাস জড়িত হৈ আছে। গ্ৰাম্য জীৱনত প্ৰচলিত লোকবিশ্বাস 'তৰংগিনী' উপন্যাসত উল্লেখ কৰিছে এনেদৰে—

*'মাইকীটোকে দেও ধৰিছে। ওজা নলগালে মৰি যাবে হাকিম। বাচ্চাটাকে খালে আভি মাইকীটাকেভি খোৱাৰ মতলব।'*[১]

'অবিচ্ছিন্ন' উপন্যাসত ভূত খেদাৰ প্ৰক্ৰিয়া বেং বৈৰাগীয়ে জানে। ৰঙা কাপোৰ পিন্ধি ৰোহিণী চৰকাৰৰ ঘৰত পূজাত বহাৰ পাছত বিনোদে বৈৰাগীক পথালি কোলাত লৈ কুঁৱাত পেলাই দিম বুলি কোৱাত বৈৰাগীয়ে জীৱনৰ ভয়ত পেপুৱা লাগি চিঞৰি চিঞৰি কৈছে—

*'হে বাপ মোক ছাড়ি দে। ভৰিত ধইৰছং।'*

*'আৰু আহিবা?'*

*'উহুঁ। কেতিয়াও নাহো। মৰি গ'লেও নাহো।'*[২]

ইয়াত গ্ৰাম্য জীৱনৰ অন্ধবিশ্বাস আৰু ওজাৰ  ভংতাবাজৰ কথা স্পষ্ট।

আকৌ 'অবিচ্ছিন্ন' উপন্যাসত মা-কালী দেৱীৰ উপসনাৰ উল্লেখ কৰিছে —

*'গাঁৱৰ মানুহ এজনৰ অসহ্য পেটৰ বিষ। বিষত থাকিব নোৱাৰে। মা-কালীক কাতৰ প্ৰাৰ্থনা জনালে—'হে মা, মোৰ পেটৰ বিষ ভাল কৰি দিয়া তোমাক এহাল ম'হ দিম।'*[৩]

'আহঁতগুৰি' উপন্যাসতো দেও-ভূতৰ উল্লেখ পোৱা যায়—

*'দেও এটাই মোৰ পিছ লৈছে। মই জানো কোনে মোৰ পিছত দেও লগাইছে। পিছে মোৰ একো কৰিব নোৱাৰে। মোৰ ডিঙিত এই যে তাবিজটো দেখিছা ই বৰ সাংঘাতিক বস্তু। এইটো থাকিলে ভূত-প্ৰেত মোক একো কৰিব নোৱাৰে। মইয়ো চাই ল'ম। যি চালাই দেও লগাইছে তাকো*

*মই চাই ল'ম।'*[৪]

ইয়াত 'দেও লগাইছে' বুলি কোৱাৰ মূলতে মধু পুৰকেন্দ্ৰিক গ্ৰাম্য সমাজৰ দৈনন্দিন জীৱনত সচৰাচতে ঘটি থকা দেও-ভূত ধৰা বা লগাই দিয়া প্ৰথাক 'কৰণি কৰা' বুলি কোৱা হয়। ইয়াত বিশ্বাস যে মানুহ এজনৰ বেমাৰ বহুদিন বা চিকিৎসা সঠিক নাপাই ভুগি থকা বাবে ওজা বা কবিৰাজ মাতি দেখা-শুনা কৰে। শেষত ওজাই বিধান দিয়ে যে মানুহে কিবা বেয়া কাম বা ভূত লগাই দিছে আৰু ওজাৰ বিধান মতে সুফল পাব। গতিকে দেও ধৰা, দেৱ-দেৱীক উপসনা কৰা আৰু ওজাৰ হতুৱাই চিকিৎসা পদ্ধতিৰে ৰোগ নিৰাময়ৰ বিশ্বাস মধুপুৰকেন্দ্ৰিক গ্ৰাম্য জীৱনৰ বাস্তৱ চিত্ৰ প্ৰকাশিত হৈছে।

লোকাচাৰ গ্ৰাম্য সমাজৰ এক মৌলিক উপাদান। লোকাচাৰক বাদ দি গ্ৰাম্য জীৱনৰ কথা কল্পনা কৰিব নোৱাৰি। কৃষিকেন্দ্ৰিক লোকচাৰ, জন্ম-মৃত্যু-বিবাহকেন্দ্ৰিক লোকাচাৰ, শুভ-অশুভ মূলক লোকাচাৰ আদি গ্ৰাম্য জীৱনৰ এক এৰাব নোৱাৰা অংগ। সেয়ে এককথাত মাঙ্গলিক বা শুভকৰ্মৰ উদ্দেশ্য কৰা অনুষ্ঠানক সামাজিক লোকাচাৰ বুলিব পাৰি। এনে উদ্দেশ্য কেন্দ্ৰিক লোকাচাৰ মধুপুৰ অঞ্চলত সততে দেখা যায়। যেনে— কৃষিৰ লগত জড়িত হুদুমদেউ পূজা, সন্তান লাভৰ আশাত কাতিকা পূজা, বিয়াৰ পাছত নাৰীয়ে শাখা-সিন্দুৰ পিন্ধা, ঢেলখোৱা ঠাকুৰৰ সন্মুখে দি গ'লে দলিয়াই দিয়া আদি ভিন্ন ধৰ্মী লোকাচাৰ দেখা যায়। তদুপৰি অতিথি ঘৰলৈ আহিলে সু-সন্মান কৰাৰ যি প্ৰথা তথা খাবলৈ দিয়াৰ যি লোকাচাৰ তাৰ উল্লেখ 'আগমনীৰ ঘাট' উপন্যাসত স্পষ্ট—

*'চোতাল নিকাকৈ মুচি তাতেই পীৰা পাৰি ভাত দিছিল। গণেশৰ পৰিবাৰে ভাত আঞ্জা আনি দি দুৰৰপৰা আঠু লৈ সেৱা কৰিলে।'*[৫]

লোক-সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ দিশ হৈছে উৎসৱ-অনুষ্ঠান। গ্ৰাম্য সমাজত অনুষ্ঠিত উৎসৱ, বিভিন্ন অনুষ্ঠানে গ্ৰাম্য জীৱনৰ বাদ-বিবাদ পৰিহাৰ কৰি সকলোকে একে লগে অংশ গ্ৰহণ কৰাৰ সুযোগ দিয়ে। শীলভদ্ৰৰ উপন্যাসসমূহতো মধুপুৰকেন্দ্ৰিক গ্ৰাম্য সমাজখনে পৰম্পৰাগতভাৱে পালন কৰা উৎসৱ-অনুষ্ঠান সমূহৰ উল্লেখ পোৱা যায়। শীলভদ্ৰৰ 'তৰংগিনী' উপন্যাসত কৰম পূজা, 'মধুপুৰ', 'আগমনীৰ ঘাট' আৰু 'অনুসন্ধান' উপন্যাসত দুৰ্গা পূজা, 'অবিচ্ছিন্ন' উপন্যাসত হুদুমদেও পূজা, 'মধুপুৰ' আৰু 'অবিচ্ছিন্ন' উপন্যাসত দৌলযাত্ৰা বা

ফাকুৱা আৰু ‘আগমনীৰ ঘাট’ আৰু ‘প্ৰাচীৰ’ উপন্যাসত চড়কপূজা বা চৈত পৰবৰ উল্লেখ পোৱা যায়। উল্লিখিত উৎসৱসমূহে গ্ৰাম্য জীৱনৰ চিত্ৰ দাঙি ধৰে।

গ্ৰাম্য সমাজত পুৰুষৰ সুখ-শান্তিৰ মূলতে নাৰী। পুৰুষে কাম বা বাহিৰৰ পৰা আহি চোতালত ভৰি থোৱাৰ লগে লগে পত্নীয়ে তেওঁলোকৰ মনে বিচৰা ধৰণে যোগান ধৰিব নোৱাৰিলে নাৰীগৰাকীয়ে গিৰীয়েকৰ শাৰীৰিক নিৰ্যাতন সহ্য কৰিব লগা হয়। মধুপুৰকেন্দ্ৰিক গ্ৰাম্য জীৱনত গ্ৰাম্য নাৰীমনৰ চিত্ৰণত নাৰীৰ সংসাৰৰ প্ৰতি দায়ৱদ্ধতা, স্বামীৰ অত্যাচাৰ, অৱহেলা আদি নীৰৱে সহ্য কৰাৰ নিভাঁজ বৰ্ণনা ‘আহঁতগুৰি’ উপন্যাসত উপস্থাপন কৰিছে—

*‘কি যে কন? না কৰ্লে হইবে। বিয়ান থাকি গৰু দেখা, খৰি ফালা, ধান ভুকা। এগিলা তো আছে। তাৰ উপৰি মাইৰ ডাং।’*[৬]

সহজ-সৰল মনৰ গ্ৰাম্য নাৰীৰ কোনো ক্ষোপ নাই, নাই কোনো আক্ষেপ। স্বামীক পৰম গুৰু মানি নীৰৱে সহ্য কৰে মাইৰ ডাং। পুৱাৰে পৰা সংসাৰ ৰন্ধাবঢ়াৰ পৰা আৰম্ভ কৰি গৰু দেখা, ধান ভুকা, খৰি ফলা কাম নিয়াৰিকৈ পালন কৰাৰ পাছতো স্বামীৰ অত্যাচাৰ গ্ৰাম্য সমাজ জীৱনৰ এক বাস্তৱ প্ৰতিচ্ছবি। তদুপৰি গ্ৰাম্য সমাজত নাৰী সম্পৰ্কে পৰনিন্দা, পৰচৰ্চা ‘আগমনীৰ ঘাট’ উপন্যাসত প্ৰকাশ পাইছে। মানুহৰ দৃষ্টিত মঞ্জুলা পৰচৰ্চাৰ বিষয় হৈ পৰিছে। ওচৰ-চুবুৰীয়াই কয়— ‘মঞ্জুলা ছোৱালীজনী একদম বেয়া হৈ গ’ল।’ ইয়াৰ অৰ্থ এইটোৱে যে, মঞ্জুলা নামৰ ছোৱালীজনীৰ স্বভাৱ চৰিত্ৰ বেয়া, বহু পুৰুষগামী। কিন্তু এই কথাৰ সত্যতা কিমান, সেয়া বিচাৰ্য নহয়। কেৱল সন্দেহ, হিংসা আৰু ঈৰ্ষাৰ বলি হোৱাটো গ্ৰাম্য সমাজত সঘনে ঘটে। সেয়ে ঔপন্যাসিকে পৰনিন্দা, পৰচৰ্চা সম্পৰ্কে গ্ৰাম্য সমাজৰ কথা উল্লেখ কৰিছে—

*‘ছোৱালী বেয়া হোৱাৰ অৰ্থ একেটাই। সৰু ঠাই মধুপুৰ। ঘটনা যিখিনি ঘটে তাৰ কথা তো ওলায়, যিখিনি নঘটে তাৰো কথাও ওলায়।’*[৭]

‘তৰংগিনী’ উপন্যাসতো গ্ৰাম্য জীৱনৰ বাস্তৱ ৰূপ মেনেজাৰ মহিম ৰায় আৰু চিলন্তীৰ জৈৱিক কামনা, গ্ৰাম্য সমাজত তাকে লৈ বু-বা, পৰচৰ্চা, জেকেৰা বস্তীৰ যাতায়ত দুৰ্ৰস্থা, সুজেনৰ সাজ-পাৰ আদি গ্ৰাম্য জীৱনৰে অংশ। তদুপৰি বাগানীয়া সমাজত নাৰীৰ যি দুৰ্ৰস্থা আছিল তাৰ বাস্তৱ চিত্ৰ ঔপন্যাসিকে আক্ষেপেৰে তুলি ধৰিছে এনেদৰে—

*‘গৰ্ভাৱস্থাত এওঁলোকৰ পৰিশ্ৰম কৰা উচিত, গধুৰ বস্তু দঙাও উচিত।*

*সন্তান জন্মৰ সাত দিন পিচতেই ফটা কাণি এডোখৰ পাতি কেচুৱাক চাহগছৰ মাজৰ আলিবাটত শুৱাই থৈ পূৰ্ণোদ্যমে পাত তোলাও উচিত।'*[৮]

লজ্জা নিবাৰণৰ বাবে মানুহে সাজপাৰ পৰিধান কৰে। বিশেষকৈ নাৰী সাজপাৰৰ প্ৰতি সচেতন। কিন্তু সাজপাৰৰ ক্ষেত্ৰতো নগৰ আৰু গ্ৰাম্য সমাজত পাৰ্থক্য যথেষ্ট। মধুপুৰকেন্দ্ৰিক গ্ৰাম্য সমাজত নাৰী-পুৰুষে সাজপাৰ পৰিধান কৰাৰ ধৰণ বা ঢঙৰ সুন্দৰ বিৰৰণ 'আগমনীৰ ঘাট' উপন্যাসত পোৱা যায় এনেদৰে—

*'শকত আৱত বুঢ়া মানুহ। মুখত একমুখ পকা ডাঢ়ি। চেককটা লুঙি পিন্ধা, গাত নীলা ৰঙৰ কামিজ। খালী ভৰি, দুয়ো ভৰিত খৰ।'*[৯]

আকৌ 'অবিচ্ছিন্ন' উপন্যাসত গ্ৰাম্য নাৰীয়ে পৰিধান কৰা সাজৰ উল্লেখ কৰিছে এনেদৰে—

*'মোনাৰ মাক বিৰাট ওখ আৰু ইটঙা। ভৰি দুখনৰ আকাৰ প্ৰকাণ্ড। বুকুৰ তলেদি বান্ধি এখন কাপোৰ পিন্ধে।'* [১০]

কাজিয়া আৰু সম্পৰ্ক গাঁৱলীয়া সমাজৰ এক এৰাব নোৱাৰা অংগ। হৃদয়ৰ আত্মিক সম্পৰ্কই গঢ় লয় একতা, ভ্ৰাতৃত্ববোধ আৰু সমন্বয়ৰ। পাৰিপাৰিক আৰু পাৰস্পৰিক সম্পৰ্কৰ এনাজৰীয়ে গ্ৰাম্য সমাজত দায়িত্ব আৰু দায়বদ্ধতাৰ নিভাঁজ চিত্ৰ সচৰাচতে প্ৰতিফলিত হয়। বিশেষকৈ দ্বায়িত্ব লোৱাৰ পাছত দায়িত্ব সঠিকভাৱে পালন কৰিব নোৱাৰিলে দুখত ভাগি পৰা চিত্ৰ 'আগমনী ঘাট' উপন্যাসত উল্লেখ কৰিছে—

*'দাদাক মুই কেমন কৰি মুখ দেখাইম? দাদাক মুই কি কইম? দাদাই মোক অত কৰি কৈছে ছাৱাটাক তুই দেখিস।'*[১১]

আকৌ গ্ৰাম্য সমাজত পৰিয়ালকেন্দ্ৰিক কাজিয়া, বিশেষকৈ ল'ৰা দেউতা, ল'ৰা-বোৱাৰী, বোৱাৰী শাহু আই, শহুৰেকৰ মাজত কাজিয়া, শেষ বয়সত মা-দেউতাক ভাত নিদিয়া, ঘৰৰ পৰা ওলাই দিয়া আদিৰ সুন্দৰ উপস্থাপন কৰিছে 'প্ৰাচীৰ' উপন্যাসত —

*'এইহে ল'ৰা। লিখাপঢ়া শিকিলেই কোনোবা মানুহ হয় নে? আচল মানুহ হ'ল মাণিক? খাঁটি মানুহ ই। মাণিকে নাচালে বুঢ়া বয়সত বাটত ভিক্ষা*

*কৰিব লাগিল হয়। মোৰ কি কৰিছে মোৰ ডাঙৰ ল'ৰাই? কুকুৰৰ দৰে ৰাতিখন খেদি দিয়া নাছিল? খেদি দিয়া নহয় তো কি? খাইছিলোঁ। মিছা কথা কি ক'ম? অলপ খাইছিলোঁ। নিজৰ পইচাত খাইছিলোঁ। সেইবুলি ডাঙৰ বোৱাৰীয়ে কিমান কথা শুনালে। ভদ্ৰলোকৰ ঘৰত ছোটলোকৰ কাৰবাৰ। মই ছোটলোক? ৰাতিতেই ঘৰৰ পৰা ওলাই গ'লোঁ। মোৰ ল'ৰাই তো একো নক'লে। ল'ৰাৰ সমৰ্থন নাথাকিলে বোৱাৰীয়ে ইমান কথা শুনাব পাৰে নে?'* [১২]

তদুপৰি গ্ৰাম্য সমাজত প্ৰচলিত দৰিদ্ৰতা আৰু পাৰস্পৰিক সম্পৰ্কৰ একনিষ্ঠ আন্তৰিকতাৰ নিখুঁত চিত্ৰ দাঙি ধৰিছে 'মধুপুৰ' উপন্যাসত এনেদৰে—

*'খৰি কেইডালমান ফালি দিয়ে, পিচফালৰ জংঘল চাফ্ কৰি দিয়ে। হাজিৰা নলয়। জা-জলপান খায়, নহ'লে ভাত পানী খাই গুচি যায়। ভগীৰথৰ পৰিবাৰো আছে। গুড়া, সান্দহ কৰাত, অইন কাম কৰা তিৰোতাবোৰক সহায় কৰে। যাওঁতে টোপোলা বান্ধি কিবা-কিবি লৈ যায়।'* [১৩]

তদুপৰি 'মধুপুৰ' উপন্যাসত গ্ৰাম্য কৃষক জীৱনৰ কাপোৰ পিন্ধা, ভাত খোৱাৰ ঢং আদিৰ বাস্তৱ বিৱৰণ উল্লেখ কৰিছে—

*'হালোৱাবোৰক দেখিছিলোঁ। ফটা কাপোৰৰ লেংটি এখন পিন্ধি আছিল। আদহীয়া মানুহ এজনেও তপিনা উলিয়াই ঘট্‌মটাই ফুৰিছিল। অৰ্থাৎ অভ্যস্ত। হাজিৰা কাম কৰা মানুহক ভাত খাবলৈ দিলেও দেখিছিলোঁ আমাৰ নিচিনা দাইল আঞ্জাৰে ভাতি সানি নলৈছিল। শুদা ভাত খাই মাজে মাজে আঙুলিৰ মূৰত অলপ আঞ্জা লৈ চেলিকি খাইছিল।'* [১৪]

শীলভদ্ৰৰ উপন্যাস সমগ্ৰত অতি সাৰ্থকতাৰে লোকভাষাৰ প্ৰয়োগ কৰি প্ৰতিফলিত হোৱা গ্ৰাম্য সমাজখনক তুলি ধৰাত সফল হৈছে। সাধাৰণ অশিক্ষিত মানুহৰ ভাব-অনুভূতি প্ৰকাশত ব্যৱহৃত ভাষাই লোকভাষা। গ্ৰাম্য পৰিৱেশ সৃষ্টি কৰিবলৈ যেনেকুৱা ভাষা গ্ৰাম্য অঞ্চলত প্ৰচলিত শব্দৰ হুবহু প্ৰয়োগ আৰু প্ৰয়োজন, সেয়া যথোপযুক্ত স্থানত ব্যৱহাৰ কৰাত সাৰ্থক হৈছে। ঔপন্যাসিকে 'আগমনীৰ ঘাট' উপন্যাসত লোকভাষা প্ৰয়োগ আৰু বৈশিষ্ট্য

সম্পৰ্কে উল্লেখ কৰিছে—

> *'সহজ মানুহৰ সহজ প্ৰাণৰ কথা, অলপো কৃত্ৰিমতা বা পালিচ নাই।'*[১৫]

গ্ৰাম্য জীৱনৰ সহজ-সৰলতাৰ অবিকল ৰূপ প্ৰকাশিত হয় ভাষাৰ মাধ্যমত। য'ত কোনো কৃত্ৰিমতা নাই, নাই কোনো জটিলতা। সহজ মনৰ সৰল প্ৰাণৰ ভাব প্ৰকাশ পায়। গালিবাচক শব্দ, শাও-শাপনিবাচক শব্দ, সমন্ধবাচক শব্দৰ ওপৰিও উপন্যাসসমূহত ব্যৱহাৰ কৰা সংলাপসমূহেও মধুপুৰকেন্দ্ৰিক গ্ৰাম্য সমাজত প্ৰচলিত লোকভাষাৰ নিদৰ্শন দাঙি ধৰিছে।

শীলভদ্ৰৰ উপন্যাস সমগ্ৰৰ পটভূমি মূলতঃ গ্ৰাম্য অঞ্চল। গ্ৰাম্য অঞ্চলৰ পৰা আহৰিত অভিজ্ঞতা, জমিদাৰী শাসন ব্যৱস্থা, স্বাধীনতা আন্দোলন আৰু স্বাধীনতা লাভৰ ফলত মধুপুৰকেন্দ্ৰিক অঞ্চলত যি সামাজিক জোঁট, দ্বন্দ্ব, সংঘাত, সমন্বয় গঢ়ি উঠিছিল, দুটা প্ৰজন্মৰ ব্যৱধান, নতুন পুৰুষৰ পৰিৱৰ্তিত চিন্তাধাৰা আৰু পুৰণিৰ আভিজাত্যগৰ্বী চিন্তাধাৰাৰ প্ৰতিফলনে কেনেকৈ গ্ৰাম্য সহজ সৰল সমাজ জীৱনৰ পৰিৱৰ্তনৰ ভেটিত মোক্ষম আঘাত হানি এখন জীৱন্ত সমাজক ভাঙোনমুখী কৰিছে, তাৰ বাস্তৱ ৰেহৰূপ উপস্থাপন কৰাৰ বাবে শীলভদ্ৰই সততে গ্ৰাম্য জীৱনৰ চিত্ৰ বৰ্ণিত কৰাত অক'ণো ত্ৰুটি কৰা নাই। বিশেষকৈ মধুপুৰকেন্দ্ৰিক গ্ৰাম্য জীৱনত প্ৰচলিত ৰীতি সিধা দিয়া প্ৰথা, হোকা খোৱা, ৰাতিপুৱাৰ জলপানত দৈ-সান্দহ এবাটি খোৱা, নৈৰ দহ পানীত পৰিলে চুলিৰ মুঠিত ধৰি উদ্ধাৰ প্ৰক্ৰিয়া পদ্ধতি, বৰশীৰে মাছ ধৰা, ঢোকা বিয়া ব্যৱস্থা, পথাৰৰ পৰা গৰুগাড়ীৰে ধানৰ ভাৰি অনা, তাচৰ আড্ডা বহা, ভাষিক উচ্চাৰণগত পাৰ্থক্য, গ্ৰাম্য গালিবাচক শব্দৰ প্ৰয়োগ আদিৰ ওপৰিও স্থানীয় উৎসৱ-অনুষ্ঠান লোকগীতি নাট্য কুশানগান, ময়নামতী, সত্যপীৰ, মনাই যাত্ৰা, পদ্মপুৰাণ, বাশীপুৰাণ, ভাৰীগান, খাৰাতাল, কাতিকা নৃত্য, ব্ৰত কথা, আইনামৰ উপস্থাপনে গ্ৰাম্য জীৱনৰ বাস্তৱ চিত্ৰ প্ৰকাশিত হৈছে। মধুপুৰকেন্দ্ৰিক নিজস্ব ৰীতি-নীতি, জীৱন পৰিকাঠামো, সমাজ ব্যৱস্থা আদিৰ সুকীয়া উপস্থাপন আৰু মালিক শ্ৰেণীৰ শোষণ, জমিদাৰী শাসনৰ দমননীতিৰ মাজত কৃষক তথা গ্ৰাম্য জীৱনৰ যি সংঘাত, সংগ্ৰাম আদিৰ বাস্তৱ চিত্ৰ প্ৰতিফলিত হৈ উঠিছে শিক্ষাৰ অনগ্ৰসৰতা, অত্যাধিক মদপান আৰু সংসাৰৰ প্ৰতি দায়িত্বহীনতা, জীৱন আৰু সমাজ সম্পৰ্কে অজ্ঞতা। তথাপিও সিহঁতৰ মাজত অকৃত্ৰিম ভালপোৱা, সহজ জীৱন পদ্ধতিৰে চলা, পৰস্পৰে পৰস্পৰৰ

লগত সু-সম্পৰ্ক আৰু সমন্বয় ৰক্ষা কৰা আদি মধুপুৰকেন্দ্ৰিক গ্ৰাম্য সমাজ জীৱনৰ অন্যতম বৈশিষ্ট্য।

মধুপুৰ তথা গৌৰীপুৰকেন্দ্ৰিক পৰম্পৰাগত গ্ৰাম্য জীৱনৰ লগত সহৃয়তাৰ এনাজৰীৰে বান্ধ খাই থকা বাবে শীলভদ্ৰৰ প্ৰায় কেইখন উপন্যাসত গ্ৰাম্য সমাজ জীৱন শিল্পসন্মত ৰূপত মূৰ্ত হৈ উঠিছে।

**শীলভদ্ৰৰ উপন্যাসত ৰাজনৈতিক অৱস্থা ঃ**

ৰাজনীতি সমাজ ব্যৱস্থাৰ এটা বিশিষ্ট অংগ। ৰাজনীতিয়ে এখন দেশ, সমাজক নিয়ন্ত্ৰণ কৰে। ৰাজনীতি অবিহনে এখন সমাজ, এটা অঞ্চলৰ উন্নতি অসম্ভৱ। যি অঞ্চলত মানুহ ৰাজনৈতিকভাৱে সচেতন নহয়, সেই অঞ্চল সদায় অনুন্নত হৈয়ে থাকে। তেনে এক অঞ্চল হৈছে অসমৰ পশ্চিম সীমান্তত অৱস্থিত। ই পূৰ্বতে আছিল গৌৰীপুৰ। জমিদাৰী শাসিত অঞ্চল। তাৰ পাছত স্বাধীনতা আন্দোলনৰ প্ৰভাৱ পৰিছিল যদিও ৰাজনৈতিকভাৱে সচেতনাৰ অভাৱ আছিল যথেষ্ট। স্বাধীনতা লাভৰ পাছত মধুপুৰ অঞ্চলত বিভিন্ন সমস্যাৰ সৃষ্টি হয়। সমাজ জীৱনত উদ্ভৱ হোৱা সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত মানুহৰ মন-মগজুত যি চেতনা জাগি উঠে, তাৰ পৰাই গঢ়ি উঠে ৰাজনৈতিক চেতনা। স্বৰাজোত্তৰ ফলত যি পৰিৱৰ্তন আৰু পৰিৱৰ্ধন তাৰ মূলতে দুটা প্ৰজন্মৰ ব্যৱধান, নতুন পুৰুষৰ পৰিৱৰ্তিত চিন্তাধাৰা আৰু পুৰণিৰ আভিজাত্যগৰ্বী চিন্তাধাৰাৰ প্ৰতিফলনৰ পৰা মধুপুৰ অঞ্চলত ৰাজনৈতিক চেতনা জাগি উঠিল। বিশেষকৈ গ্ৰাম্য সমাজৰ অৱক্ষয় আৰু ভেদভাৱ এক সামাজিক ব্যাধি স্বৰূপ হৈ পৰিল। সহজ-সৰলতাৰ ঠাইত জটিলতা, অকৃত্ৰিমতাৰ ঠাইত কৃত্ৰিমতা, পোৱা-নোপোৱাৰ অংক, নৈতিক শিক্ষাৰ ঠাইত অৰ্হতাগত শিক্ষাত গুৰুত্ব, আঞ্চলিকতাৰ উত্থান, অভিজাত শ্ৰেণী আৰু মধ্যবিত্তৰ সংঘাত আদিৰ বাবে মধুপুৰ অঞ্চল অনুন্নত হৈ থাকিল। তাৰ চাক্ষুস স্বাক্ষী শীলভদ্ৰ। গতিকে পিচপৰা অঞ্চল মধুপুৰৰ বিস্তাৰিত প্ৰতিফলন শীলভদ্ৰই উপন্যাসসমূহত প্ৰকাশ কৰিবলৈ যাওঁতে ৰাজনৈতিক চেতনাৰ ফলস্বৰূপে উদ্ভৱ হোৱা কিছুমান সমস্যা উপস্থাপন কৰিছে।

শীলভদ্ৰৰ উপন্যাসসমূহৰ কাহিনীত বৰ্ণিত ভাৰতবৰ্ষ জুৰি চলা স্বাধীনতা আন্দোলন,

দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱ, স্বাধীনতা লাভ, জমিদাৰৰ শাসন, নিম্ন মধ্যবিত্ত মানুহৰ মাজত ৰাজনৈতিক উত্থান আদিৰ ফলত মধুপুৰলৈ অহা স্বাধিকাৰ আৰু ঐতিহ্য চেতনাক লৈ ৰাজনীতিৰ উল্লেখ পোৱা যায়। বিশেষকৈ ১৯৩৯ চনত সুভাষ চন্দ্ৰ বসু মধুপুৰলৈ আহি জনসভা পাতি স্বাধীনতা সংগ্ৰামত সশস্ত্ৰ আন্দোলনৰ ইংগিত বহন কৰাৰ বাবে সভাত অংশ গ্ৰহণ কৰা বহু জনসাধাৰণ শাসকগোষ্ঠীৰ ৰোষৰ বলি হ'ব লগা হৈছিল। কাৰণ ৰাজনৈতিক আন্দোলনৰ লগত মধুপুৰৰ ভদ্ৰ শ্ৰেণীৰ প্ৰত্যক্ষ যোগাযোগ নাছিল। কিন্তু স্বৰাজ লাভে সংগ্ৰামী জনসাধাৰণক দুটা ভাগত বিভক্ত কৰিলে। এচাম শাসক পক্ষৰ লগত মিতিৰালি কৰি উন্নতিৰ শীৰ্ষত উঠিল, আন এচামে কুটিল ৰাজনীতিৰ পাকচক্ৰত পৰি অনুন্নত হৈ থাকিল। ফলত মধুপুৰ যে ৰাজনৈতিক সুবিধাৰ পৰা সকলো দিশতে বঞ্চিত হৈ আছে, তাৰ ক্ষোপ, আক্ষেপ জড়িত উল্লেখ 'মধুপুৰ' উপন্যাসত স্পষ্ট—

> *'নাই নাপালে। বিশেষজ্ঞ কমিটিয়ে তাৰ নামটোহে দিছিল— মন্ত্ৰীসভাৰ সিদ্ধান্ত শেষ পৰ্যন্ত বাদ পৰি গ'ল।' জানা কথা। গোৱালপাৰাৰ চাওৱা এগিলা সুবিধা নাপায়।'* [১৬]

আকৌ গোৱালপাৰাৰ মানুহ শাসন ব্যৱস্থাত নথকাৰ বাবে যে মধুপুৰৰ উন্নতি হোৱা নাই, তাৰো ইংগিত ঔপন্যাসিকে 'মধুপুৰ' উপন্যাসত উল্লেখ কৰিছে—

> *'শাসন ব্যৱস্থাত গোৱালপাৰাৰ মানুহৰো হাত থকা হ'লে গোৱালপাৰাৰ এই দুৰ্গতি নহয়।'* [১৭]

ৰাজনৈতিকভাৱে পিচপৰা এচামৰ মনত আকৌ মধুপুৰৰ ঐতিহ্য-চেতনা আৰু স্বাধিকাৰৰ প্ৰশ্ন জাগৰিত হৈ উঠিছে। কাৰণ দেশ বিভাজনৰ সময়ত পূব পাকিস্থানৰ পৰা অহা হাজাৰ হাজাৰ মানুহৰ বাবে মধুপুৰৰ ভৌগোলিক পৰিকাঠাম সলনি হৈছে। মধুপুৰৰ অৰ্থনীতি, ৰাজনীতি সিহঁতৰ মুঠিত। স্থানীয় থলুৱা মানুহখিনিৰ অৱস্থা শোচনীয়। এনে দৃশ্যপট প্ৰত্যক্ষ কৰা কিছু স্থানীয় থলুৱা মানুহৰ চিন্তাত কমতাপুৰৰ দাবী উঠিল, স্ব-অধিকাৰ নাথাকিলে ভৱিষ্যতত তিষ্ঠি থকা অসম্ভৱ, সেই কথাৰ স্পষ্ট উল্লেখ 'আহঁতগুৰি' উপন্যাসত পোৱা যায়—

> *'নিজৰ ভৱিষ্যত নিজে গঢ়িব পৰাৰ সুযোগ এটা আদায় কৰি ল'ব লাগিব। নহ'লে অনুন্নত অঞ্চল বা সম্প্ৰদায় আপেক্ষিকভাৱে চিৰকাল অনুন্নত*

*থাকিয়েই যাব।'* [১৮]

'তৰংগিনী' উপন্যাসত বৰ্ণিত কাহিনীৰ মূলভেটি চাহ-বাগান। অসমৰ চাহপাতক লৈ ভাৰতবৰ্ষ জুৰি ৰাজনীতি। চাহপাতক জাতীয়কৰণ কৰাৰ স্বাৰ্থত অসম জুৰি আন্দোলন, ধৰ্মঘট, হৰতাল আদিত চাহপাতৰ ফাইল যে ৰাজনৈতিক ৰঙাফিতাৰ মেৰপেচত সোমাই পৰিছে আৰু তাৰ বিনিময়ত দৈনন্দিন মালিকৰ লোকচান, দেশৰ অৰ্থনৈতিক ক্ষতি হৈছে, তাৰ উল্লেখ কৰিছে এনেদৰে—

*'বৰ্তমান কাঠামোত জাতীয়কৰণৰ কোনো অৰ্থ নহয়। ফাইল ঘূৰাই চাহ-বাগান চলাব নোৱাৰি। চৌবিশ ঘণ্টা পিচত কেঁচা পাত নষ্ট হৈ যাবই। কেঁচা পাতে ফাইলৰ নিৰ্দেশ মানি নচলে।'* [১৯]

'আগমনীৰ ঘাট' উপন্যাসত বৰ্ণিত কাহিনীৰ উৎস হৈছে ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলন। তাৰ মূলতে ১৯২১ চনত মহাত্মা গান্ধীৰ অসম ভ্ৰমণ। মধুপুৰৰ ৰজনীদা, প্ৰমীলা বৌ আদিয়ে আন্দোলনত সক্ৰিয় সদস্য হিচাপে অংশ গ্ৰহণ কৰি হিংসাত্মক কাৰ্যত লিপ্ত হৈ পৰিছিল। তাৰ উল্লেখ পোৱা যায়—

*'ৰজনীদাই ৪২ চনত এটা দলৰ সৈতে হিংসাত্মক কাৰ্যত লিপ্ত হৈ পৰিছিল। সৰ্বভাৰতীয় সংযোগ নথকা এটা একাষৰীয়া দল। ৰজনীদাৰ জৰিয়তে প্ৰমীলাবৌৰ দলৰ শীৰ্ষ নেতা শীতলবাবুৰ লগত পৰিচয় হয়। এই পৰিচয় হোৱাত শীতলবাবুয়ে খুব ৰস পাইছিল। প্ৰমীলাবৌ আছিল উচ্চপদস্থ পুলিচ বিষয়াৰ ছোৱালী। শীতলবাবু আছিল হৰিচন ৰোডৰ মেচ এটাত। শীতলবাবুয়ে মিছাকৈ খবৰ পালে যে তেওঁৰ কোঠাত খানাতালাচ কৰা হ'ব। প্ৰমীলাবৌয়ে শ্বাল কাপোৰৰ তলত লুকুৱাই বোমা কেইটামান নিজৰ ঘৰলৈ লৈ আনে। নিজৰ কোঠাৰ দুৱাৰদলিত উজটি খাই পৰি যায়। গোটেই নিম্নাঙ্গ, তলপেটৰ পৰা আৰম্ভ কৰি আঠুলৈকে ছিন্ন-ভিন্ন হৈ যায়।'* [২০]

'গধূলি' উপন্যাসত স্বাধীনতাৰ প্ৰাক্-মুহূৰ্তত গোট বিৰোধী আন্দোলনক কেন্দ্ৰ কৰি ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু মুছলিম লীগৰ ৰাজনৈতিক মতানৈক্যয়ে সমগ্ৰ ভাৰতবৰ্ষতে সৃষ্টি কৰা প্ৰতিক্ৰিয়াৰ ফলত হিন্দু-মুছলমানৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষ জৰ্জড়িত পৰিস্থিতিৰ

বৰ্ণনাৰ উল্লেখ কৰিছে যথা—

> *'এফালে 'আল্লা হো আকবৰ' আনফালে 'বন্দে মাতৰম'। ধুনীয়া ঐতিহ্যপূৰ্ণ শব্দৰ কি লজ্জাজনক  অপপ্ৰয়োগ। ওলট-পালট অৱস্থা।'* ২১

১৯৭৯-১৯৮৫ সময়ছোৱাত অসমত গা কৰি উঠা অসম আন্দোলনৰ ঢৌৱে শদিয়াৰ পৰা ধুবুৰী লৈ এক আলোড়ন গঢ়ি তুলিছিল। 'আহ ঐ আহ, ওলাই আহ'  বুলি প্ৰতিধ্বনি তুলিলে জনতৰংগৰ সোঁত বৈছিল। এই আন্দোলনৰ মূল উদ্দেশ্য আৰু লক্ষ্য আছিল বিদেশী বহিস্কাৰ। কাৰণ, স্বাধীনতা লাভৰ পাছত হাজাৰ হাজৰ মানুহ অসমলৈ আহিছিল। অসমৰ ভৌগোলিক চিত্ৰৰ সাল-সলনি কৰি দিছিল। থলুৱা মানুহখিনি অস্তিত্বৰ সংকটত ভুগিছিল, কিন্তু ৰাজনৈতিক নেতৃবৃন্দৰ অনীহা, অদূৰদৰ্শিতা আৰু ব্যক্তি স্বাৰ্থ লৈয়েই ব্যস্ত থাকিল। ফলত উঠি অহা যুৱচাম তথা ছাত্ৰৰ মাজত গা কৰি উঠিল আন্দোলনৰ বাতাবৰণ, যি আন্দোলনত আৱাল-বৃদ্ধ-বণিতাই অংশ গ্ৰহণ কৰি বিশ্বজুৰি আলোড়নৰ সৃষ্টি কৰিছিল, সেই আন্দোলনৰ উদ্দেশ্য লৈয়ো নেতৃবৃন্দৰ মাজত মত-পাৰ্থক্য আছিল। এচামৰ মতে মুছলমানসকলক খেদিব লাগে, আন এচামৰ মতে হিন্দুসকলক খেদিব লাগে আৰু আন কাৰোবাৰ মতে হিন্দু-মুছলমান সকলোকে খেদিব লাগে। কাৰণ বিদেশী বিদেশীয়েই। 'অনুসন্ধান' উপন্যাসত বৰ্ণিত অসম আন্দোলনৰ এনে চিত্ৰপট ঔপন্যাসিকে তুলি ধৰিছে—

> *'কিছুমানে ক'লে যে হিন্দুবোৰক খেদিব লাগে, কিছুমানে ক'লে যে মুচলমানবোৰকহে খেদিব লাগে আৰু কিছুমানে ক'লে যে হিন্দু-মুচলমান সকলো বিদেশী নাগৰিককেই খেদিব লাগে। অসম আন্দোলনৰ আদি পৰ্বত সকলোৰে মনত বিভিন্ন মিশ্ৰ অনুভূতিৰ উদ্দাম আলোড়ন। আশা, উদ্দীপনা, অনিশ্চয়তা, ভয়, ক্ৰোধ, ঘৃণা আৰু সন্দেহ। প্ৰতিটো অনুভূতিৰ তীব্ৰতা যেন বহুগুণে বাঢ়ি গৈছে।'* ২২

গতিকে দেখা যায় যে, শীলভদ্ৰৰ উপন্যাস সমগ্ৰত ৰাজনৈতিক দিশটোৰ বৰ্ণনা আৰু পৰ্যবেক্ষণ সম্পূৰ্ণৰূপে প্ৰতিফলিত হোৱা নাই যদিও কিয়দংশ অসম আৰু মধুপুৰকেন্দ্ৰিক বিভিন্ন সমস্যা উপস্থাপন কৰিবলৈ যাওঁতে ৰাজনৈতিক প্ৰতিফলন নঘটাকৈ থকা নাই। স্বৰাজ লাভৰ প্ৰথম ঢৌৱে মধুপুৰকেন্দ্ৰিক গ্ৰাম্য সমাজক গিলি পেলোৱা আৰু গ্ৰাম্য অঞ্চলসমূহত

অনুকূল প্ৰভাৱ পেলোৱা দৃষ্টিগোচৰ হয়। বিশেষকৈ গ্ৰাম্য সমাজৰ সামাজিক ব্যৱস্থাত জমিদাৰৰ প্ৰভাৱ, কৃষিকৰ্ম কৰা জনসাধাৰণৰ ওপৰত অতিৰিক্ত কৰৰ বোজা আদি প্ৰক্ৰিয়াৰ দ্বাৰা গ্ৰাম্য কৃষকবৰ্গক ইচ্ছামতে শোষণ কৰাৰ যি ধাৰা চলি আহিছিল, স্বৰাজ লাভৰ পাছত আইন কৰি তাৰ সকাহ দিছিল সচাঁ, কিন্তু আন কিছুমান নতুন সমস্যা আৰু ৰাজনীতি গঢ়ি উঠিছিল। সেইবোৰৰ ভিতৰত স্বাধীনতা সংগ্ৰাম, মহাত্মা গান্ধী আৰু সুভাষ চন্দ্ৰ বসুৰ আগমন, ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলন, কলিকতাৰ সাম্প্ৰদায়িক সংঘৰ্ষ, ৰাজনৈতিক অৰিয়া-অৰি, ভ্ৰষ্টাচাৰ আদিৰ প্ৰসংগ সন্নিৱিষ্ট হৈছে।

**শীলভদ্ৰৰ উপন্যাসত অৰ্থনৈতিক অৱস্থা ঃ**

ভাৰতীয় গ্ৰাম্য অৰ্থ ব্যৱস্থাৰ আধাৰ ভূমি কৃষি। কৃষি নিৰ্ভৰশীল ভাৰতবৰ্ষত কৃষকৰ ভূমিস্বত্বৰ অধিকাৰ নিজস্বভাৱে নথকাৰ ফলত যুগে যুগে শোষিত হৈ আহিছে। কাৰণ স্বৰাজ লাভৰ আগে-পিছে ভূমিস্বত্বৰ অধিকাৰী আছিল জমিদাৰ-জোতদাৰ আৰু ৰায়তসকল। ফলত কৃষক সকলে কপালৰ ঘাম মাটিত পেলাই উৎপন্ন কৰা ফচলৰ অধিকাংশ জমিদাৰ-জোতদাৰসকলোক কৰ হিচাপে দিব লাগিছিল। ফলত কৃষক শ্ৰমজীৱি সকলৰ অৱস্থা হৈ পৰিছিল অতি শোচনীয়। এই সম্পৰ্কত অমলেন্দু গুহই 'জমিদাৰকালীন গোৱালপাৰা জিলাৰ আৰ্থ সামাজিক অৱস্থা' গ্ৰন্থখনত উল্লেখ কৰিছে—

> *'যি সকলৰ মাটিও নাই, হাল গৰুও নাই, তেওঁলোকৰ অৱস্থা আছিল অতি শোচনীয়। এনে খেতিয়কে গিৰিহঁতৰ ঘৰত আধি-হালোৱা, বন্ধা নাইবা চাকৰ সোমাইছিল। এনেবোৰ হাল গৰুহীন শ্ৰমজীৱিৰ মাজত আধি হালোৱাৰ সংখ্যায়ে বেছি আছিল।'* [২৩]

আকৌ, শান্ত বৰ্মণে 'গোৱালপাৰাৰ জন ইতিহাস' গ্ৰন্থত উল্লেখ কৰিছে—

> *'গোৱালপাৰাৰ জমিদাৰ সকলে ৰায়তক শাসন কৰাৰ বাবে বিভিন্ন ধৰণে নিৰ্যাতন চলাইছিল, লাঠিৰ কোৰ প্ৰায়ে চলে। জমিদাৰী আমোলাসকল আত্যাচাৰী আছিল। ৰায়তে যদি সংশোধিত (বৰ্ধিত) খাজনা দিব নোখোজে তেতিয়া জমিদাৰী কৰ্মচাৰীসকলে নিজৰ হাতত আইন তুলি লয় আৰু*

*লাঠিৰে কোৰ শোধায়।'* [২৪]

শীলভদ্ৰৰ উপন্যাসৰ পটভূমি মধুপুৰ অঞ্চল। মধু পুৰ ভাৰতবৰ্ষৰে অংশ আৰু জমিদাৰ শাসিত অঞ্চল। মধুপুৰ অঞ্চলত কৃষক আৰু শ্ৰমজীৱি মানুহৰ যি অৰ্থনৈতিক অৱস্থা, তাৰ বাস্তৱ ৰূপ প্ৰতিফলিত নোহোৱাকৈ থকা নাই। কৃষকৰ হাতত ভূমি স্বত্বৰ অধিকাৰ নথকাৰ বাবে শোষিত, আনফালে স্বৰাজ লাভৰ প্ৰাক-মুহূৰ্তত মধুপুৰলৈ আগমন ঘটা চতুৰ ব্যৱসায়ী, হাজাৰ হাজাৰ ভগনীয়া আৰু নগৰকেন্দ্ৰিক সভ্যতাৰ আৰম্ভণিত থলুৱা কৃষক আৰু শ্ৰমজীৱি মানুহখিনিয়ে ফেৰ মাৰিব পৰা নাই। মধুপুৰ অঞ্চলত থলুৱা মানুহ বুলিলে প্ৰধানতঃ কোচ-ৰাজবংশী আৰু দেশী মুচলমান। এওঁলোকৰ জীৱন-জীৱিকাৰ মূল কৃষি। কৃষি নিৰ্ভৰশীল অৰ্থ ব্যৱস্থাত আকৌ ভূমিস্বত্ব জমিদাৰ, জোতদাৰ, ৰায়তসকলৰ হাতত থকা বাবে উৎপাদিত খেতিৰ এক-তৃতীয়াংশ তেওঁলোকৰ ৰাজভঁৰালত জমা দিব লাগিছিল। ফলত থুলৱা কৃষকসকল অৰ্থনৈতিকভাৱে পংগু হৈ পৰিছিল। ঔপন্যাসিকে 'আগমনীৰ ঘাট' উপন্যাসত উল্লেখ কৰিছে—

*'এই অঞ্চলৰ সৰহ সংখ্যক মানুহ হয় ৰাজবংশী সম্প্ৰদায়ৰ নহ'লে মুচলমান। ইহঁতৰ প্ৰায়বোৰৰে অৰ্থনৈতিক অৱস্থা দুখলগা বিধৰ।'* [২৫]

মধুপুৰৰ গ্ৰাম্য সমাজত কৃষক আৰু শ্ৰমজীৱি মানুহখিনি এমুঠি ভাতৰ বাবে চিন্তা কৰিব লগা হৈছিল। খাল-বিলত মাছ মাৰিছিল, হাবি-জংগলৰ পৰা কচু, ঢেকীয়া আদি আঞ্জা গোটাইছিল, কিন্তু চাউল এমুঠি আৰু তেল এটুপি নথকাৰ বাবে হাহাকাৰ কৰি উঠিছিল। ফলত মধুপুৰকেন্দ্ৰিক গ্ৰাম্য সমাজত এক 'ধাৰ কৰা প্ৰথা' গঢ় লৈ উঠিছিল। তাৰ বাস্তৱ চিত্ৰ প্ৰতিফলিত হৈ উঠিছে 'অবিচ্ছিন্ন' উপন্যাসত—

*"হে মাও, একছিটা তেল দেন। মোনা মাছ একটা আন্‌ছে।*
*তেল লৈ ৰৈ থাকে।*
*'আৰু কি লাগে?'*
*'হে মাও, একটালা চাউলো নাদেন কেনে?*
*ঘৰত একখুদ চাউল নাই। মাছ খায় কি দিয়া।"* [২৬]

আকৌ 'আগমনীৰ ঘাট' উপন্যাসত উল্লেখ কৰিছে—

*"লোকৰ খেতিৰ কাম কৰোঁ। কেতিয়াবা কাম থাকে,*

*কেতিয়াবা নাথাকে।*

*'কাম নাথাকিলে কেনেকৈ চলা?'*

*মাই ভিক্ষা কৰি অলপ চাউল আনে। আমিও শাক-পাত যি পাও বিচাৰি-খোচাৰি আনো। খালে-ডোঙে চেং গৰৈ মাছ দুই এটা পালে তো মহা ভোজ।'*

*'মাছ কেনেকৈ খোৱা? তেল-চেল ক'ত পোৱা?'*

*'তেল?'*

*কেতু হাঁহিয়েই অস্থিৰ।*

*'ভাত নাই পেটত দিবলৈ, তাতে আৰু তেল।*

*'তেনেহ'লে।'*

*'পুৰি খাও। আৰু কি?"[২৭]*

কৃষক আৰু শ্ৰমজীৱি মানুহখিনিৰ অৰ্থনৈতিক অৱস্থা মানে জীৱন সংগ্ৰাম, দৰিদ্ৰতাৰ সংগ্ৰাম। স্বৰাজ লাভৰ পাছত চৰকাৰী ভূমিনীতিয়ে কৃষক সমাজলৈ আংশিক পৰিৱৰ্তন আনিছে। অৰ্থনৈতিক অৱস্থাৰ কিছু সলনি হৈছে, ফলত কৃষক সকলেও জমিদাৰ সকলক ক'বলৈ কুণ্ঠাবোধ নকৰা হৈছে—

*'আমাক শোষণ কৰিয়েই আপোনালোক শকত হৈছে।' [২৮]*

ইয়াত স্পষ্ট যে স্বৰাজ লাভে এটা যুগৰ সমাপ্তি ঘটাইছে আৰু আন এটা যুগৰ সূচনা কৰিছে। এই দোমোজাত মধুপুৰৰ আৰ্থিক অৱস্থাৰ পৰিৱৰ্তনৰ চিত্ৰ শীলভদ্ৰৰ উপন্যাসত মূৰ্ত হৈ উঠিছে।

স্বৰাজ লাভে জমিদাৰী শাসন ব্যৱস্থাৰ অৱলুপ্তি ঘটোৱাৰ লগে লগে মধুপুৰলৈ দ্ৰুত পৰিৱৰ্তন আহিল। সাধাৰণ মানুহে আত্মপ্ৰত্যয়ৰ সন্তোষ্টি লাভ কৰিলে। জমিদাৰ বা উচ্চশ্ৰেণীৰ মানুহৰ নিৰ্দেশত চলিবলৈ সাধাৰণ মানুহ অমান্তি হ'ল। সাধাৰণ মানুহে কামৰ বাবে বলিয়া হৈ পৰিল। কাম লাগে আৰু কাম। কাম কৰিলে, অৰ্থনৈতিক উন্নতি সাধিলে, ভগীৰথৰ দৰে সাধাৰণ মানুহ কামৰ নিচাত মাতাল, পইচা ঘটাত মাতাল, দিন হাজিৰা কৰি খেতিৰ মাটি কিনিলে, ল'ৰা-ছোৱালীক উচ্চ শিক্ষিত কৰিলে। নিম্ন মধ্যবিত্ত শ্ৰেণীটোৰ একাংশই দোপত-

দোপে উন্নতি কৰিব ধৰিলে আৰু আন একাংশই সামন্ততান্ত্ৰিক ব্যৱস্থাৰ স'তে জড়িত হৈ থকাৰ বাবে নতুন অৰ্থনীতিৰ জীৱন-ধাৰাৰ লগত খোজ মিলাই চলিব নোৱাৰা হ'ল। ৰাজনৈতিক আৰু শৈক্ষিক-সামাজিক পৰিৱৰ্তন, ব্যৱসায়-বাণিজ্য, উদ্দ্যোগ-প্ৰতিষ্ঠান, সুচল যাতায়ত ব্যৱস্থা আৰু নগৰকেন্দ্ৰিক সভ্যতাৰ ফলত বিভিন্ন মানুহৰ মধুপুৰলৈ আগমনে অৰ্থনীতিৰ পৰিৱৰ্তন কৰিলে। থলুৱা মানুহবোৰ নতুন অৰ্থনীতিৰ ঢৌত তিষ্ঠি থাকিব নোৱাৰা হ'ল, কাৰণ তেওঁলোকৰ শেষ সম্বল মাটিখিনিও বিক্ৰি কৰি স্থানচ্যুত হৈ পৰিছে। ঔপন্যাসিকে 'আহঁতগুৰি' উপন্যাসত এই সম্পৰ্কত উল্লেখ কৰিছে—

> *'পেৰপেৰীয়া গাঁৱৰ খিলঞ্জীয়া মানুহখিনি স্থানচ্যুত হৈ কোনে ক'ত গৈছে বিচাৰি উলিওৱা টান। দোষ সিহঁতৰ নে সিহঁতৰ অক্ষমতাৰ নে সিহঁতৰ অদূৰদৰ্শিতাৰ এইটোৰ বিচাৰ কৰাও টান। পিছে কথাষাৰ ঠিক যে বাহিৰৰপৰা অহা অধিকতৰ কৰ্মক্ষম আৰু বুদ্ধিমান মানুহৰ লগত প্ৰতিযোগিতাত সিহঁতে হাৰি গৈছে, পশ্চাদপসৰণ কৰিবলৈ বাধ্য হৈছে।'* [২৯]

আকৌ—

> *'প্ৰথম অৱস্থাত টকা ঘটিবৰ কাৰণে মানুহ আহিছিল আহঁতগুৰিলৈ। সংশয়াচ্ছন্ন বৰ্তমান, অনিশ্চিত ভৱিষ্যত। জীৱনত বহুতো প্ৰচেষ্টাত ব্যৰ্থ হৈছে, অনেক সম্ভাৱনাৰ মৃত্যু দেখিছে। জীৱনৰ তলনিত শেষ বিন্দু যিখিনি আশা অৱিশিষ্ট আছিল সেইখিনিকেই মূলধন কৰি মানুহ আহিছে এই আহঁতগুৰিলৈ। এই শেষ চেষ্টা, জুৱাখেলৰ শেষ চাল। এইবাৰ খেলত হাৰিলে দেউলীয়া হ'ব লাগিব। টকা-পইচা কাৰো তেনেকুৱা নাছিল। কিন্তু এইবাৰ ব্যৰ্থ হ'লে নতুনকৈ আশা কৰাৰ শক্তিখিনিও হেৰাই যাব। আশাৰ বিন্দুটোৰেই এই জুৱাৰ শেষ চাল।'* [৩০]

মধুপুৰৰ গ্ৰাম্যাঞ্চললৈ অৰ্থনৈতিক পৰিৱৰ্তন আহিল সচাঁ, কিন্তু একাংশ প্ৰব্ৰজনকাৰী বনিক গোষ্ঠীয়ে গ্ৰাম্য সহজ-সৰল মানুহখিনিক বিভিন্ন প্ৰলোভন দি কৃষি দ্ৰব্য কম মূল্যত ক্ৰয় কৰিয়ে থাকিল, দিনক দিনে গাঁৱলীয়া মানুহখিনিৰ অৱস্থা শোচনীয় হৈ পৰিল, ফলত শেষ সম্বল

হিচাপে মাটিখিনি বিক্ৰী কৰি স্থানচ্যুত হৈ পৰিল। ইয়াৰ প্ৰধান কাৰণ তিনিটা—

ক) বণিক গোষ্ঠীৰ মূল উদ্দেশ্য আছিল উৎপাদিত সামগ্ৰী কম মূল্যত ক্ৰয় কৰা আৰু সুদত টকা দি শেষত সম্পত্তি ক্ৰোক কৰা।

খ) প্ৰব্ৰজনকাৰী সকল আছিল কঠোৰ পৰিশ্ৰমী। তেওঁলোক স্থায়ীভাৱে বসতি স্থাপন আৰু জীয়াই থকাই আছিল উদ্দেশ্য।

গ) থলুৱা মানুহখিনি কৰ্ম বিমুখ। সঞ্চয় আৰু ভৱিষ্যত সম্পৰ্কে দুৰদৰ্শিতাৰ অভাৱ। কাৰণ পুঁজিবাদী-উপনিৱেশবাদী অৰ্থনীতি বিকাশৰ বা-বতাহ আৰু উন্নয়নমুখী অৰ্থনীতিৰ লগত ফেৰ মাৰিব পৰা নাই।

জমিদাৰী শাসন, ব্ৰিটিছ শাসন আৰু স্বৰাজ লাভ, এই তিনকোণীয়া শাসন ব্যৱস্থাই মধুপুৰৰ গ্ৰাম্য জীৱনলৈ পৰিৱৰ্তন আনিছে যদিও মধুপুৰৰ গ্ৰাম্য জীৱন পৰম্পৰাগত ভাৱধাৰাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। পৰম্পৰাক বাদ দি নগৰকেন্দ্ৰিক সভ্যতাৰ স'তে খোজ মিলাই চলিব নোৱাৰাৰ বাবে মধুপুৰ অঞ্চল অসমৰ এক পিছ পৰা অঞ্চল হিচাপে চিহ্নিত হৈ আহিছে। নগৰীয়া সভ্যতাই পাৰিবাৰিক অৱক্ষয়, নৈতিক পতন, ভ্ৰষ্টাচাৰ, দ্ৰৰিদ্ৰতা, ৰাজনৈতিক কু-চক্ৰান্ত আদিয়ে মধুপুৰৰ গ্ৰাম্য জীৱনক ভাঙোনমুখী কৰিছে। আনফালে পৰম্পৰাগত ভাবধাৰাৰে গঢ় লৈ উঠিছে সংস্কৃতি আৰু ধাৰ্মিক আচাৰ, লোক-বিশ্বাস, লোকাচাৰ, জীৱন পদ্ধতি অৱলম্বন কৰা বিশেষ অঞ্চল মধুপুৰৰ প্ৰেক্ষাপটত গ্ৰাম্য জীৱনৰ জীৱন্ত ৰূপ শীলভদ্ৰই আঞ্চলিকতাৰ ভিত্তিত মধুপুৰকেন্দ্ৰিক গ্ৰাম্য জীৱনৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, ধাৰ্মিক, আটাইবোৰ দিশৰ নিৰ্মোহ বিশ্লেষণ কৰিছে।

### পশ্চিম অসমৰ ভৌগোলিক অৱস্থিতি ঃ

কোনো এক বিশেষ অঞ্চলৰ ভৌগোলিক অৱস্থিতি নিৰ্ণয়ৰ চাবি-কাঠি হ'ল তাৰ ইতিহাস, ঐতিহ্য, পুৰাকথা, কিম্বদন্তি, লোকগাঁথা আদি। কিন্তু ইতিহাসৰ বিৱৰ্তনত কোনো অঞ্চল বিশেষৰ পৰিৱৰ্তিত ৰূপ লক্ষণীয়। ইয়াৰ মূল কাৰণ হ'ল ৰাজনীতি। ৰাজনীতিৰ উত্থান-পতনে কোনো অঞ্চল বিশেষৰ অৱস্থিতি সলনি কৰিব পাৰে। তেনে এক বিশেষ অঞ্চল হ'ল পশ্চিম অসম। ইয়াত পশ্চিম অসম মানে অবিভক্ত গোৱালপাৰা জিলাক বুজোৱা হৈছে।

গোৱালপাৰা জিলা কোচবিহাৰ ৰাজ্যৰ ৰংপুৰ জিলাৰ অন্তৰ্গত আছিল। ১৮৭৪ চনত অসমৰ অৰ্ন্তভুক্ত হৈ বৰ্তমান অসমৰ ছখন জিলাত বিভক্ত হৈ আছে।

অবিভক্ত গোৱালপাৰা জিলা অসমৰ পশ্চিম সীমান্তত অৱস্থিত। ইয়াৰ উত্তৰে বহিঃৰাষ্ট্ৰ ভূটান, দক্ষিণে গাৰো পাহাৰ, পূৱে অবিভক্ত কামৰূপ আৰু পশ্চিমে পশ্চিমবংগ আৰু বহিঃৰাষ্ট্ৰ বাংলাদেশ। জিলাখনৰ উত্তৰ অক্ষৰেখা ২৫° - ২৮° আৰু ২৬ ° - ৫৪° আৰু পূৱ দ্ৰাঘিমাৰেখা ৮৯° - ৪২° আৰু ৯০° - ০৬° মাজত পৰে। জিলাখনৰ ক্ষেত্ৰ হ'ল ১০৩০৬ বৰ্গ কিলোমিটাৰ বা৩৯৭৯ বৰ্গ মাইল। অবিভক্ত গোৱালপাৰা জিলাখন ১৯৮৩ চনৰ ১ জুলাই তাৰিখে অসম চৰকাৰৰ প্ৰশাসনিক সুবিধাৰ্থে ধুবুৰী, কোকৰাঝাৰ আৰু গোৱালপাৰা জিলাত বিভক্ত কৰে। আকৌ গোৱালপাৰা জিলাৰ মহকুমা উত্তৰ শালমাৰা আৰু কোকৰাঝাৰ জিলাৰ কিছু অংশ কাটি লৈ ১৯৮৯ চনৰ ১৫ আগষ্ট তাৰিখে বঙ্গাইগাঁও জিলা গঠন কৰে। ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে বি,টি,চি চুক্তি অনুযায়ী পূৰ্বৰ বঙ্গাইগাঁও আৰু কোকৰাঝাৰ জিলাৰ কিছু অংশ কাটি লৈ চিৰাং নামে জিলা গঠন কৰা হয়। আকৌ ২০১৬ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখে ধুবুৰীৰ কিছু অংশ কাটি দক্ষিণ শালমাৰা মানকাচাৰ জিলা গঠন কৰে। গতিকে পূৰ্বৰ অবিভক্ত গোৱালপাৰা জিলা বুলি ক'লে বৰ্তমান গোৱালপাৰা, কোকৰাঝাৰ, চিৰাং, বঙ্গাইগাওঁ, দক্ষিণ শালামাৰা মানকাচাৰ আৰু ধুবুৰী জিলাত বিভক্ত।

'গোৱালপাৰা' নামৰ উৎপত্তি সম্পৰ্কে ধীৰেন দাসে 'গোৱালপৰীয়া লোক-সংস্কৃতি আৰু লোকগীত' গ্ৰন্থৰ আগকথাত উল্লেখ কৰিছে—

> *'১৮৮২ চনত গোৱালপাৰাৰ পৰা প্ৰকাশিত 'উত্তৰণ' স্মৃতি গ্ৰন্থত শ্ৰদ্ধেয় তাৰণী কান্ত শৰ্মাই দুটি মত প্ৰকাশ কৰিছেঃ ১) ঈশ্বৰ ঘোষৰ শাসন কালত তেওঁ গোৱালি-টিপ্পিকা অঞ্চলত এজন ব্ৰাহ্মণক এডোখৰ মাটি দান কৰিছিল। সেই গোৱালি-টিপ্পিকা নামৰ পৰাই পৰৱৰ্তি কালত গোৱালপাৰা নাম হয়। ২) মিৰ্জা নাথানৰ 'বাহাৰিস্তান-ই-গায়বী'ত ঘালৱাপাৰা বা গোৱালপাৰা খুটাঘাটৰ ওচৰৰ এটি চুবুৰী আছিল। এই ঘালৱাপাৰাৰ পৰাই পৰৱৰ্তি কালত গোৱালপাৰা হয়।'* [৩১]

শান্ত বৰ্মণে গোৱালপাৰা নামৰ উৎপত্তি সম্পৰ্কে উল্লেখ কৰিছে—

*'গোৱালিটিপ্পিকাৰ ভাষান্তৰ গোৱালগাঁও বা গোৱালসকলে বাস কৰা গাঁও।*

*কালক্ৰমত তাৰপৰাই জিলাখনৰ নাম গোৱালপাৰা হ'ল।'* ৩২

আকৌ সুৰেন্দ্ৰমোহন দাসৰ মতে গোৱালটুলিৰ পৰা গোৱালপাৰা নামৰ উৎপত্তি। গোৱালপাৰা চহৰৰ উত্তৰ-পূৱ দিশত গোৱালটুলি নামে এটি চুবুৰী বৰ্তমানেও আছে। এই অঞ্চলৰ অধিকাংশ মানুহ গাখীৰ ব্যৱসায়ৰ স'তে জড়িত আছিল বাবে সিহঁতক গোৱাল বা ঘোষ বুলি কোৱা হয়। সিহঁত বসতি কৰা অঞ্চলটোক 'পাৰা' বুলি কোৱা হয়। 'পাৰা' শব্দৰ আভিধানিক অৰ্থ হ'ল 'চুবুৰী' অৰ্থাৎ গাঁৱৰ এক অংশ (a part of a village) অৰ্থাৎ চুক বা চুবুৰী বা কোনো এক ক্ষুদ্ৰ অঞ্চলত বসতি কৰা গোৱাল বা গুৱালসকলৰ স'তে 'পাৰা' শব্দটো যুক্ত হৈ গোৱালপাৰাৰ উৎপত্তি হোৱা বুলি অনুমান কৰিব পৰা যায়।

১৭৯৩ চনৰ চিৰস্থায়ী বন্দোৱস্তী মৰ্মে অবিভক্ত গোৱালপাৰা জিলা ১৭ খন পৰগণা আৰু পুৱ দুৱাৰৰ অস্থায়ী ৫খন পৰগণাৰ উপৰিও ৪০টা সৰু সৰু লা-খেৰাজ (নিস্কৰ) সম্পত্তি আছিল। এই এলেকা সমূহ বিজনী ৰজাৰ অধীনস্থ আছিল যদিও প্ৰতিটো পৰগণাৰ এজনকৈ জমিদাৰ আছিল। ঘুৰলা পৰগণাৰ জমিদাৰ আছিল প্ৰতাপ চন্দ্ৰ বৰুৱা। তেওঁৱে ১৮৫০ চনত গৌৰীপুৰ চহৰ প্ৰতিষ্ঠা কৰে। তেতিয়াৰ পৰা এই জমিদাৰী চহৰ গৌৰীপুৰ নামেৰে জনাজাত হয়।

অবিভক্ত গোৱালপাৰা জিলাৰ একেবাৰে পশ্চিম সীমান্তত অৱস্থিত ধুবুৰী জিলা। ধুবুৰী জিলা বৰ্তমান চাপৰ, শালকোচা, বিলাসীপাৰা, বগৰীবাৰী, পানবাৰী (ৰঙামাটি), আলমগঞ্জ; গৌৰীপুৰ, গোলকগঞ্জ, আগমনী আদি অঞ্চলৰে গঠিত। গৌৰীপুৰ চহৰ ধুবুৰী জিলাৰ অন্তৰ্গত । গৌৰীপুৰ ৰাজ জমিদাৰী জিলাখন সাতটা পৰগণাত বিভক্ত। পৰগণাকেইখন হ'ল ক্ৰমে ঘূল্লা পৰগণা, জমিৰা পৰগণা, মাক্ৰামপুৰ পৰগণা, গোলা-আলমগঞ্জ পৰগণা, নোৱাবাদ ফুটুৰী পৰগণা, কালুমালুপাৰা পৰগণা আৰু ঔৰংগবাদ পৰগণা। তদুপৰি বিজনী ৰাজ জমিদাৰৰ খুটাঘাট পৰগণাৰ অন্তৰ্গত সৃজনগ্ৰাম আৰু আদাৰদিয়া অঞ্চল গৌৰীপুৰ ৰাজ জমিদাৰৰ অন্তৰ্ভূক্ত আছিল আৰু ইয়াৰ সমূদায় আয়তন আছিল ৩৫৫ বৰ্গ মাইল। ঔপন্যাসিক শীলভদ্ৰই গৌৰীপুৰৰ আয়তন সম্পৰ্কে উল্লেখ কৰিছে—

*'পৃথিৱীৰ উপৰিভাগৰ আয়তন চমুকৈ বিশ কৌটি বৰ্গ মাইল। মধুপুৰৰ*

*আয়তন হ'ল ৭.২ বৰ্গ মাইল।'* ৩৩

১৮৫৬ চনত ৰজা প্ৰতাপ চন্দ্ৰ বৰুৱাই ৰঙামাটিৰ পৰা গৌৰীপুৰলৈ ৰাজধানী তুলি আনে। গৌৰীপুৰত ৰাজধানী স্থাপন কৰাৰ পাছত গৌৰীপুৰ ঐতিহাসিক, শৈক্ষিক আৰু সাংস্কৃতিকভাৱে চহকী কৰি তুলিবৰ বাবে শিক্ষানুষ্ঠান, সংগীতানুষ্ঠান, চিকিৎসালয় আদি গঢ়ি তোলে। তাৰে এক ভৌগোলিক অৱস্থান তথা বিৱৰণ শীলভদ্ৰই 'মধুপুৰ' উপন্যাসত উল্লেখ কৰিছে—

*'মধুপুৰৰ কেন্দ্ৰত থাকিব জমিদাৰৰ বাসভৱন। ধুনীয়া ৰাজপ্ৰসাদৰ নিচিনা। দক্ষিণে স্কুল ঘৰ, দাতব্য চিকিৎসালয়। যুগ যুগ ধৰি থাকি যাব। বৰ্তমান গৌৰৱোজ্জল ৰূপৰ কাছাৰী, তোযাখানা অৰ্থাৎ ধনভঁৰাল। পিচফালে কৰ্মচাৰীসকলৰ বাসস্থান।'* ৩৪

**লোক-সংস্কৃতি ঃ**

কোনো এক বিশেষ অঞ্চল বা কোনো এক বিশেষ সমাজৰ ধাৰক-বাহক হ'ল সংস্কৃতি। সংস্কৃতিয়ে নিৰ্ণয় কৰে সেই অঞ্চল বা সমাজৰ জীৱনশৈলী। য'ত লুকাই থাকে জাতীয় সত্তা, জাতি বা গোষ্ঠী চেতনা, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি আৰু সাংস্কৃতিক পৰিকাঠামোৰ মাজেৰে নিৰ্গত হয় ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, শাসন ব্যৱস্থা, বিশ্বাস-অবিশ্বাস, সংস্কাৰ- কু-সংস্কাৰ, উৎসৱ-পাৰ্বন আদি প্ৰয়োগৰ দ্বাৰা উদ্ভাসিত হয় পৰিচয়, সেই পৰিচয়ে হ'ল কোনো এক বিশেষ অঞ্চল বা সমাজ বা গোষ্ঠী জীৱনৰ সংস্কৃতি। যেনে— অসমীয়া সংস্কৃতি, কামৰূপীয়া সংস্কৃতি, বড়ো সংস্কৃতি, ৰাভা সংস্কৃতি, ৰাজবংশী সংস্কৃতি আদি। এককথাত, আদিম মানৱ সমাজ যেতিয়া যাযাবৰী জীৱন পৰিহাৰ কৰি স্থায়ীভাৱে সমাজ পাতি বসতি স্থাপন কৰে, তেতিয়া সিহঁতৰ জীৱন-যাপনৰ সামগ্ৰিক পদ্ধতিৰ পৰাই সংস্কৃতিৰ উদ্ভৱ। গতিকে জীৱন আৰু সমাজৰ লগত সংস্কৃতিৰ ওতঃপ্ৰোতঃ সম্পৰ্ক। সমাজ জীৱনৰ পৰা সংস্কৃতি কৰ্ষণ প্ৰক্ৰিয়াই হ'ল লোক-সংস্কৃতি।

'লোক-সংস্কৃতি'ৰ পৰিভাষিক ইংৰাজী শব্দ 'Folk Culture'যদিও 'Folk lore' শব্দটো বহল প্ৰচলিত আৰু সৰ্বজন স্বীকৃত। কিন্তু 'Folk' আৰু 'Lore' শব্দ দুটা অৰ্থগত

দিশৰ পৰা ভিন্ন। ‘Folk’ মানে ‘জন বা লোক’ অৰ্থত ব্যৱহৃত আৰু ‘Lore’ মানে ‘জ্ঞান বা বিদ্যা’ অৰ্থত ব্যৱহৃত হৈ আহিছে। ‘Folk’ মানে এজন বা দুজন মানুহক নবুজায়, এদল বা কোনো ফৈদ বা গোট বা সমষ্টি আদিক বুজায়। এককথাত কোনো এক ভৌগোলিক পৰিৱেষ্টনীৰ মাজত গোষ্ঠীৱদ্ধভাৱে বসবাস কৰা মানুহক ‘জন’ বা ‘লোক’ ক বুজায়। অৰ্থাৎ যি জনসমষ্টিয়ে দৈনন্দিন সমাজ জীৱন পদ্ধতিত বিশ্বাস, সংস্কাৰ, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ অনুষ্ঠান, সাজ-পাৰ আদিৰ ঐক্যতা বিৰাজমান, তাকে ‘জন’ বা ‘লোক’ বুলিব পাৰি। আকৌ ‘Lore’ শব্দটো ইংৰাজী ভাষাত ‘Lare’ জাৰ্মান ভাষাত ‘Lehre’ ডাচ ভাষাত ‘Leer’ যাৰ আভিধানিক অৰ্থ ‘জ্ঞান’। সেয়ে ‘Lore’ শব্দৰ অৰ্থ ‘জ্ঞান’। অৰ্থাৎ জ্ঞান আহৰণ প্ৰক্ৰিয়াই হ’ল ‘Lore’। সময় বিৱৰ্তনৰ লগে লগে ‘lore’ শব্দৰ অৰ্থগত পৰিৱৰ্তন মনকৰিবলগীয়া। লোক-সংস্কৃতিবিদ সকলে সময়ে সময়ে গৱেষণা কৰি ‘লোক-সংস্কৃতি’ৰ পাৰিভাষিক শব্দ হিচাপে ‘Folk lore’ শব্দটোকে গ্ৰহণ কৰিছে। ভাৰতবৰ্ষত ‘Folk lore’ শব্দটোৰ প্ৰতিশব্দ হিচাপে লোক-সংস্কৃতি, জনকৃষ্টি, লোক-কৃষ্টি, লোকমনন, লোকচৰ্চা নাম আদি বহলভাৱে প্ৰচলিত। গতিকে ‘Folk lore’ শব্দটোৰ অৰ্থগত আৰু গঠনাত্মক দৃষ্টিকোণৰ পৰা এইটো স্পষ্ট যে, ‘Folk lore’ মানে হ’ল —

A body of Knowledge.

A mode of thought.

A kind of Art.

অৰ্থাৎ জ্ঞান, চিন্তা আৰু শিল্প এই তিনিওটা দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰি যেতিয়া লোক সমাজ পৰিচালিত হয়, তেতিয়া সিয়ে হৈ পৰে লোক-সংস্কৃতি। এককথাত লোকৰ মাজত প্ৰচলিত যি দৈনন্দিন ৰীতি-নীতি, সিয়ে লোক-সংস্কৃতি। লোক-সংস্কৃতি সম্পৰ্কে নবীন চন্দ্ৰ শৰ্মাই উল্লেখ কৰা মন্তব্য ফাঁকি সমৰ্থনযোগ্য। তেখেতৰ মতে—

*‘অতিকথা, লেজেণ্ড, সাধুকথা, টেটুকথা, লোকোক্তি-প্ৰবচন-যোজনা (যোজোনা) প্ৰবাদ, সাঁথৰ-দিষ্টান, আবৃত্তি, মন্ত্ৰ, অভিশাপ-গালি, শপত, অপমান, অমৰ্য্যাদা, প্ৰতিশোধ, উপহাস, উত্ত্যক্তকৰণ (teases) সম্বৰ্দ্ধনা, পোছাক-পৰিচ্ছদ, বেশ-ভূষা, অয়-অলংকাৰ, লোকনৃত্য,*

*লোকনাটক, লোককলা, লোকবিশ্বাস, অন্ধবিশ্বাস, লোক ঔষধ-পাতি, লোক-সংগীতৰ লগত জৰিত বাদ্য-যন্ত্ৰ, লোকভাষা, লোকউপমা-ৰূপক, নাম (উপনাম, স্থাননাম) লোককবিতা ৰাজহুৱা ঘৰৰ বেৰ ৰাজহুৱা পায়খানা-স্নানগাৰ আদিৰ বেৰ-লেখা, পঞ্চপদী-অৰ্থহীন কবিতা (limericks) অংগী-ভংগী, নিচুকনিগীত, মুদ্ৰা, প্ৰাৰ্থনা, লোক-ব্যুৎপত্তি, খাদ্য-ৰন্ধন প্ৰণালী, গৃহ-বাৰী-বেৰ, হেঙাৰ-দুৱাৰ-খিৰিকি আদিৰ নিৰ্মাণ প্ৰণালী, হামি-হাঁচি আদিৰ ওপৰত কৰা পৰম্পৰাগত মন্তব্য, উৎসৱ-অনুষ্ঠান, লোকধৰ্ম, ব্ৰত-উপবাস, দৃশ্য-শ্ৰব্য, কলা-ৰীতি আদি লোকবিদ্যাৰ ভিতৰত সামৰিব পাৰি।'*[৩৫]

উক্ত মন্তব্যৰ পৰা এটা সিদ্ধান্ত লৈ আহিব পৰা যায় যে— জীৱনযাত্ৰাৰ নিয়ম পদ্ধতি, জীৱনযাপনৰ যাবতীয় বস্তু তথা উপকৰণ আৰু মানৱ সৃষ্ট সাহিত্য, বিজ্ঞান, সংগীত, স্থাপত্য-ভাস্কৰ্য, চিত্ৰ আদিয়ে হ'ল লোক-সংস্কৃতি। ইয়াৰ পৰা এইটো স্পষ্ট যে, জন্মৰ পৰা মৃত্যু পৰ্য্যন্ত মানুহৰ বিচিত্ৰ জীৱনৰ সামগ্ৰীক প্ৰতিফলন ঘটে লোক-সংস্কৃতিত।

**পশ্চিম অসমৰ লোক-সংস্কৃতি ঃ**

পশ্চিম অসম বুলি ক'লৈ প্ৰধানতঃ নামনি অসমক সুচায়। অৰ্থাৎ অভিবক্ত কামৰূপ জিলা আৰু অবিভক্ত গোৱালপাৰা জিলা হৈছে পশ্চিম অসম। কিন্তু আমাৰ গৱেষণাৰ বিষয়বস্তু আৰু পৰিসৰলৈ লক্ষ্য ৰাখি ইয়াত অবিভক্ত গোৱালপাৰা জিলাক পশ্চিম অসম বুলি অভিহিত কৰা হৈছে। কাৰণ অবিভক্ত গোৱালপাৰা জিলা অসমৰ একেবাৰে পশ্চিম প্ৰান্তত অৱস্থিত। অবিভক্ত গোৱালপাৰা জিলা অসমৰ অন্তৰ্ভুক্ত যদিও অসমৰ লোক-সংস্কৃতিৰ স'তে সম্পূৰ্ণ পৃথক। ইয়াৰ মূল কাৰণ হ'ল অবিভক্ত গোৱালপাৰা জিলাৰ ঐতিহাসিক পৰিচয় আৰু ৰাজনৈতিক পট পৰিৱৰ্তন। ঐতিহাসিকভাৱে গোৱালপাৰা, কোচবিহাৰ আৰু জলপাইগুৰি জিলা আছিল ৰত্নপীঠৰ অন্তৰ্ভুক্ত। ৰাজনৈতিক মেৰপেচত ঐতিহাসিক ৰত্নপীঠ খণ্ড-বিখণ্ড হৈ গোৱালপাৰা জিলা অসমৰ অন্তৰ্ভুক্ত হয়। গোৱালপাৰা জিলা অসমৰ অন্তৰ্ভুক্ত হোৱাৰ পাছতো অসমৰ ভাষা-সংস্কৃতি সম্পূৰ্ণ ৰূপে গ্ৰহণ কৰিব পৰা নাছিল। ফলত

গোৱালপাৰা জিলাৰ ভাষা-সংস্কৃতিয়ে নিজস্ব সত্তাৰে সুকীয়া পৰিচয় বহন কৰি আহিছে। যাৰ নামকৰণ কৰা হৈছে গোৱালপৰীয়া ভাষা আৰু সংস্কৃতি। গোৱালপৰীয়া ভাষা আৰু সংস্কৃতি নামকৰণ কিমান যুক্তি সংগত ই এক বিচাৰ্য বিষয়। কাৰণ অবিভক্ত গোৱালপাৰা জিলাত এটা বা দুটা জাতি-জনগোষ্ঠীৰ বসতি স্থান নহয়। অবিভক্ত গোৱালপাৰা জিলাত প্ৰধানতঃ দেশী মুছলমান আৰু কোচ-ৰাজবংশী অধ্যুষিত অঞ্চল যদিও বড়ো, ৰাভা, গাৰো, চাওঁতাল, উৰাও, হাজং আদি জনগোষ্ঠীৰ উপৰিও ব্ৰাহ্মণ, কলিতা, শিখ, খৃষ্টান, বিহাৰী, মাৰোৱাৰী আদি জাতি উপ-জাতিয়ে বসতি কৰি আহিছে। সেয়ে অবিভক্ত গোৱালপাৰা জিলা বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতি প্ৰধান অঞ্চল। উক্ত জাতি-জনগোষ্ঠীৰ সমন্বয়ত গঢ়ি উঠা সংস্কৃতি সম্পৰ্কত পৃথ্বীশ নাৰায়ণ গোস্বামীয়ে উল্লেখ কৰিছে—

> *'অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত মনোৰম প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ গোৱালপাৰা জিলাখন বিভিন্ন জনগোষ্ঠীৰ আৱাসভূমি। বৈচিত্ৰ্যৰ মাজত ঐক্যৰ যোগসূত্ৰ স্থাপন কৰিছে জিলাখনত যুগ যুগ ধৰি বসবাস কৰা বড়ো, ৰাভা, কোচ-ৰাজবংশী, ক্ষত্ৰিয়, চাওঁতাল, উৰাও, ব্ৰাহ্মণ, কলিতা, মুছলমান, শিখ, খৃষ্টান আদি জনগোষ্ঠীয়ে। থলুৱা জনগোষ্ঠীৰ জন-সংস্কৃতিৰ সংমিশ্ৰণত গঢ়ি উঠিছে সমন্বয়ৰ সংস্কৃতি।'* [৩৬]

অৰ্থাৎ অবিভক্ত গোৱালপাৰা জিলাত বসতি কৰা মানৱ সমাজৰ পৰম্পৰাগত ঐতিহ্যক গোৱালপৰীয়া সংস্কৃতি বুলি কোৱা হৈছে। কিন্তু ঊনৈশ শতিকাৰ শেষ ভাগত অবিভক্ত গোৱালপাৰা জিলাত বসতি কৰা প্ৰতিটো জাতি-জনগোষ্ঠীয়ে নিজস্ব স্বকীয় পৰিচয়ৰে ভাষা-সংস্কৃতিৰ পৰিচয় দি আহিছে। যেনে— বড়োসকলৰ বৰো সংস্কৃতি, ৰাভাসকলৰ ৰাভা সংস্কৃতি। বৰ্তমান গোৱালপৰীয়া সংস্কৃতি বুলি যিবোৰ কলা-কৃষ্টিক বুজোৱা হয়, সেই কলা-কৃষ্টিৰ অধিকাংশ কোচ-ৰাজবংশী জনগোষ্ঠীৰ। এইক্ষেত্ৰত ভৱেশ দাসে উল্লেখ কৰা মতটো সমৰ্থনযোগ্য। তেখেতৰ মতে—

> *'এই অঞ্চলৰ থলুৱা জনগোষ্ঠী 'ৰাজবংশী সম্প্ৰদায়' টোৱেই অঞ্চলটোৰ লোক-সংস্কৃতিলৈ অধিক অৱদান আগবঢ়াইছে।'* [৩৭]

সেয়ে অবিভক্ত গোৱালপাৰা জিলাৰ ভাষা-সংস্কৃতিক গোৱালপৰীয়া নামকৰণৰ কোনো

অৰ্থ নাই। এনে দৃষ্টিকোণৰ পৰা অবিভক্ত গোৱালপাৰা জিলাৰ মানৰ সমাজৰ পৰম্পৰাগত ঐতিহ্যই হ'ল পশ্চিম অসমৰ লোক-সংস্কৃতি। পশ্চিম অসমত প্ৰচলিত পদ্মপুৰাণ, বাঁশী পুৰাণ, মাৰৈ পূজা, বাঁশ পূজা, মাহুত বন্ধুৰ গান, কুশানগান, খাৰাতাল, অ'ৰি মাগা, সোণাৰায় পূজা, মাশান পূজা, দেহতত্বমূলক গান, চড়ক পূজা, হুদুম পূজা, কাতিকা পূজা, পুষণা, বিষুৱা, কাতিগাছা, ভেলা পূজা, সত্যপীৰ আদি বিভিন্ন লোক-সাংস্কৃতিক বৈচিত্র্যই পশ্চিম অসমৰ লোক-সংস্কৃতিক সমৃদ্ধি কৰিছে।

পশ্চিম অসমৰ লোক-সংস্কৃতিৰ পৰিসৰ আৰু বিস্তৃত লৈ লক্ষ্য কৰিলে ইয়াৰ বিদ্যায়তনিক ফালৰ পৰা চাৰিটা ভাগত ভগাব পাৰি। সেই কেইটা হ'ল ঃ

ক) মৌখিক বা লোক সাহিত্য

খ) সামাজিক লোকাচাৰ

গ) ভৌতিক বা বাস্তু সংস্কৃতি

ঘ) লোক পৰিৱেশ্য কলা।

মানৰ জীৱন বিশ্বাস আৰু সংস্কাৰৰ দ্বাৰা নিয়ন্ত্রিত। আঞ্চলিক মানৰ জীৱন ইয়াৰ বিপৰীত নহয়। আঞ্চলিক লোকজীৱন মানে কেৱল নিৰক্ষৰ, অশিক্ষিত, কৃষিজীৱি মানুহ তেনে নহয়, বৰং অঞ্চল ভিত্তিত বসতি কৰা প্ৰতিজন উচ্চ-নিম্ন, ধনী-দুখীয়া সকলো মানুহকে বুজায়। কেৱল কোনো অঞ্চল বিশেষে ভৌগোলিক, প্ৰাকৃতিক পৰিৱেশৰ ভিন্নতা অনুযায়ী লোকজীৱন সুকীয়া ৰূপে গঢ় লৈ উঠে। তেনে এক অঞ্চল পশ্চিম অসমৰ গৌৰীপুৰ। গৌৰীপুৰ সুকীয়া পৰিৱেশত সুকীয়া সংস্কৃতিত লোকজীৱন গঢ় লৈছে। পশ্চিম অসমৰ লোক-উৎসৱ, লোককথা, শ্লোক, প্ৰবাদ-প্ৰবচন, ব্ৰতকথা, লোকগীত, বিশ্বাস-অবিশ্বাস, সংস্কাৰ-কুসংস্কাৰ, কিংবদন্তী আদিৰ মাজেৰে সমাজ জীৱন গতি কৰিছিল। বিশেষকৈ গৌৰীপুৰকেন্দ্ৰিক পশ্চিম অসমৰ থলুৱা মানুহৰ লোক-সংস্কৃতিৰ মাজেৰে সহজ মনৰ সৰল কথাৰ প্ৰকাশে ঔপন্যাসিকক আকৰ্ষিত কৰিছিল আৰু পশ্চিম অসমৰ লোক-সংস্কৃতিৰ স'তে একাত্মভাৱ গঢ়ি উঠিছিল। গতিকে ধাৰণা হয়, পশ্চিম অসমৰ লোক-সংস্কৃতিক অসম তথা ভাৰতবৰ্ষত চিনাকি কৰি দিয়াৰ যি সুপ্ত মনোকামনা, সেয়া সময় আৰু সুযোগ বুজি চৰিত্ৰৰ কথনভংগীৰ মাধ্যমৰে উপন্যাসত উপস্থাপন কৰিছে।

**শীলভদ্ৰৰ উপন্যাসত লোক-সাংস্কৃতিৰ প্ৰয়োগ ঃ**

লোক-সাংস্কৃতিক উপাদানৰ প্ৰয়োগ আঞ্চলিক উপন্যাসৰ এক তাৎপৰ্য পূৰ্ণ দিশ। শীলভদ্ৰৰ উপন্যাসত লোক-উপাদানৰ প্ৰয়োগৰ মাধ্যমত সমাজ জীৱন, ব্যক্তি জীৱন, সমস্যা আদিক বাস্তৱসন্মত, ৰুচিসন্মত শিল্পকলাৰ সহায়ত মনোগ্ৰাহী আৰু সুখ্যপাঠ্য কৰি তুলিছে। পশ্চিম অসমৰ আঞ্চলিক জীৱন-ধাৰণ প্ৰণালী, লোক-পৰম্পৰা, কৃষ্টি-সংস্কৃতি, পূজা-পাৰ্বন, মাত-কথা আদি লোক-সাংস্কৃতিক উপাদানৰ প্ৰয়োগ সুস্পষ্ট। অৰ্থাৎ লোক-সাংস্কৃতিক উপাদান কথনভংগীৰ এক বিশেষ ৰূপ, যাৰ দ্বাৰা লেখকৰ মনৰ ভাব, লেখাৰ উদ্দেশ্য বা লক্ষ্য কিছু পৰিমাণে পূৰণ কৰিব পৰা যায়। ই হ'ল এক বিশেষ উপস্থাপন কৌশল অথবা বিষয়বস্তুক মহত্বদান কৰা লেখকৰ নিজস্ব উপস্থাপন পদ্ধতিৰ বৈশিষ্ট্যপূৰ্ণ কলাত্মক প্ৰয়োগ, যি বিষয়বস্তুৰ অগ্ৰগতিত পৰিৱেশ, পৰিস্থিতি আৰু উপলব্ধিৰ ক্ষেত্ৰত পাঠকৰ মনত এক অবাৰ্চনীয় আনন্দ দান কৰি পটভূমিৰ এক নিখুঁত চিত্ৰ আঁকি দিব পাৰে। এইক্ষেত্ৰত শীলভদ্ৰ ব্যতিক্ৰম নহয়। য'ত উপন্যাসৰ চৰিত্ৰ চিত্ৰায়ন আৰু পৰিৱেশ ৰচনাৰ মাধ্যমেৰে বৰ্ণিত একোটা নিৰ্দিষ্ট অঞ্চলৰ সমাজ-জীৱনৰ চিত্ৰ, লোক-সাংস্কৃতিক উপাদানৰ প্ৰয়োগ, লেখকৰ একাত্মবোধ পাঠক মাত্ৰেই অনুভৱ কৰিব পাৰে। শীলভদ্ৰৰ এনে প্ৰচেষ্টাৰ এক অন্যবদ্য স্বাক্ষৰ শীলভদ্ৰৰ উপন্যাস সমগ্ৰ।

নিৰ্দিষ্ট কোনো অঞ্চলক কেন্দ্ৰ কৰি উপন্যাসৰ পটভূমি নিৰ্বাচন কৰা হয়, নিৰ্বাচিত অঞ্চলত প্ৰচলিত চাৰিত্ৰিক বৈশিষ্ট্য, পৰিৱেশ পাৰিপাৰ্শ্বিকতাই আঞ্চলিক উপন্যাসৰ প্ৰধান বৈশিষ্ট্য। অৰ্থাৎ মানুহৰ দৈনন্দিন জীৱন ধাৰণ পদ্ধতিগত যি চিৰাচৰিত প্ৰথা, সেয়াই লোক-সাংস্কৃতিক উপাদান। লোক-সাংস্কৃতিক উপাদানৰ প্ৰয়োগত উপন্যাসৰ বিষয়বস্তু সমৃদ্ধ হয়। উপন্যাসত মানুহৰ দৈহিক গঠন, খাদ্যাভাস, সাজপাৰ, চিন্তা-চৰ্চা, ভাষা-সংস্কৃতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস, কু-সংস্কাৰ আদিৰ নিজস্ব ৰূপ সত্যনিষ্ঠ দৃষ্টিৰে উপস্থাপন কৰিব পৰাটোৱে হ'ল ঔপন্যাসিকৰ কৃতিত্ব। স্থানীয় বিশেষত্ব বিশেষকৈ ঐতিহাসিক সত্যতাৰ গুৰুত্ব, মাত-কথা, লোক-কলা, লোক-ৰীতি, লোক-ভাষা, লোক-উৎসৱ, ফকৰা-যোজনা আদি উপন্যাসত প্ৰয়োগ কৰা হয়। এনে লোক-সাংস্কৃতিক উপাদানৰ প্ৰয়োগে শীলভদ্ৰৰ উপন্যাস সমগ্ৰক এক অনন্য মাত্ৰা প্ৰদান কৰিছে।

**লোক-উৎসৱ ঃ**

লোক-উৎসৱৰ উৎস হৈছে লোকসমাজ। লোকসমাজত প্ৰচলিত বিভিন্ন বিশ্বাসকেন্দ্ৰিক অনুষ্ঠানবোৰকে লোক-উৎসৱ বুলি ক'ব পাৰি। ই ধৰ্মীয় বিশ্বাস নাইবা অলৌকিক বিশ্বাস জড়িত। বিশ্বাসৰ ওপৰত ভিত্তি কৰিয়ে প্ৰাচীনকালত লিখিত সাহিত্যৰ অবৰ্তমানত লোক-উৎসৱ পালন কৰা প্ৰথা প্ৰচলিত। লোক-উৎসৱ মূলতঃ সৃষ্টিতত্ত্ব, স্থানতত্ত্ব, তিথিতত্ত্ব আৰু আদিম ধৰ্মতত্ত্বৰ ওপৰত নিৰ্ভৰশীল। সেয়ে নবীন চন্দ্ৰ শৰ্মাই লোক-উৎসৱ সম্পৰ্কত উল্লেখ কৰিছে—

> 'প্ৰকৃতাৰ্থত বিশেষ ধৰণৰ তাৎপৰ্য্যপূৰ্ণ সময়ত অনুষ্ঠিত অনুষ্ঠানৰ পৌনিঃপুনিকতাই উৎসৱ। লোক-উৎসৱ-অনুষ্ঠানবোৰ সামাজিক আচৰণৰ বহিঃপ্ৰকাশ মাথোন।' [৩৮]

গতিকে জন্মৰ পৰা মৃত্যুলৈকে লোকসমাজত প্ৰচলিত ৰীতি-নীতিৰ লগতে পোৱাৰ আশা, ভয়-শংকা আৰু সুস্থভাৱে জীৱন নিৰ্বাহ কৰাৰ বাবে কৰণীয় আচৰণ যেনে— প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা পোৱা, দেৱ-দেৱীক সন্তোষ্ট কৰা, সংস্কাৰ আদি উদ্দেশ্য আগত ৰাখি দিন-বাৰ, তিথি, ঋতু অনুযায়ী পালিত উৎসৱ-অনুষ্ঠান আদিয়ে লোক-উৎসৱ।

পশ্চিম অসম তথা অবিভক্ত গোৱালপাৰা জিলা সাংস্কৃতিকভাৱে চহকী। অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত লোক-উৎসৱ কেৱল গোৱালপাৰাতে সীমাৱদ্ধ নহয়, ইয়াৰ বিশালতা আৰু ব্যাপকতা ভৌগোলিকভাৱে অনেক বেছি। ই যি কি নহওঁক, শীলভদ্ৰৰ উপন্যাসত অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত লোক-উৎসৱৰ প্ৰয়োগ যথেষ্ট। কাৰণ গৌৰীপুৰেই হ'ল শীলভদ্ৰৰ উপন্যাসৰ পটভূমি। পটভূমিকেন্দ্ৰিক অঞ্চলৰ লোক-সাংস্কৃতিক উপাদান তুলি ধৰাটোৱে যেন লক্ষ্য। গতিকে উপন্যাসৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি সুযোগ আৰু সুবিধা বুজি লোক-সাংস্কৃতিক উপাদান সন্নিৱিষ্ট কৰিছে। ঔপন্যাসিকে গৌৰীপুৰকেন্দ্ৰিক লোক-সাংস্কৃতিক উপাদান সম্পৰ্কে উল্লেখ কৰিছে—

> *'ঠিকাদাৰী কৰা কাৰণেহে এই অঞ্চলৰ গাঁৱৰ সাধাৰণ মানুহৰ জীৱনধাৰা, পূজা-পাৰ্বন,বিভিন্ন উৎসৱ আদি সম্বন্ধে মোৰ সামান্য, অতি সামান্য ধাৰণা হৈছে।'* [৩৯]

আকৌ উল্লেখ কৰিছে—

*‘ আমাৰ অৰ্থাৎ মধ্যবিত্ত সমাজৰ মানুহৰ এটা উচ্চাত্মিকা ভাব আছে। আমি সদায় আমাক এটা অপৰিবাহী আৱৰণেৰে আবৃত কৰি ৰাখোঁ। এমাহ বিদেশ থাকি আহি আমি সেই দেশৰ গ্ৰাম্য জীৱনৰ সংস্কৃতি, সেই দেশৰ নৃত্য-নাট্য ইত্যাদিৰ ওপৰত তত্ত্বগধুৰ প্ৰৱন্ধ লিখোঁ; কিন্তু নিজে থকা সৰু চহৰৰ দহ মাইল দুৰৰ মানুহৰ জীৱনধাৰা সম্বন্ধে আমাৰ কোনো ধাৰণা নাই।’* [৪০]

শীলভদ্ৰৰ নিজা ঠাই মধুপুৰ। মধুপুৰৰ প্ৰতি শীলভদ্ৰৰ টান আছে। মধুপুৰত মধু (মৌ) থকাৰ দৰে যে মধুপুৰৰ লোক-সংস্কৃতিৰ মধু আছে , নিজস্ব বৈশিষ্ট্য আছে, সুকীয়া স্থান আছে, সেই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছে আৰু তাক বিশ্বত চিনাকি কৰি দিয়াৰ মানসৰে উপন্যাসত কিছুসংখ্যক লোক-সাংস্কৃতিক উপাদান সন্নিৱিষ্ট কৰিছে। শীলভদ্ৰৰ উপন্যাসত উল্লিখিত লোক-উৎসৱসমূহ হ’ল— সোনাৰায় পূজা, কাতিকাপূজা, চণ্ডীনৃত্য, চড়কপূজা, দৌল উৎসৱ, হুদুমদেও, বাঁশপূজা, কুশান গান, ঢেলখোৱা ঠাকুৰ, কালিপূজা, আলোকঝাৰিৰ মহামযা পূজা, দুৰ্গাপূজা আদি।

**সোণাৰায় পূজা ঃ**

সোণাৰায় পূজা পশ্চিম অসমৰ এটি জনপ্ৰিয় লোক-উৎসৱ। ই মূলতঃ কৃষিৰ লগত জড়িত। শস্য উৎপাদন আৰু গো সংৰক্ষণেই সোণাৰায় পূজাৰ মূল উদ্দেশ্য। সোণাৰায় পূজা কৰিলে মানুহ আৰু গৰু বাঘৰ পৰা ৰক্ষা পায় বুলি বিশ্বাস জড়িত হৈ আছে। সেয়ে শালি ধান চপোৱাৰ সময় পুহ সংক্ৰান্তিৰ দিনা সোণাৰায় পূজা কৰে কাৰণ আঘোণ পুহ মাহত হাবি-জংগলৰ পৰা বাঘ ভৈয়ামলৈ নামি আহি গৰু চিকাৰ কৰে। গতিকে গৰুক বাঘৰ পৰা ৰক্ষা কৰাৰ বাবে কৃষক সকলে সোণাৰায় পূজা অনুষ্ঠিত কৰে। সেয়ে সোণাৰায় দেৱতাক বাঘ বা ব্ৰ্যাঘ্ৰ দেৱতা হিচাপে পূজা কৰে। সোণাৰায় পূজাৰ বিশেষত্ব হ’ল— ই কৃষি আৰু গীত প্ৰধান লোক উৎসৱ। সোণাৰায় হ’ল শ্ৰীকৃষ্ণ আৰু ৰূপাৰায় হ’ল বলৰাম। গো-সম্পদ ৰক্ষা কৰা ইয়াৰ মূল লক্ষ্য আৰু উদ্দেশ্য। সোণাৰায় মূলতঃ মাগন প্ৰধান, পাঁচ-ছয়জনীয়া দল বান্ধি ঘৰে ঘৰে গৈ গীত গাই মাগন কৰে আৰু পুহৰ মাহৰ শেষ দিনা পূজা দি ভোজভাত খায়। সোণাৰায় দলত

গীদাল এজন আৰু  চাৰি-পাঁচজন সহযোগী থাকে। গীদালৰ হাতত এটা চোঁৰৰ থাকে। গোটেই পুহ মাহ পৰ্যন্ত চলা সোনাৰায় মাগা, এউৰিমাগা আৰু ভোজভাত খোৱাৰ প্ৰথা অবিভক্ত গোৱালপাৰা জিলাত পৰম্পৰাগতভাৱে চলি আহিছে। ঔপন্যাসিকে সোনাৰায় পূজাৰ গীত উল্লেখ কৰিছে—

*'সত্যঠাকুৰ সোনাৰায় গাৰহস্তক দে তুই বৰ,*

*ধনে বংশে বাঢ়ক গিৰি চন্দ্ৰ দিবাকৰ;*

*ফুল ফুটিল ৰে।'* [৪১]

**কাতিকাপূজা ঃ**

কাতিকাপূজা মূলতঃ নাৰী প্ৰধান লোক-উৎসৱ। ই নৃত্য-গীত প্ৰধান। কাতি মাহৰ সংক্ৰান্তিৰ দিনা এই পূজা কৰা হয়। কিবা বিশেষ কাৰণত এই পূজা কৰিব নোৱাৰিলে আঘোণ মাহত কৰা হয় বাবে ইয়াক নমলাকাতি বোলে। এই পূজাৰ মূল উদ্দেশ্য হ'ল বংশ বৃদ্ধি আৰু শস্য বৃদ্ধি। সেয়ে নিঃসন্তান তিৰোতাই  সন্তান লাভৰ আশাত এই পূজা কৰে। বিশেষকৈ কোচ-ৰাজবংশী নাৰী সমাজে সুকীয়া বৈশিষ্ট্য সম্পন্ন পৰম্পৰাগত আদব-কায়দাৰে সন্তান লাভৰ আশাত এই পূজা কৰে।  য'ত পুৰুষ মানুহৰ প্ৰৱেশ নিষিদ্ধ, অশ্লীল গীত-কথাৰ প্ৰয়োগ, উলংগ উদ্দাম নৃত্য আৰু শেষত কাৰ্তিক ঠাকুৰৰ পৰা বৰ লাভ আদিয়েই  প্ৰধান বৈশিষ্ট্য। ঔপন্যাসিকে কাতিকাপূজা সম্পৰ্কে 'আগমনীৰ ঘাট' উপন্যাসত উল্লেখ কৰিছে—

*'কাতিপূজা হ'ল তিৰোতা মানুহৰ পূজা। এই পূজাৰ ঠাইত পুৰুষ মানুহৰ প্ৰৱেশাধিকাৰ নাই।'* [৪২]

**চণ্ডী নৃত্য ঃ**

চণ্ডী নৃত্য অবিভক্ত গোৱালপাৰা জিলা বিশেষকৈ ধুবুৰী, কোকৰাঝাৰ জিলাত দেখা যায়। এই  নৃত্যক কালীৰ নাচোন বা কালী মাগা বুলি কোৱা হয়। ই এক উদ্দাম নৃত্য। ঢাকৰ তাল যিমানে খৰ হয়, নৃত্যও সিমানে খৰ হয়। কালী ঠাকুৰৰ মুখা তথা কালী গোঁসানীৰ কুঁহিলা শিল্পৰ মুখা এজন পুৰুষ মানুহে পিন্ধি কালীৰ বেশ ধাৰণ কৰি ঘৰে ঘৰে মাগন  কৰে। এই

মাগন মাঘ-ফাগুন মাহত কৰা হয়। মাগন কৰি পোৱা দান-বৰঙণিৰে কালী পূজা সম্পন্ন কৰা হয়। শীলভদ্ৰই চণ্ডী নৃত্য সম্পৰ্কে 'আগমনীৰ ঘাট' উপন্যাসত উল্লেখ কৰিছে—

> *'দেখিছোঁ চণ্ডী নৃত্য। দেখিলে সঁচাকৈ ভয় লাগে। কালী গোঁসানীৰ মুখা পিন্ধি নৃত্য। ঢাকৰ বাজনা শুনি বুকুখন গমগম কৰি উঠে।'* [৪৩]

**চড়ক পূজা ঃ**

চ'তৰ সংক্ৰান্তিৰ দিনা চড়ক পূজা কৰা হয়। ই মূলতঃ শিৱ-পাৰ্ব্বতী আৰু তন্ত্ৰ-মন্ত্ৰ প্ৰধান এক উৎসৱ। চড়ক পূজা অলৌকিক ক্ষমতা সম্পন্ন এটি লোক পূজা। ইয়াৰ মূল ব্যক্তিগৰাকীক চড়কীয়া বুলি কোৱা হয়। তন্ত্ৰ-মন্ত্ৰ প্ৰয়োগৰে 'ভঙৰ' উঠা, লোৰে জিভা বিন্ধোৱা, জ্বলি থকা জুইৰ ওপৰেদি খোজ কঢ়া, পিঠিত বৰশীৰে বিন্ধা কৰি চড়ক খুঁটিৰ ওপৰত উলমি ঘুৰা, তাৰ পৰা প্ৰসাদ তললৈ ছটিয়াই দিয়া আৰু তলত থকা মানুহৰ মাজত প্ৰসাদলৈ কাঢ়াকাঢ়ি লগা দৃশ্য মনকৰিবলগীয়া। শীলভদ্ৰই চড়ক পূজা সম্পৰ্কে 'আগমনীৰ ঘাট' উপন্যাসত উল্লেখ কৰিছে—

> *'চড়ক পূজা হ'ল আচলতে শিৱৰ পূজা। উচ্চবৰ্ণৰ হিন্দুৰ মাজত এই পূজাৰ প্ৰচলন নাই। পূজাৰ প্ৰক্ৰিয়া আৰু পদ্ধতি আমাৰ দৃষ্টিত আসুৰিক। ভকত অৰ্থাৎ ভক্তসকলে চৰম আত্মনিগ্ৰহৰ মাজেৰে কেইবাদিন পাৰ কৰে। উপবাস তো সামান্য কথা। লোৰ শলাৰে জিভা বিন্ধা কৰে। ঢাকৰ বাজনাৰ তালে তালে নাচিথকা অৱস্থাত ভক্তবোৰ 'ভঙৰ' উঠে। অৰ্থাৎ গোঁসাইয়ে দেহত আশ্ৰয় লয়। ঢাকৰ বাজনা যিমানে উদ্দাম হয় ভক্তবোৰৰ উত্তেজনাও সিমানে বাঢ়ি যায়। অৰ্ধ অচেতন অৱস্থাত নাচি নাচি কাঁইট, জুই এইবোৰৰ ওপৰেদি পাৰ হৈ যায়।'* [৪৪]

**দৌল উৎসৱ ঃ**

দৌল উৎসৱ পৰম্পৰাগত লোকপূজা আৰু ই নৃত্য গীত প্ৰধান। মূলতঃ শ্ৰীকৃষ্ণ নিজৰ ঘৰ এৰি প্ৰেয়সী ঘুনুচাৰ ঘৰত সাত দিন সাত ৰাতি থাকি নিজ ঘৰলৈ যেতিয়া উভতি আহে, তেতিয়াই দৌল উৎসৱ পালন কৰা হয়। এককথাত গোঁসাই ফুৰোৱা। ইয়াক ফাকু বা ৰং বা

হোলি বা বসন্ত উৎসৱ নামে জনা যায়। শংকৰদেৱ-মাধৱদেৱে ফাকু উৎসৱ সত্ৰসমূহত অনুষ্ঠিত কৰিছিল। পশ্চিম অসমৰ সত্ৰশাল সত্ৰ, জিনকাটা ৰাজহুৱা সত্ৰ আদিত ফাকু উৎসৱৰ প্ৰচলন দেখা যায়। ই কেৱল সত্ৰসমূহতে যে পালিত হয় তেনে নহয়, পশ্চিম অসমৰ লোকসমাজতো সমূহীয়াভাৱে দৌল উৎসৱ পালন কৰা হয়। দৌল উৎসৱৰ পৰম্পৰাৰ লগত সংগতি ৰাখি দৌলৰ আগদিনা 'ভেলাঘৰ' সজা হয়। ভেলাঘৰত ভেড়াৰ নোম আৰু প্ৰসাদ নৈবদ্যৰে পূজা কৰি ঘৰটোৰ চাৰিওফালে নাম-কীৰ্তন গাই শেষত জুই লগাই দিয়ে। অঞ্চল বিশেষে ভেলাঘৰৰ পৰিৱৰ্তে ভেড়াঘৰ বুলিও কয়। শীলভদ্ৰই 'অবিচ্ছিন্ন' উপন্যাসত উল্লেখ কৰিছে—

> *'দৌলৰ আগদিনা আমাৰ ঘৰৰ সমুখৰ পথাৰখনত যিটো ভেলাঘৰ সজা হয় সেইটোও এই ঘৰবোৰতকৈ ডাঙৰ।'* [৪৫]

দৌল উৎসৱৰ লগত সংগতি ৰাখি মেলা (সভা) বহা, অঞ্চল বিশেষে গোঁহাই ফুৰাই পথাৰত একগোট খোৱা, গোঁহাইৰ পাগলামী মতিৰ দৃশ্য আদি মনকৰিবলগীয়া।

দুৰ্গাপূজা ঃ

দুৰ্গা দেৱী হ'ল শক্তিৰ অধিষ্ঠাত্ৰী দেৱী। অৰ্থাৎ যি দেৱীয়ে দুৰ্গ পৰাক্ৰম কৰিব পাৰে, দুৰ্গ ৰক্ষা কৰিব পাৰে দুৰ্গতি বিনাশ কাৰী ৰূপে দুৰ্গ নামৰ দৈত্য, মহাবিঘ্ন, কুকৰ্ম, শোক , দুখ, জৰা, ভয়, ৰোগ আদিৰ পৰা ৰক্ষা কৰিব পাৰে সিয়ে দুৰ্গা। জমিদাৰে ৰাজকীয় মৰ্য্যদাৰে ৰাজহুৱাভাৱে গৌৰীপুৰৰ মহাময়া মাঠত দুৰ্গাপূজা অনুষ্ঠিত কৰিছিল। দুৰ্গাপূজাৰ কেইদিন দিনে-ৰাতিয়ে গৌৰীপুৰবাসীয়ে অংশ গ্ৰহণ কৰিছিল। সেয়ে জমিদাৰে দুৰ্গাপূজা অনুষ্ঠিত কৰিলেও সেই পূজাখন আছিল সাৰ্বজনীন। শীলভদ্ৰই 'মধুপুৰ' উপন্যাসত দুৰ্গাপূজা সম্পৰ্কে উল্লেখ কৰিছে এনেদৰে—

> *'মধুপুৰত দুৰ্গাপূজা কৰিছিল কেৱল জমিদাৰে। যিখন পথাৰত ঘৰ সাজি পূজা কৰিছিল সেই পথাৰখনৰ নামেই হ'ল 'মহামায়াৰ মাঠ'। প্ৰতিবছৰে নতুনকৈ প্ৰকাণ্ড ঘৰ সাজি তাতেই দুৰ্গা গোসাঁনীৰ পূজা হৈছিল। নৈৰ পাৰৰ পৰা বিশেষ মন্ত্ৰপুত বেল এটা সমদল কৰি আনি গোসাঁনী ঘৰত থাপনা কৰা হৈছিল। এই অনুষ্ঠানক কোৱা হৈছিল 'বেলবৰণ।'* [৪৬]

**হুদুমদেও পূজা ঃ**

হুদুমদেও পূজা পশ্চিম অসমৰ এক লোক পূজা। ই প্ৰধানতঃ নাৰীকেন্দ্ৰিক লোক পূজা। 'হুদুম' শব্দৰ অৰ্থ 'উলঙ্গ'। অশ্লীল নৃত্য গীত প্ৰধান হোৱা হেতুকে হুদুম পূজা পুৰুষ নিষিদ্ধ। ই জেঠ, আহাৰ মাহত অতি খৰাং বতৰ হ'লে নাৰীসকলে হুদুম পূজা কৰে। এই পূজাৰ মূল উদ্দেশ্য বৰুণ দেৱতাক তুষ্টি কৰা। বৰুণ দেৱতা তুষ্টি হ'লে ধৰিত্ৰীলৈ বৰষুণ নামে বুলি লোকবিশ্বাস জড়িত। খৰাং বতৰ তথা অনাবৃষ্টিৰ বাবে নাৰী সকলে হুদুম পূজা কৰে বাবে হুদুম পূজা সম্পৰ্কে নীহাৰ বালা বৰুৱাই উল্লেখ কৰিছে—

*'অনাবৃষ্টিৰ ভয়ত ভীতিগ্ৰস্ত আদিম মানৱ সমাজত জন্ম পায় প্ৰকৃতিক কেন্দ্ৰ কৰি দেৱ-দেৱীৰ উপাসনা। আদিম মানুহৰ এই চিৰন্তন বিশ্বাস আৰু ধাৰণা পৃথিৱীৰ সৰ্ব প্ৰান্তৰ মানুহৰ বাবে আছিল। এই ক্ষেত্ৰত ভাৰত, পূব ভাৰত বা গোৱালপাৰা (অবিভক্ত) অঞ্চলো ব্যতিক্ৰম নাছিল। সেয়ে বিজ্ঞানৰ জন্ম আৰু বিস্তাৰৰ আগৰ পৰাই অনাবৃষ্টিৰ ভয়াৱহতা দূৰ কৰিবলৈ অবিভক্ত গোৱালপাৰা জিলাত স্মৰণাতীত কালতে সৃষ্টি হৈ বৰ্তমানো পূৰ্ণোদ্যেমে সমাজত প্ৰচলিত হৈ আছে হুদুম পূজা।'* [৪৭]

ইয়াৰ পৰা অনুমান কৰিব পৰা যায় যে, হুদুম পূজাৰ প্ৰচলন অতি প্ৰাচীন আৰু অবিভক্ত গোৱালপাৰা জিলাত অতীতৰে পৰা চলি আহিছে।

শীলভদ্ৰই 'অবিচ্ছিন্ন' উপন্যাসত হুদুম পূজাৰ উল্লেখ কৰিছে এনেদৰে—

*'বহুদিন বৰষুণ নহৈ খৰ হ'লে তাৰ ছোৱালীবোৰে মূৰত কুলা লৈ মানুহৰ ঘৰে ঘৰে নাচি চাউল আৰু পইচা সংগ্ৰহ কৰি 'হুদুমদেউ'ৰ পূজা কৰিছিল।'* [৪৮]

**বাঁশ পূজা ঃ**

লোক- পৰিৱেশ্য কলাৰ অন্তৰ্গত বাঁশ পূজা পশ্চিম অসমৰ এক অন্যতম লোক-পূজা। বাঁহ হৈছে বংশ বৃদ্ধি তথা প্ৰজননৰ প্ৰতীক। মূলতঃ বাঁহ দুডাল থাকে। এডাল বাঁহ বগা কাপোৰ আন এডাল বাঁহ ৰঙা কাপোৰৰে মেৰিয়াই লয়। বগা কাপোৰৰে মেৰিয়াই লোৱা

বাঁহডাল শিৱৰ প্ৰতীক আৰু ৰঙা কাপোৰৰে মেৰিয়াই লোৱা বাঁহডাল পাৰ্বতীৰ প্ৰতীক। বাঁহৰ মূৰত এটাকৈ চোঁৱৰ থাকে। এই পূজাত এজন মূল দেওধা থাকে। দেওধাজনৰ বিধি-বিধান মতে গাঁৱৰ ৰাইজ এক মাহ নিৰামিষ আহাৰ গ্ৰহণ কৰি ঘৰে ঘৰে গৈ নৃত্য গীত কৰি মাগন কৰে। সেয়ে ই নৃত্য গীত প্ৰধান লোক উৎসৱ। গোৱালপাৰা অঞ্চলত প্ৰচলিত বাঁশ পূজাৰ নিয়ম অঞ্চল বিশেষে কিছু তাৰত্যম দেখা যায়।

> *'বাঁশপূজাৰ নাচ' বোধহয় সম্পূৰ্ণৰূপে লোপ পালে। কি বীৰ্য আৰু পুৰুষত্বৰ প্ৰকাশ। সৈনিকৰ দৰে ত্ৰিশ-চল্লিশ জন মানুহ শাৰী পাতি থিয় হয়। প্ৰত্যেকৰে নাভিদেশত উলম্বভাৱে দহ হাতমান দীঘল একডোখৰ বাঁহ থিয়ভাৱে লোৱা হয়। প্ৰত্যেকডাল বাঁহৰ মূৰত একোটাকৈ চোঁৱৰ। কি বলিষ্ঠ পদক্ষেপ, কি দৃষ্টিভংগী। আটাইবোৰ চোঁৱৰ একো একোবাৰ একেলগে উৰ্ধমুখী হৈ ফুলি উঠে।'* [৪৯]

**কুশান গান ঃ**

অবিভক্ত গোৱালপাৰা জিলাৰ এটি অন্যতম নৃত্য গীত আৰু কাহিনী যুক্ত লোক নাট্যানুষ্ঠান। ই কেৱল অবিভক্ত গোৱালপাৰা জিলাতে সীমাৱদ্ধ নহয়, বাংলাদেশৰ ৰংপুৰ অঞ্চল, বিহাৰৰ পূৰ্ণিয়া অঞ্চল, নেপালৰ ঝাপা, মোৰং অঞ্চল আৰু মেঘালয়ৰ পশ্চিম অঞ্চলত কুশান গানৰ প্ৰচলন দেখা যায়। কুশানৰ কাহিনী প্ৰধানতঃ ৰামায়ণকেন্দ্ৰিক। বাল্মিকি ৰামায়ণৰ গীত লৱ আৰু কুশে সৰ্বপ্ৰথমে ৰামচন্দ্ৰৰ অশ্বমেধ যজ্ঞত প্ৰচাৰ কৰিছিল বাবে ৰামৰ পুত্ৰ লৱ-কুশৰ পৰাই কুশান গানৰ উৎপত্তি হোৱা বুলি বেছি ভাগ পণ্ডিতে ক'ব খোজে। আকৌ আন এচাম পণ্ডিতে ক'ব খোজে যে, বৃহত্তৰ কোচ ৰাজ্যৰ সীমা বিশাল আছিল আৰু অবিভক্ত গোৱালপাৰা জিলাও কোচ ৰাজ্যৰে অন্তৰ্গত আছিল, গতিকে 'কোচান' শব্দৰ পৰাই 'কুশান' শব্দৰ উৎপত্তি হৈছে। অবিভক্ত গোৱালপাৰা জিলাৰ ইতিহাস লেখক শিৱানন্দ শৰ্মাই কুশান গানৰ উৎপত্তি সম্পৰ্কে উল্লেখ কৰিছে—

> *'কোচ আমোলত কোচবিহাৰ আৰু ঘিলা বিজয়পুৰত এই গীতবোৰ স্থানীয় কথিত ভাষাত লিপিবদ্ধ হয়। লগে লগে এই লোক নৃত্যবোৰও ৰাজ সমাদৰ*

*লাভ কৰি ঠন ধৰি উঠে। গোটেই ৰাজ্যৰ বাৰ জন(বহু কেই জন?) গীদাল বা গীতালক (ওজা) ৰাজ সন্মান দেখুৱা হয়। ৰচিত পুথি কিছুমানত কোচ ৰাজ্যক নাম দিয়া হৈছিল 'কোচান'। 'ও' কাৰক এই অঞ্চলত 'উ' কাৰ উচ্চাৰণ কৰা হয়। যেনে— কোচ-বিহাৰ = কুচবিহাৰ। সেইদৰে কুশান গীতি নাট্যৰ নাম কোচান>কুচান>কুশান হ'লগৈ।'* [৫০]

গতিকে দেখা যায় যে, কুশান গান কোচ ৰাজ শাসনৰ পৰা আৰম্ভ হৈছিল আৰু ই বৰ্তমানো বহল প্ৰচলিত। কুশান গানৰ দলত কমপক্ষেও দহৰ পৰা বাৰ জন মান মানুহ থাকে। দলত এজন গীদাল, এজন দোয়াৰী, এজন পালি, এজন বাইন, পাঁচ ছয়জন নৰ্তকী তথা ছুকুৰী বা ছোকৰা আৰু এখন মঞ্চ বা আসৰ থাকে। মঞ্চখন সাধাৰণতে মাটিত ঘুৰণীয়াকৈ বহে। কুশান গানৰ বিশেষ বৈশিষ্ট্য হ'ল ল'ৰাবোৰ ছুকুৰী সাজি নৃত্য পৰিৱেশন কৰে। ই নৃত্য গীত সংলাপ কাহিনী প্ৰধান আৰু হাস্য-ব্যঙ্গাত্মক। কুশান গান আৰম্ভ কৰাৰ সময়ত সৰ্বপ্ৰথম আসৰ বন্দনা কৰি লয়। যেনে— মঙ্গলাচৰণ, সৰস্বতী বন্দনা, ৰঘুবন্দনা, চাৰিযুগ বন্দনা আৰু শেষত ৰাইজ বা দশঝনক বন্দনা কৰি কুশান গানৰ পালা আৰম্ভ কৰে। কুশান গান অবিভক্ত গোৱালপাৰা জিলাৰ বিভিন্ন পূজা, মেলা আদিত প্ৰদৰ্শন কৰা হয়। অৱশ্যে বৰ্তমান কুশান গানৰ পৰিৱৰ্তন লক্ষণীয়। কুশান গানৰ এনে বৈশিষ্ট্যগত দিশৰ পৰা লোক-পৰিৱেশ্য অন্তৰ্গত কৰিব পাৰি।

**ঢেলখোৱা ঠাকুৰ ঃ**

ঢেলখোৱা ঠাকুৰ পশ্চিম অসম তথা উত্তৰবংগত ইয়াৰ বিশেষ প্ৰভাৱ আছে। ই কেনেধৰণৰ দেৱতা বা ঠাকুৰ সঠিক কৈ কোৱা টান যদিও ঢেলখোৱা ঠাকুৰ মূলতঃ দেৱাদিদেৱ মহাদেৱ অৰ্থাৎ শিৱ। ইয়াৰ কোনো মূৰ্তি নাথাকে। কেৱল বিশ্বাসৰ ওপৰত ভিত্তি কৰি ঢেলখোৱা ঠাকুৰৰ পৰম্পৰা চলি আহিছে। এই ঠাকুৰৰ বিধি-বিধান অতি সাধাৰণ আৰু ইয়াৰ স্থান আলীবাটৰ কাষত বা কেঁকুৰীৰ বট আৰু আঁহত গছত। লোকৰ বিশ্বাস গছৰ গুৰিত ঢেলখোৱা ঠাকুৰ আছে। গতিকে বাট পাৰ হওঁতে মাটিৰ চপৰাৰে দলি বা ঢেল মাৰি যাব লাগিব, নহ'লে পেটৰ বিষ উঠাটো অনিবাৰ্য। ঢেল মাৰি দিয়া বাবে এই ঠাকুৰৰ নাম 'ঢেলখোৱা ঠাকুৰ' হৈছে।

শীলভদ্ৰই 'আঁহতগুৰি' উপন্যাসত ঢেলখোৰা ঠাকুৰৰ বিৰণ উল্লেখ কৰিছে—

*'আঁহতগুৰিৰ তিনি মাইলমান পশ্চিমে, গঙ্গাধৰ নৈৰ পাৰত ঢেলখোৰা ঠাকুৰৰ থান। ঢেলখোৰা ঠাকুৰৰ আচল পৰিচয় কি কোনেও নাজানে। এই ঠাকুৰৰ পূজাৰ পদ্ধতি অদ্ভুত, উপাচাৰো অদ্ভুত। মানুহে কাষেৰে পাৰ হৈ যাওঁতে একোটা দলি মাৰি সেৱা কৰে। যুগ যুগ ধৰি এনেকৈয়ে দলি চপৰা পৰি পৰি ঠাইডোখৰ টিলাৰ দৰে ওখ হৈ উঠিছে। গোটেই অঞ্চলতে ঢেলখোৰা ঠাকুৰ অতি জাগ্ৰত দেৱতা বুলি জনাজাত। দূৰ-দূৰান্তৰ পৰা দলি চপৰা লৈ দলবান্ধি মানুহ আহে। মনোভিলাষ পূৰণৰ কাৰণে প্ৰাৰ্থনা জনায়। প্ৰাৰ্থনা পূৰ্ণ হ'লে আকৌ আহি দলি মাৰি যাব বুলি প্ৰতিশ্ৰুতি দিয়ে।'* [৫১]

**কালীপূজা ঃ**

কালীপূজা মূলতঃ শক্তি পূজা। শক্তি সাধনাৰ ক্ষেত্ৰত যি দেৱী অধিশ্বৰী হৈ উঠে, সেই দেৱীয়ে হ'ল কালী দেৱী। লোক সমাজত কালী পূজা কৰা হয় মূলতঃ লোকবিশ্বাসৰ ভেটিত। প্ৰাচীন ধৰ্মগ্ৰন্থত কালী দেৱীক কালনাশিনী, শ্মশানবাসিনী, ভয়ংকৰী আদি নানান ৰূপৰ বৰ্ণিত আখ্যান পোৱা যায়। সেই পৰম্পৰাৰ ভেটিত কালী দেৱীক পূজা কৰা হয়। গতিকে দেখা যায় যে, গৌৰীপুৰকেন্দ্ৰিক অঞ্চল ধুবুৰী জিলা শক্তিপীঠ স্থান হিচাপে চিহ্নিত। বগৰীবাৰীৰ মহামায়া পীঠস্থান উল্লেখযোগ্য উদাহৰণ। শীলভদ্ৰ ৰচিত 'অবিচ্ছিন্ন' উপন্যাসত কালীপূজাৰ বৰ্ণনা পোৱা যায়। বিশেষকৈ গৌৰীপুৰ কালী মন্দিৰৰ পূজাৰী পৱন সাধুৰ চৰিত্ৰৰ জৰিয়তে কোনো মানুহৰ বেমাৰ-আজাৰ অথবা কোনো অপায়-অমংগল হ'লে, সেইবোৰ দুৰ কৰাৰ মংগলাৰ্থে মা-কালীৰ পূজাৰ বিৰণ লোক-বিশ্বাসৰ দৃষ্টিভংগীৰে উপস্থাপন কৰিছে।

**আলোকঝাৰিৰ মহাময়া থান ঃ**

'মধুপুৰ' উপন্যাসত আলোকঝাৰি থানৰ উল্লেখ পোৱা যায়। আলোকঝাৰি থান গৌৰীপুৰৰ অন্তৰ্গত পাগলাহাট অঞ্চলৰ আলোকঝাৰি পাহাৰত অৱস্থিত। জনশ্ৰুতি মতে পাৰ্বতীৰ ভৰি অৰ্থাৎ পাদুকাযোৰ খহি পৰিছিল। পাদুকা চিহ্নত শিলটোক এতিয়া নিত্য পূজা

কৰা হয়। বহাগ মাহত ৰাজহুৱাভাৱে আলোকঝাৰি থানৰ পূজা আৰু সাতদিনীয়া মেলা অনুষ্ঠিত কৰা হয়। ই বৰ্তমান লোক-উৎসৱত পৰিণত হৈছে। গৌৰীপুৰৰ জমিদাৰ সকলে চিকাৰ কৰোঁতে আলোকঝাৰি পাহাৰৰ শিল এটাত পাদুকাযোৰ প্ৰত্যক্ষ কৰে। তেতিয়াৰ পৰা জমিদাৰৰ তত্বাৱধানত পূজা কৰা আৰম্ভ হয় আৰু আলোকঝাৰিৰ মহামায়া থান হিচাপে বহল প্ৰচলিত হয়।

শীলভদ্ৰৰ উপন্যাসত উল্লিখিত সোনাৰায় পূজা, কাতিকা পূজা, চণ্ডী পূজা, চড়ক পূজা, দৌলপূজা, ভেলাঘৰ পূজা, হুদুমদেউ পূজা, বাঁশ পূজা, ঢেলখোৱা ঠাকুৰ পূজা, আলোকঝাৰি থান পূজা, দুৰ্গা পূজা, কালি পূজা, কুশানগান আদি পশ্চিম অসমৰ উল্লেখনীয় লোক-উৎসৱ। লোক-উৎসৱসমূহৰ লগত বিশ্বাস জড়িত আৰু নিজস্ব বিধি-বিধানৰে পালিত বৈশিষ্ট্য সম্পন্ন। এই লোক-উৎসৱসমূহ গৌৰীপুৰকেন্দ্ৰিক অঞ্চলত বহল প্ৰচলিত আৰু লোক সমাজৰ লগত অঙ্গাঙ্গিভাৱে জড়িত।

**লোক-সংগীত ঃ**

লোক-সংগীত হ'ল লোকসাহিত্যৰ এটি অংগ। ই মুখে মুখে প্ৰচলিত বা বংশানুক্ৰমে চলি অহা গীত। ইয়াৰ উদ্ভৱ মূলতঃ মাটি, বায়ু, পানী আৰু লোকসমাজ। মাটিৰ লগত লোক-সংগীতৰ সম্পৰ্ক গভীৰ, যি সম্পৰ্ক সিচঁৰতি হৈ পৰে প্ৰকৃতিৰ কোলাত, য'ত থাকে সৰলতা, মাটিৰ গোন্ধ আৰু লোকসমাজৰ লগত নিবিড় আত্মিক সম্পৰ্ক। লোক-সংগীতৰ সৰলতাই লোকৰ হৃদয় সহজে অধিকাৰ কৰিব পাৰে। সেয়ে লোক-সংগীতৰ বৈশিষ্ট্য বৈচিত্ৰ্যময়। লোক-সংগীত কোনো এক নিৰ্দিষ্ট অঞ্চলত গোষ্ঠীবদ্ধ লোকসমাজত দৈনন্দিন প্ৰচলিত ৰীতি-নীতি, বিশ্বাস-সংস্কাৰ, আচাৰ-ব্যৱহাৰ, জীৱন-জীৱিকা, উৎসৱ-অনুষ্ঠান আদিৰ মাজেৰে সুখ-দুখ, হাঁহি-কান্দোন, প্ৰেম-বেদনা, সাফল্য-ব্যৰ্থতা, দেহতত্বমূলক আদি ভাব, তাল, লয়, সুৰ প্ৰকাশিত গীতেই লোক-সংগীত। সাধাৰণ অৰ্থত সহজ মনৰ সহজ প্ৰাণৰ ভাবেই লোক-সংগীত। লোক-সংগীত পৃথিৱীৰ প্ৰায়বোৰ লোকসমাজত প্ৰচলন আছে। ভৌগোলিকতাৰ ভিত্তিত ইয়াৰ আঞ্চলিক ৰূপ বেলেগ, আঞ্চলিক বিষয়বস্তুৰ ভিত্তিত লোক-সংগীত ৰচিত হ'ব পাৰে। অবিভক্ত গোৱালপাৰা জিলা অসমৰ অন্তৰ্গত যদিও ভৌগোলিক অৱস্থানগত দিশৰ পৰা

সুকীয়া। সেয়ে গোৱালপাৰা অঞ্চলত প্ৰচলিত লোকগীতৰ বিষয়বস্তু, সুৰ, তাল, লয় আদিও সুকীয়া। যাৰ প্ৰাচীন নাম ‘দেশীগান’।

গোৱালপৰীয়া লোকগীত পশ্চিম অসমৰ সমাজ জীৱনৰ লগত সংযুক্ত জন্মৰ পৰা মৃত্যুলৈ প্ৰচলিত ক্ৰিয়া-কাণ্ড, উৎসৱ-অনুষ্ঠান আৰু মানৱীয় আৱেগ-অনুভূতিযুক্ত লোক-সংগীতৰ বহল প্ৰচলন আৰু ব্যাপকতা লক্ষণীয়। বহল প্ৰচলন আৰু ব্যাপকতা এই কাৰণে যে, অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত লোকগীত কেৱল অবিভক্ত গোৱালপাৰা জিলাতে সীমাৱদ্ধ নহয়। ই উত্তৰবংগ, বাংলাদেশৰ ৰংপুৰ, বিহাৰ, নেপাল আদি অঞ্চলত প্ৰচলিত। উত্তৰবংগত এই লোকগীতক ভাওয়াইয়া, কমতাপুৰী, ৰাজবংশী, অসমত গোৱালপৰীয়া, ৰাজবংশী, বাংলাদেশৰ ৰংপুৰত ৰংপুৰী বুলি জনা যায়। পশ্চিম অসম তথা অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত লোক-সংগীতক সাম্প্ৰতিক সময়ত গোৱালপৰীয়া লোকগীত বুলি জনা যায়। এই নামৰ উদ্ভাৱক সংগীত সম্ৰাট ড° ভূপেন হাজৰিকা। ১৯৫৫ চনত ভূপেন হাজৰিকা গৌৰীপুৰলৈ আহি লালজীৰ আতিথ্য গ্ৰহণ কৰে আৰু ৰাজহাউলীত সংগীতৰ আসৰ (সভা) অনুষ্ঠিত কৰে। য'ত প্ৰতিমা পাণ্ডে বৰুৱাক গীত গোৱাৰ বাবে লালজীয়ে অনুমতি দিয়ে। লালজীৰ ভাষাত—

> *‘অভদ্ৰলোকৰ গান, ছোট মানষিৰ গান।’ ৰাজবাৰীৰ ছোৱালী হৈ অভদ্ৰ লোকৰ গান গাব নালাগে। ৰাজপৰিয়ালৰ ছোৱালী নজৰুল গীতি, ৰবীন্দ্ৰ সংগীতহে গাব লাগে। কিন্তু লালজীয়ে কৈছিল — গাওক তাই, সবাই যদি ভদ্ৰলোকেৰ গান কৰে, অভদ্ৰলোকেৰ গান কায় কৰবে?’* [৫২]

পাছলৈ কিন্তু এই দেশীগান (অভদ্ৰলোকৰ গান) বুলি ভবা গীতক বোলছবি ‘এৰাবাটৰ সুৰ’ত অন্তৰ্ভুক্ত কৰিবৰ বাবে নামকৰণক লৈ বেমেজালিত পৰে। ফলত দেশীগানৰ নাম ১৯৫৮ চনত গোৱালপৰীয়া নামকৰণেৰে বোলছবিত বাণীৱদ্ধ কৰে। ১৯৯৩ চনত গোৱালপৰীয়া লোকগীত সম্পৰ্কত প্ৰতিমা পাণ্ডে বৰুৱাই ‘আমাৰ অসম’ বাতৰি কাকত যোগে গোৱালপৰীয়া লোকগীতক ‘ৰাজবংশী লোকগীত’ বুলি অভিহিত কৰে। প্ৰতিমা পাণ্ডে বৰুৱাই অবিভক্ত গোৱালপাৰা জিলাত বসতি কৰা কোচ-ৰাজবংশী লোকসমাজৰ গান, সেই কথা পোনপেটীয়াকৈ স্বীকাৰ কৰি গৈছে। তেখেতৰ ভাষাত—

> *‘মই কায়স্থৰ ঘৰৰ ছোৱালী হৈ ৰাজবংশী সংস্কৃতিক জীয়াই ৰাখিবলৈ*

*ৰাজবাৰীৰ প্ৰাচীৰ ভাঙি ওলাই আহিছোঁ। তেতিয়া কোনো এজন ৰাজবংশী ছোৱালীয়ে মোক সহায় সঙ্গদান কৰা নাছিল।'* [৫৩]

কিন্তু এই অঞ্চলত প্ৰচলিত লোক-সংগীতৰ প্ৰাচীন নাম 'দেশীগান।' শিৱানন্দ শৰ্মাই অবিভক্ত গোৱালপাৰা অঞ্চলৰ লোকগীতৰ নামকৰণ সম্পৰ্কে স্পষ্ট মত উল্লেখ কৰিছে—

*'অবিভক্ত গোৱালপাৰা জিলাত যিবোৰ লোকগীত আৰু লোকগীতিনাট্য প্ৰচলিত সেইবোৰৰ নাম দৰাচলতে 'দেশীগান'। একে গীত বা নাট উত্তৰবংগতো প্ৰচলিত। গতিকে গোৱালপৰীয়া গীত বুলিলে নামকৰণটো আধাৰুৱা হয়। গোৱালপৰীয়া নামটো আধুনিক। বাহিৰৰ পৰা জাপি দিয়া। শব্দটোত থলুৱা সুবাস নাই।'* [৫৪]

পশ্চিম অসমৰ লোক-সংগীত হৈছে নিৰক্ষৰ, অৰ্ধশিক্ষিত আৰু শ্ৰমজীৱি কৃষক মানুহৰ গীত। যিবোৰ গীত প্ৰাচীন কালৰ পৰা মানুহৰ মুখে মুখে প্ৰচলিত স্মৃতিৰ ৰোমন্থন হয়, যাৰ অৰ্থগত দিশ অনেক। ৰাতিপুৱা চকু মোহাৰি ওৰে দিনটো কৰ্মজীৱনৰ ব্যস্ততাৰ সতে সম্পৰ্কিত বিভিন্ন গীত, য'ত নিহিত হৈ থাকে জীৱনৰ সুখ-দুখ, আনন্দ আৰু সহজ মনৰ সহজ কথা। লোক-সংগীতৰ বিষয়বস্তু আৰু ভাবৰ ওপৰত ভিত্তি কৰি পশ্চিম অসমৰ লোক-সংগীতক কেবাটাও ভাগত ভাগ কৰিব পাৰি—

ক) দেহতত্বমূলক

খ) বিৰহ

গ) প্ৰেম

ঘ) মাহুত

ঙ) মইষাল

চ) কালা

ছ) ধেমেলীয়া আৰু

ঝ) ইছলাম ধৰ্মমূলীয় লোকগীত।

লোক-সংগীত হ'ল লোক-সংস্কৃতিৰ এটি উল্লেখযোগ্য উপাদান। শীলভদ্ৰৰ উপন্যাসত লোক-সংগীতৰ প্ৰয়োগ যথেষ্ট। সুযোগ আৰু সুবিধা বুজি কিছু চৰিত্ৰৰ মাজত লোক-

সংগীত ব্যৱহাৰ কৰিছে। লোকগীতৰ মাজত যে কোনো কৃত্ৰিমতা নাই, মনৰ মাজত স্বছন্দে ওলাই আহে, সেই কথা 'প্ৰাচীৰ' উপন্যাসত উল্লেখ কৰিছে—

*'গোৱালপাৰাৰ গাঁওবোৰত বহুতো মানুহে উশাহ লোৱা দৰে স্বচ্ছন্দে দোতোৰা বজাই লোকগীত গায়।'* [৫৫]

প্ৰতুল এজন ভাল দোতোৰা বাদক আৰু গায়ক। মনোৰঞ্জন বাবু গান মাষ্টৰ। নাৰায়ণ বৰদেউতা উচ্চাংগ সঙ্গীতৰ এজন নামকৰা ওস্তাদ। নটবৰ দোতোৰা বজাই গান গাই ফুৰা এজন সাধাৰণ গায়ক। শ্ৰোতা খাটি খোৱা শ্ৰমজীৱি সাধাৰণ মানুহ। কিন্তু এই গানৰ মাজত আছে জীৱন্ত প্ৰাণ। সুখ-দুখৰ লহৰ। ৰং-তামচা, হাঁহি-কান্দোন, প্ৰেম-প্ৰীতি, দেহতত্ত্বগত কথা, নাৰীমনৰ বিষাদগাঁথা জীৱনৰ চিত্ৰ আদি। কোৰ্ৱাতৰ গানত যে প্ৰাণ নাই, সেই কথা লেখকে সুন্দৰকৈ তুলি ধৰিছে এনেদৰে—

*'গানত তাৰ প্ৰাণ নাই। অত্যন্ত আত্মসচেতন আৰু আড়ষ্ট হৈ আছে। অলপ সময় শুনি থাকি প্ৰতুলে থিয় দিলে। যাব বোধহয়। মইয়ো উঠিলো। পিচে নহয়। হেঁচোক মাৰি কোৰ্ৱাতৰ হাতৰ পৰা দোতোৰাটো কাঢ়ি লৈ প্ৰতুলে ক'লে– কি মেওঁ মেওঁ কৰি আছোহে? চাওঁ, মোক দিয়া।'* [৫৬]

ইয়াৰ পিছত প্ৰতুলে দোতোৰাৰ দৰাজ কণ্ঠত এটাৰ পিছত এটা গীত আৰম্ভ কৰি দিয়ে—

*'হস্তীৰ কন্যা, হস্তীৰ কন্যা*
*বামুনেৰ নাৰী*
*মাথায় নিয়া তামকলসী,*
*ও সখী হাতে সোনাৰ ঝাৰী।'* [৫৭]

আকৌ একে গীতৰ পংক্তি 'আঁহতগুৰি' উপন্যাসত উল্লেখ কৰিছে—

*'হস্তীৰ কন্যাৰে,*
*খানিকো দয়া নাই মাহুতৰ লাগিয়াৰে।'* [৫৮]

এই গীত ফাঁকি বিৰহমূলক। বিৰহমূলক গীত মূলতঃ ৰস হৃদয়ৰ আনন্দময় মানসিক অৱস্থা। সাধাৰণত স্বামী বা প্ৰেমিকে স্ত্ৰী বা প্ৰেমিকা এৰি বহুদুৰত থাকে। মিলনৰ পৰিৱৰ্তে

বিচ্ছেদৰ আকাংশাই মনত স্থান লয়। এককথাত বিচ্ছেদৰ বেদনাই বিৰহমূলক গীত। অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত জমিদাৰী প্ৰথাৰ এটি উল্লেখনীয় দিশ আছিল হাতী চিকাৰ কৰা। হাতী চিকাৰৰ বাবে মাহুত সকলে ঘৰ-সংসাৰ তথা বিবাহিত পত্নী বা প্ৰেমিকাক এৰি ছমাহ বা এ বছৰৰ বাবে চিকাৰ লৈ ওলাই যায়। য'ত চিকাৰৰ স্থান নিৰ্ধাৰণ কৰে, তাত হাতী-মহল পাতে। হাতী মহলৰ ওচৰে-পাজৰে থকা ছোৱালীৰ লগত মাহুতৰ গঢ়ি উঠে প্ৰেমৰ সম্পৰ্ক তথা পৰকীয়া প্ৰেম। গতিকে পতিধনক হেৰুৱাৰ শংকা, ভয় জাগি উঠে হৃদয়ত, মিলনৰ হেপাঁহত হৃদয় আকুল হৈ পৰে। তদুপৰি 'পতিধন' নাৰীৰ পৰম দেৱতা। বিবাহিত নাৰীৰ পতিধনেই হ'ল আকাশৰ চন্দ্ৰ সদৃশ। পতিধন অবিহনে যে নাৰীৰ কেনো মূল্য নাই, নাই কেনো সৌন্দৰ্যৰ দাম, সেইকথা নাৰীমনৰ বেদনা স্বৰূপ লোকগীতত প্ৰকাশ পাইছে—

*'আকাশতে নাইৰে চন্দ্ৰ,*
*তাৰা কেমন জ্বলে;*
*যেও নাৰীৰ পুৰুষ নাই ও,*
*ও তাৰ ৰূপে কি কাম কৰে।'*[৫৯]

'অনুসন্ধান' উপন্যাসত অনুৰূপ আন এটা লোকগীত উল্লেখ কৰিছে—

*'মনেৰ আগুন জ্বলেয়া গেইলেন,*
*নিভিয়া গেইলেন না।'*[৬০]

আকৌ—

*'বৈঠা মাৰো, বৈঠা মাৰো ৰে,*
*আৰে ও বাইচাৰ ভাইয়াৰে–*
*ঝৰিয়া বৈঠা মাৰিয়া যাওৰে।'*[৬১]

'আগমনীৰ ঘাট' উপন্যাসত উল্লিখিত গীতটি হ'ল নাও খেলৰ গীত। ইয়াক শ্ৰমমূলক গীত বুলিব পাৰি। কাৰণ পশ্চিম অসমত নাও খেলৰ প্ৰচলন অধিক আছিল আৰু এতিয়াও ঠাই বিশেষে নাও খেলা অনুষ্ঠিত কৰা দেখা যায়।

নটবৰৰ লোকগীতেই জীৱিকাৰ সম্বল। দোতোৰা কান্ধত লৈ ইমূৰ পৰা সিমূৰলৈ গীত গাই ঘুৰি ফুৰে। গোৱালপাৰা অঞ্চলত প্ৰচলিত গীতত নটবৰ আত্মাহাৰা হৈ পৰে। দৰাজ কণ্ঠত

নটবৰে সেই সময়ৰ অৰ্থনৈতিক মন্দা অৱস্থা তথা দেশত আকাল (অভাৱ) ৰ চিত্ৰ প্ৰকাশিত এটি লোকগীত 'আগমনীৰ ঘাট' উপন্যাসত উল্লেখ কৰিছে—

*'নুট হইল, নুট হইল, নুট হইল ৰে*

*চীলমাৰীৰ বাজাৰ নুট হইল ৰে।*

*কত নাহ্‌ল, নহ্‌বন, কেহ্‌ৰাচিন তেল*

*সবে নিলে নুটিয়া।*

*কাইঞা কান্ধে মাথাত হাত দিয়া।'*[৬২]

আকৌ 'আহঁতগুৰি' উপন্যাসত নটবৰে গোৱা আন এটি লোকগীত—

*'ফান্দে পহ্‌ৰিয়া বগাহ্‌ কাহ্‌ন্দে।'*[৬৩]

পশ্চিম অসমত ধেমেলীয়ামূলক লোকগীতৰ প্ৰয়োগ দেখা যায়। বিশেষকৈ বিষহৰি পূজাৰ লগত জড়িত গোদা নামৰ কাল্পনিক চৰিত্ৰৰ আধাৰত ধেমেলীয়া লোকগীত 'প্ৰাচীৰ' উপন্যাসত উল্লেখ কৰিছে—

*'গোদা মাছ মাৰে ৰে*

*বাচিয়া মাৰে কৈ,*

*খাবাৰ বেলা খায় গোদা*

*কালা কচুৰ বৈ।'*[৬৪]

শীলভদ্ৰৰ উপন্যাসত উল্লিখিত লোকগীত সমূহ পশ্চিম অসম তথা অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত লোকগীত। ই কেৱল গোৱালপাৰাতে সীমাৱদ্ধ নহয়, অসমৰ লগতে পশ্চিম বংগ, বাংলাদেশতো ইয়াৰ প্ৰচলন আৰু জনপ্ৰিয়তা যথেষ্ট। তদুপৰি মাহুত-মৈষালৰ গীতে নহয়, পশ্চিম অসমত প্ৰচলিত পূজা-পাৰ্বনৰ লগত জড়িত গীত, উৎসৱ-অনুষ্ঠানৰ লগত জড়িত গীত, খেল-ধেমালিমূলক গীত, বিয়াগীত, মাছ মৰা গীত, মৰা ফেলা গীত, ছাওৱা ভুৰকা গীত, বাৰমাহী গীত যথেষ্ট আছে আৰু ইবোৰ নিজস্ব বৈশিষ্ট্যৰে ভৰপুৰ। এনে বৈশিষ্ট্যযুক্ত লোকগীত নিম্নশ্ৰেণীৰ গীত হিচাপে চিহ্নিত হৈ আহিছিল, যাৰ বাবে উচ্চ তথা অভিজাত শ্ৰেণীৰ বাবে এক প্ৰকাৰ নিষিদ্ধ আছিল। সমাজৰ বান্ধোন, বাধাৰ প্ৰাচীৰ ভাঙি ওলাই আহিছিল মানুহৰ মনৰ গান গাবলৈ, সাধাৰণ কৃষক সমাজৰ, খাটি খোৱা শ্ৰমজীৱি

মানুহৰ দৈনন্দিন জীৱনৰ চিত্ৰ সম্বলিত গীতবোৰৰ গভীৰতা বুজি পাই ঘৰৰ বাধা সত্ত্বেও গৌৰীপুৰৰ জীয়ৰী প্ৰতিমা পাণ্ডে বৰুৱাই গীতবোৰ গাবলৈ ল'লে। ফলত গোৱালপাৰা অঞ্চলৰ লোকগীত সৰ্বভাৰতীয় পৰ্যায়ত স্থান লাভ কৰিলে। যাৰ বাবে গোৱালপাৰা অঞ্চলৰ লোকগীতৰ জীৱন্ত ৰূপকাৰ বুলি ক'লে প্ৰতিমা পাণ্ডে বৰুৱাকে জনা যায়।

শীলভদ্ৰই উপন্যাসত সুযোগ বুজি গোৱালপাৰা অঞ্চলৰ লোকগীতৰ ব্যৱহাৰ কৰিছে। প্ৰতুল, নটবৰ, হাৰাণ, কাদেৰ, পৱন, কোব্বাত, চমচেৰ, ফয়েজ, মনচুৰ, ৰঘুনাথ আদিয়ে গোটেই দিনটো হাড়ভঙা পৰিশ্ৰম কৰি কেতিয়াবা পৰিশ্ৰম লাঘৱৰ বাবে বাবে, কেতিয়াবা মনোৰঞ্জনৰ বাবে দোতোৰা বজাই গীত গায়। গতিকে ধাৰণা হয়, গীতবোৰৰ প্ৰতি যে মানুহৰ আত্মাৰ টান আছে, গীতবোৰ শুনিলে আপোনা-আপুনি মনটো নাচি উঠে, আনন্দত আত্মাহাৰা হৈ পৰে, তাৰ উল্লেখ কৰিছে—

*'প্ৰতিমা পাণ্ডে বৰুৱাৰ গোৱালপৰীয়া লোকগীত শুনিলে সঁচাকৈ তেওঁ অভিভূত হৈ পৰে।'* [৬৫]

আকৌ—

*'গোৱালপাৰাৰ গাঁওবোৰৰ বহুতো মানুহে উশাহ লোৱাৰ দৰে স্বচ্ছন্দে দোতোৰা বজাই লোকগীত গায়। এই এটা বৃত্তি নহয়।'* [৬৬]

ইয়াৰ পৰা স্পষ্ট যে, লোকগীত সমূহ গোৱালপাৰা অঞ্চলৰ শ্ৰমজীৱি মানুহৰ জীৱনগাঁথা। য'ত শীলভদ্ৰৰ উপন্যাসত প্ৰতিনিধিত্ব কৰা চৰিত্ৰসমূহে সমগ্ৰ পশ্চিম অসমৰ জন-জীৱনৰ সামগ্ৰীক দিশ প্ৰতিফলিত কৰিছে।

**লোকশিল্প ঃ**

ভৌতিক সংস্কৃতিৰ অন্তৰ্গত লোকশিল্প (Folk Arts and Crafts) অন্যতম। ই মূলতঃ লোক জীৱনৰ হাতৰ কাম আৰু বিভিন্ন কাৰুকাৰ্য নিৰ্মাণ শৈলীৰ সৈতে জড়িত। য'ত প্ৰকাশ পায় সূক্ষ্ম নিৰ্মাণশৈলী আৰু নান্দিনিকতা। ইয়ে প্ৰকাশ কৰে বংশ তথা অঞ্চল ভিত্তিত ঐতিহ্য। লোকশিল্পৰ ভিতৰত মুখা শিল্প, কুঁহিলা শিল্প, বাঁহ-বেত শিল্প, মৃন্ময় শিল্প, চৰ্ম শিল্প, কাঠৰ শিল্প, ধাতু শিল্প, লোকখাদ্য দ্ৰব্য শিল্প আদি অন্যতম। কুঁহিলা শিল্প আৰু মৃৎশিল্পৰ

অন্তৰ্গত  বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি, আৰক্ষ, মুখা, ফুল-কদমা আদি নিৰ্মাণ শৈলী অন্যতম। বিশেষকৈ অবিভক্ত গোৱালপাৰা জিলাত মৃন্ময় আৰু কুঁহিলা শিল্পৰে বিখ্যাত। কুঁহিলাৰে নিৰ্মিত বিভিন্ন দেৱ-দেৱী— বিষহৰি, মনসা, কালী, কালীৰ মুখা, কদমা বা কদম ফুল, ষাইটৰ আদি অন্যতম। এই শিল্প নিৰ্মাণ শৈলীৰ কাৰিকৰসকল প্ৰধানতঃ ভূইমালী সম্প্ৰদায়ৰ। যাক মালাকৰ বুলি কোৱা হয়। আকৌ মৃন্ময় শিল্পৰ বাবে বিশ্বখ্যাত গৌৰীপুৰৰ অন্তৰ্গত আশাৰীকান্দি। আশাৰীকান্দি টেৰা-কটা শিল্প তথা মাটিৰে নিৰ্মিত বিভিন্ন মূৰ্তি, আচবাব, জীৱ-জন্তু, জীৱ-জন্তুৰ মুখা আদি অন্যতম।

লোকশিল্পৰ প্ৰয়োগ শীলভদ্ৰৰ উপন্যাসত সততে দেখা যায়। শীলভদ্ৰৰ ‘প্ৰাচীৰ’ উপন্যাসত গোৱালপৰীয়া শিল্পীয়ে সজা কালী গোসাঁনীৰ কুঁহিলাৰ মুখাৰ কথাৰ উল্লেখ পোৱা যায়। কেৱল  কালী গোসাঁনীয়ে নহয়, অবিভক্ত গোৱালপাৰা জিলাত বিষহৰি তথা মনসা পূজাৰ প্ৰচলন খুবে বেছি। মনসা পূজাৰ লগত কুঁহিলা শিল্পৰ সম্পৰ্ক ওচৰ চপা। কুঁহিলাৰে নিৰ্মিত কাণি বিষহৰি, ষাইটৰ, অষ্ট নাগ তথা সৰ্প, গোদা-গোদীৰ মূৰ্তিৰ প্ৰচলিত প্ৰথা বাবে সূক্ষ্ম কাৰুকাৰ্যৰে নিৰ্মাণ কৰাত গুৰুত্ব প্ৰদান কৰা দেখা যায়। তদুপৰি যাত্ৰা পূজাত কুঁহিলাৰ কদম ফুল বিভিন্ন ঘৰৰ দুৱাৰ, মন্দিৰ, ঠাকুৰথান আদিত বান্ধি দিয়া দেখা যায়। ই প্ৰধানতঃ শুভ লক্ষণৰ প্ৰতীক স্বৰূপ। জীৱিকা হিচাপে বনমালী মালাকৰে কুঁহিলাৰ কদম ফুল আৰু পুতুলা নিৰ্মাণ কৰিছিল। গতিকে কুঁহিলা শিল্পৰ লগত একশ্ৰেণীৰ মানুহৰ জীৱিকাও জড়িত হৈ আছে। সেয়ে কুঁহিলা শিল্প সম্পৰ্কে ঔপন্যাসিকে উল্লেখ কৰিছে—

> *‘সেই অঞ্চলৰ হস্তশিল্পৰ কথা। বিশেষকৈ মৃৎশিল্প আৰু কুঁহিলা শিল্প। মৃৎশিল্পৰ ভিতৰত পুতলা ঘোঁৰা। একেবাৰে স্থানীয় সৃষ্টি, শাশ্বত আৰু অপৰিৱৰ্তনীয়। কুঁহিলা লৈ তো যাদুৰ খেল। মূৰ্তি, মুখা, ফুল, কতৰকমৰ— সূক্ষ্ম কাৰুকাৰ্য। মনসা পূজাৰ সময়ত কুঁহিলাৰ নানা ধৰণৰ মূৰ্তি বনোৱা হৈছিল। মূৰ্তিবোৰ কেৱল যে পূজাৰ লগত সংশ্লিষ্ট তেনে নহয়। শিল্পবোৰে তেওঁলোকৰ শিল্প প্ৰতিভাক মুক্তভাৱে প্ৰকাশ কৰিছিল।’* [৬৭]

আকৌ অবিভক্ত গোৱালপাৰা জিলাৰ লোকশিল্পৰ স্থান উচ্চ পৰ্যায়ৰ। কিন্তু সমাজ পৰিৱৰ্তনৰ লগে লগে লোকশিল্পৰ প্ৰতি অনিহা মনোভাবে যে অস্তিত্ব বিলোপ কৰিব, সেই

কথা মনত ৰাখি গোৱালপাৰাৰ লোকশিল্পক সংৰক্ষণৰ বাবে গজানন ৰায়ে নিজা প্ৰচেষ্টাত নিজা ঘৰতে এটি সংগ্ৰহালয় স্থাপন কৰিছে। ঔপন্যাসিকৰ ভাষাত—

*'গজানন ৰায়ৰ শান্তিনগৰৰ ঘৰটোক এটা শিল্পৰ সংগ্ৰহালয় বুলি ক'ব পাৰি। বিশেষকৈ তেওঁৰ গোৱালপৰীয়া লোকশিল্পৰ সংগ্ৰহ বোধহয় একমাত্ৰ অকৃত্ৰিম আৰু প্ৰামাণ্য সংগ্ৰহ।'*[৬৮]

**লোকাচাৰ ঃ**

লোকাচাৰ বংশানুক্ৰমে প্ৰচলিত এক ৰীতি-নীতি। সহজ কথাত লোক সমাজৰ অনুশাসন। ইয়ে সমাজ এখনক সংঘৰদ্ধ কৰি ৰখাত সহায় কৰে। সু-শৃংখল জীৱন-যাপন কৰিবৰ বাবে সমাজত লোকাচাৰৰ প্ৰচলন প্ৰাচীন কালৰ পৰাই চলি আহিছে। ই সামাজিকভাৱে কোনো শুভকৰ্ম তথা মাঙ্গলিক অনুষ্ঠান সম্পন্ন কৰাৰ উদ্দেশ্য পালন কৰা আচাৰ-অনুষ্ঠানকে লোকাচাৰ বুলিব পাৰি। লোক সমাজত জন্ম, মৃত্যু, বিয়াকেন্দ্ৰিক লোকচাৰ, কৃষিকেন্দ্ৰিক লোকাচাৰ, নাৰীকেন্দ্ৰিক লোকাচাৰ, উৎসৱ-অনুষ্ঠানমূলক লোকাচাৰ, ঘৰুৱা লোকাচাৰ আদি লোক সমাজত প্ৰচলিত লোকাচাৰ অনেক পোৱা যায়। অঞ্চলভেদে লোকাচাৰ সমূহৰ কিছু কিছু অদল-বদল দেখা যায়। তদুপৰি জীৱনৰ নিত্য-নৈমিত্তিক বিভিন্ন ঘটনা, পূজা, আচাৰ-নীতি, সংস্কাৰৰ স'তে লোকাচাৰ জড়িত। লোকাচাৰৰ অন্তৰালত লোকবিশ্বাস জড়িত। সেয়ে লোকাচাৰ আৰু লোকবিশ্বাস পৰস্পৰ সম্পৰ্কযুক্ত। শীলভদ্ৰৰ উপন্যাসত বিভিন্ন ধৰণৰ লোকাচাৰৰ উল্লেখ পোৱা যায়।

বিয়াকেন্দ্ৰিক লোকাচাৰ এটি হ'ল 'বেছি খোৱা' প্ৰথা। বিয়া হৈছে জীৱন আৰু সমাজৰ সু-শৃখংলাৰদ্ধ পদ্ধতি। পশ্চিম অসমত বিয়াৰ স'তে জড়িত প্ৰাচীন প্ৰথা আছিল 'পণ প্ৰথা'। অৰ্থাৎ ল'ৰা এজনে ছোৱালী এজনীক বিয়া কৰিব লগা হ'লে ছোৱালীৰ পিতৃ-মাতৃ তথা অভিভাৱকক যৌতুক তথা আগধন দি হে বিয়া কৰিব লাগিছিল। ই সম্পূৰ্ণৰূপে ধ্বনাত্মক দিশ আছিল যদিও বঙ্গীয় প্ৰভাৱত পৰি পশ্চিম অসমত ইয়াৰ ওলোটা প্ৰভাৱ পৰে। বৰ্তমান ছোৱালী এজনী বিয়া দিব লগা হ'লে প্ৰচুৰ অৰ্থৰ প্ৰয়োজন। গতিকে পশ্চিম অসমৰ কৃষিজীৱি লোক সমাজ দিনে দিনে ছোৱালীক বিয়া দিবৰ বাবে মাটি বিক্ৰী কৰি জুৰুলা হৈ পৰিছে। গতিকে

ছোৱালী বিয়া দিয়াটো পিতৃ-মাতৃৰ বাবে চিন্তনীয় বিষয়। প্ৰাচীন কালৰ পৰাই ‘বেছি খোৱা’ পৰম্পৰা পশ্চিম অসমত চলি আহিছে। ‘বেছি খোৱা’ মানে ছোৱালীৰ বিয়া দিয়া। শীলভদ্ৰই ‘আগমনীৰ ঘাট’ উপন্যাসত বৰ্ণনা কৰিছে—

> *‘সিফালৰ নিম্নতৰ সম্প্ৰদায়ৰ মানুহৰ মাজত ছোৱালী বিয়া দি পইচা লোৱাৰ প্ৰথা আছে। ছোৱালী বিয়া দিয়াৰ প্ৰতিশব্দই হ’ল ‘বেছি খোৱা’ অৰ্থাৎ বিক্ৰি কৰা। দৰাই পাঁচ কুৰি, সাত কুৰি, যি ঠিক হয় সেইভাৱে টকা দিব লাগে।’*[৬৯]

আকৌ উল্লেখ কৰিছে—

> *‘পাঁচশ টকা দিলেও নহ’ব । হাজাৰ টকা দিলেও নহ’ব। একমাত্ৰ ছোৱালী মণ্ডলৰ। ছোৱালী ‘বেছি খোৱাৰ’ অৰ্থাৎ বিক্ৰি কৰাৰ দৰকাৰ নাই। তেওঁৰ যি মাটি বাৰী আছে সকলো ছোৱালীৰেই।’*[৭০]

‘ঢোকা বিয়া’ পশ্চিম অসমৰ এটি উল্লেখনীয় বিয়াৰ ভাগ। ইয়াৰ আন এটি নাম ‘ঘৰঢোকা’। এই বিয়া মূলতঃ ছোৱালীয়ে ল’ৰাৰ ঘৰত উপযাচি সোমায় নাইবা ল’ৰাই উপযাচি ছোৱালীৰ ঘৰত সোমায়, যাক কোৱা হয় ঘৰ জামাই অৰ্থাৎ ঘৰ জোৱাঁই। এনেদৰে হোৱা বিয়া প্ৰথাক কোৱা হয় ঢোকা বিয়া। ‘মধুপুৰ’ উপন্যাসত ঢোকা বিয়া সম্পৰ্কে উল্লেখ কৰিছে—

> *‘ঢোকা নেকি? ঢোকা নেকি? অৰ্থাৎ ঘৰ-জোঁৱাই নেকি?’*[৭১]

ঠিক তেনেদৰে বিয়াৰ লগত সিন্দুৰৰ সম্পৰ্ক নিবিড়। বিবাহিত নাৰীয়ে সিন্দুৰৰ ফোট লোৱা প্ৰথা অতি প্ৰাচীন। যদি কোনো বিবাহিত নাৰীয়ে শিৰত সিন্দুৰ নলয়, তেতিয়া হ’লে সমাজৰ বাবে নিন্দনীয়। শীলভদ্ৰৰ ‘আহঁতগুৰি’ উপন্যাসত বৰ্ণনা কৰিছে—

> *‘বিয়া হোৱা ছোৱালীয়ে শিৰত সিন্দুৰ নলয় কিয়?’*[৭২]

আকৌ উল্লেখ কৰিছে—

> *‘তোমাৰ এলাও বিয়া হয় নাই বিয়া হোৱা বুলি শুনি আৰু আচৰিত। তৎক্ষণাৎ প্ৰশ্ন কৰিলে— মাথাত সিন্দুৰ নাই কেনে?’*[৭৩]

পশ্চিম অসমত জাত-পাত, উচ্চ-নীচ ভেদভাব এটি প্ৰচলিত ৰীতি আছিল। ই সামাজিকভাৱে লোকাচাৰত পৰিণত হৈছিল। উচ্চ বৰ্ণৰ মানুহে নিম্ন বৰ্ণৰ মানুহক সততে

উপলুঙা কৰিছিল। বাহ্মণ, কায়স্থ, ক্ষত্রিয়, শূদ্র, মুছলমান, জনজাতীয় মূলৰ মানুহ আদি বিভিন্ন ভাগত বিভক্ত কৰিছিল। নিম্ন বৰ্ণৰ মানুহ উচ্চ বৰ্ণৰ মানুহৰ ঘৰত গ'লে থিয় হোৱা ঠাইডোখৰ গোবৰ পানীৰে মুচি দিছিল। 'প্ৰাচীৰ' উপন্যাসত জনজাতীয় চৰিত্ৰ হ'ল বাংথাই। পঢ়াশুনাত চোকা। চৰকাৰৰ পৰা জলপানি লাভ কৰিবলৈ যোৱাত শিক্ষক এজনে উপলুঙাসূচক মন্তব্য কৰিছে—

*'আপোনাৰ কুল কি হা?*

*কুল? কুল মানে কি?*

*মানে জাতিকুল। মই যদি অসমীয়া হিন্দু তেনেহ'লেমোৰ জাতি কি?*

*বাহ্মণ, কায়স্থ নে কলিতা?'* [৭৪]

প্ৰায়শ্চিত্য হ'ল সামাজিকভাৱে কোনো দায়-দোষ কৰিলে দণ্ড ভোগ কৰা আৰু প্ৰায়শ্চিত্য কৰি সমাজৰ একে শাৰীত থিয় হোৱা প্ৰথা অতি প্ৰাচীন। জমিদাৰকালীন গৌৰীপুৰৰ সমাজ-ব্যৱস্থাতো দায়-দোষ তথা উচ্চ বৰ্ণৰ মানুহে নীচ জাতৰ ঘৰত খোৱা বা একেলগে বহি খোৱা প্ৰথা সামাজিকভাৱে বজৰ্নীয় আছিল। 'গধূলি' উপন্যাসত বৰ্ণিত উচ্চ বৰ্ণৰ অমৰে পংক্তিভোজনত অংশ গ্ৰহণ কৰি নীচ বৰ্ণৰ মানুহৰ সতে একেলগে বহি ভাত খোৱাৰ কথা মহাদেৱ বৰুৱাৰ মাকে গম পাই হুলস্থুল আৰম্ভ কৰিলে। কাৰণ অমৰে প্ৰায়শ্চিত্য কৰি শুচি হ'ব লাগিব। শীলভদ্ৰই মহাদেৱ বৰুৱাৰ মাকৰ চৰিত্ৰত বৰ্ণিত কৰিছে —

*'গোবৰ খাই প্ৰায়শ্চিত্য কৰিব লাগিব। কথা হ'ল নেকি? মুচি-মেতৰৰ লগত*

*একেলগে বহি ভাত খাই আহিছে। জাতি-ধৰ্ম ক'ত থাকিল?'* [৭৫]

সামাজিক লোকাচাৰৰ ভিতৰত প্ৰচলিত আন এটি লোকাচাৰ হ'ল 'সেৱা প্ৰথা'। বিশেষকৈ সৰুয়ে ডাঙৰক সেৱা কৰা, অতিথি ঘৰলৈ আহিলে সেৱা কৰা, ভাত খাবলৈ দি ঘৈণীয়েক বা বোৱাৰীয়ে সেৱা কৰা প্ৰথা প্ৰচলিত হৈ আহিছে। শীলভদ্ৰই 'আগমনীৰ ঘাট' উপন্যাসত সুন্দৰ বৰ্ণনা তুলি ধৰিছে—

*'চোতাল নিকাকৈ মচি তাতেই পীৰা পাৰি ভাত দিছিল। গণেশৰ পৰিবাৰে*

*ভাত আঞ্জা আনি দি দূৰৰ পৰা আঠু লৈ সেৱা কৰিলে।'* [৭৬]

নাৰীকেন্দ্ৰিক লোকাচাৰৰ ভিতৰত পশ্চিম অসমত বিশেষভাৱে প্ৰচলিত লোকাচাৰ হ'ল

হুদুমদেউৰ পূজা আৰু কাতিকা পূজা। হুদুমদেউৰ পূজা কৃষিকেন্দ্রিক লোকাচাৰৰ অন্তর্গত। ই মূলত বৰণ দেৱতাক সন্তোষ আৰু বৰষুণ ধৰিত্রীলৈ নমাই আনিবৰ বাবে আৰু মাটিৰ উর্ব্বৰা বৃদ্ধিৰ বাবে হুদুম পূজা কৰা হয়। আনহাতে কাতিকা পূজা সন্তান লাভৰ মনোকামনাৰে কৰা হয়। এই দুয়ো পূজাত প্রচলিত ৰীতি-নীতি সম্পূর্ণৰূপে নাৰীকেন্দ্রিক। পুৰুষৰ প্ৰৱেশ নিষিদ্ধ।

**লোকখাদ্য ঃ**

মানৱ সমাজ জীয়াই থকাৰ অন্যতম দ্রব্য খাদ্য। খাদ্য অবিহনে মানুহ জীয়াই থকা অসম্ভৱ। খাদ্য সম্ভাৰে কোনো জাতি বা জনগোষ্ঠীৰ পৰিচয় বহন কৰে। যি খাদ্যভাসৰ অন্তৰালত লুকাই থাকে নৃ-তাত্ত্বিক পৰিচয়। লোক সমাজত লোকখাদ্যৰ খাদ্য নির্মাণ তথা প্রস্তুতকৰণ প্রক্রিয়া, খাদ্য সংগ্ৰহৰ ধৰণ, খাদ্য সংৰক্ষণ প্রক্রিয়া (Food Preservation System) পদ্ধতি সুকীয়া সুকীয়া। অবিভক্ত গোৱালপাৰা জিলাৰ লোকখাদ্য সম্ভাৰ বিশেষকৈ পিঠা-পনা, আঞ্জা-ব্যঞ্জন, মাছ-মাংস, শাক-পাচলি, শুকান খাদ্য প্রস্তুত আৰু সংৰক্ষণৰ ক্ষেত্ৰত অন্যতম। অবিভক্ত গোৱালপাৰা জিলাৰ দোমাহী তথা পুষণা উৎসৱত খোৱা পর্বৰ যি পৰম্পৰা, তাত বিভিন্ন প্রকাৰ পিঠা, লাড়ু, আখৈ, মুড়ি-মোলা, সিমাভাত আদিৰ প্রস্তুতকৰণ প্রক্রিয়া আৰু প্রস্তুতি , পুহ মাহৰ সংক্রান্তিৰ দহ-বাৰ দিনমান আগৰ পৰা আৰম্ভ হয়। তদুপৰি খাদ্য হিচাপে মাছ মৰা, ঘৰত পোহা হাঁহ-পাৰ, কুকুৰা-ছাগলী আদিৰ উপৰিও খেতি-বাতি কৰি শাক-পাচলি উৎপাদন, হাবি-জংগলৰ পৰা বিভিন্ন প্রকাৰৰ শাক-পাচলি সংগ্রহ, মাছ-মাংস শুকান কৰি সংৰক্ষণ কৰা পদ্ধতি, শুকান মাছৰে তৈয়াৰ কৰা ছিদল আদি অবিভক্ত গোৱালপাৰা জিলাৰ অন্যতম লোকখাদ্য।

শীলভদ্রৰ উপন্যাসত লোক সমাজত প্রচলিত লোকখাদ্যৰ আভাস বহলভাৱে পোৱা নাযায় যদিও উপন্যাসসমূহৰ মাজে মাজে লোকখাদ্যৰ কিছু আভাস নিদিয়াকৈ থকা নাই। ‘অনুসন্ধান’ আৰু ‘আহঁতগুৰি’ উপন্যাসত মাদকদ্রব্য হিচাপে ধপাত গাঞ্জা, চিগাৰেট, বিড়ি আৰু মদপান কৰাৰ কথা উল্লেখ কৰিছে। লোক সমাজৰ হালোৱা-চালোৱা আৰু শ্রমিকসকলে কামৰ মাজে মাজে ধপাত সেৱনে পৰিশ্রম লাঘৱ কৰা কথাটো সর্বজনবিদিত। শাক-পাচলিৰ ভিতৰত ঢেকীয়া শাক, ঔ-টেঙা, কোমোৰা, জিকা, লাও, আলু, বেঙেনা, ফুলকবি আদিৰ উল্লেখ পোৱা

যায়। লোকখাদ্য প্ৰস্তুত প্ৰক্ৰিয়া যেনে — ধান বানি চাউল উলিওৱাৰ উপৰিও অবিভক্ত গোৱালপাৰাৰ জিলাৰ কাসুন্দা প্ৰস্তুত অন্যতম। কাসুন্দা মূলতঃ সৰিয়হ বাটি বা গুড়ি কৰি সৰিয়হ তেল, হালধি আৰু অলপ মান নিমখ দি সানি বাঁহৰ চুঙা বা বটলত সোমাই থৈ দিয়ে। কাসুন্দা সম্পৰ্কত শীলভদ্ৰই 'অবিচ্ছিন্ন' উপন্যাসত উল্লেখ কৰিছে—

*'দাসগুপ্ত মামাৰ ঘৰত 'কাসুন্দা' বনাইছিল। সৰিয়হ, আম আৰু কি কি দিয়ে নাজানো। সকলোৱে হেনো বনাব নোৱাৰে।'*[৭৭]

খাদ্য খোৱাৰ ঢং তথা ধৰণ সুকীয়া। বিশেষকৈ গ্ৰাম্য জীৱনৰ শ্ৰমিক শ্ৰেণীয়ে দুই তিনিদিন ধৰি লঘোণে থকাৰ পাছত যেতিয়া খাবলৈ পায়, তেতিয়া তেওঁলোকে নাষ্টি উল্টিয়া খোৱা অৰ্থাৎ টুটি লৈকে খোৱাৰ উল্লেখ কৰিছে—

*'মুই তো এটি নাষ্টি উল্টিয়া খাবাৰ ধইৰছং। ঘৰত সগায় উপাসে আছে। তিন দিন হাতে ঘৰত ভাত নাই।'*[৭৮]

লোকখাদ্যৰ বৈশিষ্ট্যগত দিশৰ পৰাও অবিভক্ত গোৱালপাৰা জিলা অন্যতম। শুকান খাদ্য, পনীয়া খাদ্য, পুৰি খোৱা আদি খাদ্যকেন্দ্ৰিক লোক-বিশ্বাস, ট্যাবু, প্ৰবাদ আদি পোৱা যায়। উদাহৰণ স্বৰূপে—'খালী পেটে জল, ভৰা পেটে ফল।' গতিকে দেখা যায় যে গোৱালপাৰা জিলাত প্ৰচলিত লোকখাদ্য সম্পৰ্কীয় লোকখাদ্যৰ ভিতৰত মাছ পোৰা খোৱা অবিভক্ত গোৱালপাৰা জিলাৰ অন্যতম লোকখাদ্য।

**লোকবিশ্বাস ঃ**

কোনো বস্তু বা বিষয় গুণৰ ধাৰণাৰ পৰা বিশ্বাসৰ জন্ম। বাস্তৱৰ ভেটিত যি বিশ্বাস প্ৰতিষ্ঠিত হয়, ই তেতিয়া বিশ্বাসৰ অঙ্গ হৈ তাৰ পৰা জ্ঞান আহৰণ কৰিব পৰা যায়। কিন্তু কোনো বস্তু বা বিষয় গুণৰ ধাৰণাৰ পৰা অজ্ঞাত মন যেতিয়া বিষয়, ভাব বা কোনো ঘটনাৰ গুণ ধৰ্ম সম্পৰ্কে অমূলক বিশ্বাস কৰা হয়, তেতিয়া ই হৈ পৰে অন্ধবিশ্বাস। অৰ্থাৎ কৰিব নাপায়, নকৰিবা, অমঙ্গল হ'ব, শনিবাৰে যাত্ৰা নকৰিবা ইত্যাদি শব্দ, বাক্যবোৰৰ অন্তৰালত লুকাই থাকে লোকবিশ্বাস। অৰ্থাৎ মানুহৰ মানসিক দুৰ্বলতা, ভয়, শংকা, শুভ আদিৰ পৰাই লোক-বিশ্বাসৰ উদ্ভৱ। লোকবিশ্বাস লোকসমাজৰ ধ্যান-ধাৰণাৰ সতে যুক্ত আৰু লোক-সংস্কাৰ

আচাৰ-আচৰণৰ সতে যুক্ত। পশ্চিম অসমত প্ৰচলিত লোকবিশ্বাস যথেষ্ট। ক'ৰবাত যাত্ৰা কৰি ওলালে বাটত বাঁহ দেখিলে যাত্ৰা অশুভ হয়, আকৌ মৰা মানুহ দেখিলে যাত্ৰা শুভ হয় বুলি প্ৰচলিত লোকবিশ্বাস চলি আহিছে। তদুপৰি লোক-চিকিৎসাৰ সহায়ত ৰোগ নিৰাময়,যাদুকেন্দ্ৰিক জৰা-ফুকা, পানী জাৰি দিয়া, ভূত-প্ৰেত তথা দেও ধৰা, দেও এৰা তন্ত্ৰ-মন্ত্ৰ, ওজাৰ দ্বাৰা ৰোগ-নিৰাময় আদিৰ এক প্ৰচলিত পৰম্পৰাগত লোকবিশ্বাস শীলভদ্ৰৰ উপন্যাসত দেখিবলৈ পোৱা যায়।

জীৱ-জন্তুৰ হাড়-ছাল, পূজা-পাৰ্বন আদিৰ লগত জড়িত অপায়-অমঙ্গলসূচক লোকবিশ্বাস অনেক। বাগানীয়া সমাজত বাঘৰ হাড়ক লৈ লোকবিশ্বাস প্ৰচলিত আছে। বাঘৰ গাত 'লাকিবোন' বুলি হাড় থাকে। সেই হাড়ডাল লগত থাকিলে কোনো অপায়-অমঙ্গল নহয় বুলি বিশ্বাস জড়িত। কালী পূজা, হুদুম পূজা, সোণাৰায় পূজা, কাতিকা পূজা ইত্যাদি পূজা বিষয়ক লোকবিশ্বাস জড়িত। শীলভদ্ৰৰ 'তৰংগিনী' উপন্যাসত বাঘৰ হাড় সম্পৰ্কে বৰ্ণনা কৰিছে—

> *'মাংস লোৱাৰ কাৰণে মজদুৰৰ মাজত হেতাওপৰা। ইফালে 'লাকিবোন' কোনে ল'ব সেই লৈ কনক ড্ৰাইভাৰ আৰু হাজিৰা মহৰীৰ মাজত কাজিয়া। কান্ধৰ কাষত ক'ৰবাত থাকে হাড়ডোখৰ। লগত থাকিলে কোনো অপায়-অমঙ্গলে চুব নোৱাৰে।'*[৭৯]

কালী পূজা কৰিলে অমঙ্গল দূৰ হয়, বেমাৰ ভাল হয়, হুদুম পূজা কৰিলে বৰষুণ হয়, কাতিকা পূজা কৰিলে সন্তান লাভৰ বৰ পোৱা যায় ইত্যাদি লোকবিশ্বাসৰ প্ৰভাৱ পশ্চিমত অসমত সততে দেখা যায়। মানুহ বিপদত পৰিলে ঈশ্বৰৰ কথা মনত পৰে, ৰোগত ভুগি থাকিলে দেৱ-দেৱীক স্মৰণ কৰে, তথা পূজা কৰা লোক প্ৰথা প্ৰচলিত নিয়ম। 'অবিচ্ছিন্ন' উপন্যাসত কালী পূজা সম্পৰ্কত লোক-বিশ্বাসৰ বিস্তাৰিত বৰ্ণনা পোৱা যায় —

> *'গাঁৱৰ মানুহ এজনৰ অসহ্য পেটৰ বিষ। বিষত থাকিব নোৱাৰে। মা-কালীক কাতৰ প্ৰাৰ্থনা জনালে—'হে মা, মোৰ পেটৰ বিষ ভাল কৰি দিয়া তোমাক এহাল ম'হ দিম।'*[৮০]

কিন্তু মানুহজনৰ পেটৰ বিষ ভাল হ'ল, ম'হ নিদিলে, সপোন দেখুৱালে, ম'হৰ সলনি ছাগলী এযোৰ বিচাৰিলে, ছাগলীও নিদিলে, পাৰ এযোৰ বিচাৰিলে পাৰ নিদিলে, শেষত এযোৰ

ফৰিং বিচাৰিলে, তাকো নিদিলে। ধাত্ৰী চৰিত্ৰৰ মুখত এই কাহিনী বৰ্ণিত লোকবিশ্বাস পশ্চিম অসমত সততে দেখা যায়।

গৌৰীপুৰৰ মাঝিপাৰা অঞ্চলত কলেৰাই মহামাৰীৰ ৰূপ ধাৰণ কৰাত লোক সমাজে চিকিৎসাৰ পৰিৱৰ্তে নাম-কীৰ্তন কৰি আৰোগ্য লাভ কৰাৰ বৰ্ণনা পোৱা যায় —

> *'মাঝিপাৰাত গোটেই ৰাতি নাম-কীৰ্তন। বুজা গ'ল কলেৰা ভালদৰে আৰম্ভ হৈছে। এওঁলোকৰ দৰৱ পাতিৰ ওপৰত বিশ্বাস নাই, পূজা-পাতাল এইবোৰৰ ওপৰতে আস্থা।'*[৮১]

তন্ত্ৰ-মন্ত্ৰৰ প্ৰতি বিশ্বাস অতি প্ৰাচীন। বৰ্তমানো তন্ত্ৰ-মন্ত্ৰৰ প্ৰতি বিশ্বাস আৰু আস্থা দেখা যায়। সমাজত তান্ত্ৰিক সকলে সাধাৰণ মানুহক মোহাচ্ছন্ন কৰাৰ উপৰিও শিক্ষিত, চিকিৎসক মানুহকো মোহাচ্ছন্ন কৰিব পাৰে, তাৰ উল্লেখ শীলভদ্ৰই 'অবিচ্ছিন্ন' উপন্যাসত কৰিছে—

> *'বুজিছ ধন, ইয়াৰ সন্নাসী এজনে মন্ত্ৰপুত চাউল কেইটামান দিছে। তাকে খাই কিছুদিনৰ পৰা বেছ উন্নত হৈছে।'*[৮২]

লোক সমাজত দেও-ভূত সম্পৰ্কীয় বিশ্বাস পশ্চিম অসমত যথেষ্ট। অন্ধবিশ্বাসৰ বলি হৈ কবিৰাজৰ হতুৱাই দেও-ভূত এৰাবলৈ বিভিন্ন পদ্ধতি তথা প্ৰক্ৰিয়া পশ্চিম অসমত দেখিবলৈ পোৱা যায়। কাৰোবাৰ গাত ভূত লম্ভা বুলি অনুমান কৰিলে, কবিৰাজে বিশেষ মন্ত্ৰপুত তাবিজ পৰিধান কৰিবলৈ দিছিল। এই চিকিৎসা পদ্ধতি প্ৰধানতঃ বিশ্বাসৰ লগত জড়িত। কম-বেছি পৰিমাণে এতিয়াও লোক সমাজত দেখিবলৈ পোৱা যায়। 'আঁহতগুৰি' উপন্যাসত শঙ্কৰ নামৰ চৰিত্ৰটিৰ সংলাপত পোৱা যায়—

> *'দেও এটাই মোৰ পিছ লৈছে। মই জানো কোনে মোৰ পিছত দেও লগাইছে। পিছে মোৰ একো কৰিব নোৱাৰে। মোৰ ডিঙিত এই যে তাবিজটো দেখিছা ই বৰ সাংঘাতিক বস্তু। এইটো থাকিলে ভূত-প্ৰেত কোনোৱে মোক চুব নোৱাৰে।'*[৮৩]

'তৰংগিনী' উপন্যাসত দেও-ভূতৰ লোকবিশ্বাস সম্পৰ্কত উল্লেখ কৰিছে—

> *'মাইকীটোকে দেও ধৰিছে। ওজা নলগালে মৰি যাবে হাকিম। বাচ্চাটাকে খালে আভি মাইকীটোকেভি খোৱাৰ মতলব।'*[৮৪]

**ভাষিক উপাদান ঃ**

ভাষা হ'ল সাহিত্যৰ ধাৰক আৰু বাহক। সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত নিত্য ব্যৱহাৰ্য ভাষা আৰু সেই ভাষাৰ প্ৰধান উপাদান স্বৰূপ শব্দৰ অৰ্থৱহ ৰূপদান, সেই ৰূপদান প্ৰক্ৰিয়াক আশ্ৰয় কৰিয়েই কথাসাহিত্যৰ মাজেৰে নিজৰ বক্তব্য আৰু অনুভূতি প্ৰকাশ কৰে। বিশেষকৈ আঞ্চলিক ভাষিক ৰূপৰ ব্যৱহাৰে বিষয়বস্তুৰ বক্তব্য, চৰিত্ৰ আৰু সৃষ্ট পৰিৱেশক সুন্দৰ ৰূপত প্ৰতিফলিত কৰে। কিন্তু অসমীয়া কথাশিল্পী সকলে উপন্যাস বা চুটিগল্প ৰচনা ক্ষেত্ৰত অসমীয়া ভাষাক মূল আধাৰ হিচাপে লয়। অসমীয়া ভাষাত প্ৰয়োগ হোৱা তদ্ভৱ, তৎসম, অৰ্ধতৎসম আৰু বিদেশী ভাষাৰ ব্যৱহাৰ কৰা হয়। কিন্তু যুদ্ধোত্তৰ যুগৰ কথাসাহিত্যত অসমৰ থলুৱা ভাষা, আঞ্চলিক ভাষাৰ কথ্যৰূপৰ প্ৰয়োগ এটি মনকৰিবলগীয়া উপাদান। সাম্প্ৰতিক কালত জনজাতীয় ভাষাৰ প্ৰয়োগও দেখা যায়। অসমীয়া সমাজৰ মধ্যবিত্ত, নিম্নমধ্যবিত্ত, খাটি খোৱা সহজ-সৰল মানুহৰ মুখৰ নিভাঁজ ভাষাৰ কৃত্ৰিমতা বৰ্জিত প্ৰয়োগ যথেষ্ট। য'ত ফুটি উঠে ভাষাৰ বৈচিত্ৰ্যগত বৈশিষ্ট্য। শীলভদ্ৰ আঞ্চলিক লোক ভাষা প্ৰয়োগত দক্ষ। সেয়ে শীলভদ্ৰৰ উপন্যাসৰ ভাষা হ'ল এটি উল্লেখযোগ্য লোক-উপাদান। ঔপন্যাসিক শীলভদ্ৰই উপন্যাসত অসমীয়া ভাষাৰ ব্যৱহাৰৰ মাজেদি য'তেই সুযোগ পাইছে, তাতেই থলুৱা ভাষা তথা আঞ্চলিক ভাষাৰ কথ্যৰূপ ব্যৱহাৰ কৰিছে।

শীলভদ্ৰৰ উপন্যাসত ব্যৱহৃত লোকভাষাৰ উপাদানসমূহ হ'ল—

ক) লোকগীত

খ) প্ৰবাদ-প্ৰবচন

গ) বিভিন্ন আঞ্চলিক শব্দ (যেনে— সম্বন্ধবাচক শব্দ, গালিবাচক শব্দ)

ঘ) সাধুকথা বা কেচ্চা

ঙ) মন্ত্ৰ

**ক) লোকগীত ঃ**

লোকভাষাৰ এটি অন্যতম উপাদান হ'ল লোকগীত। লোকগীত আঞ্চলিক গন্ধী, কোনো এক ভৌগোলিক সীমাৰেখাৰ অন্তৰ্গত বসতি কৰা কোনো এক বিশেষ জাতি বা গোষ্ঠীৰ সমাজ জীৱন চিত্ৰৰ সমল স্বৰূপ। ই মূলতঃ মৌখিক বাবে লোকগীতৰ লিখিত ৰূপ

সদায় যি অঞ্চলৰ গীত, সেই অঞ্চলৰ আঞ্চলিক ভাষাতহে দিব লাগে। তেতিয়াহে লোকভাষা বা আঞ্চলিক ভাষাৰ উচ্চাৰণ শৈলী নির্ভুলভাৱে উপলব্ধ কৰিব পৰা যায়। সেয়ে লোকগীতৰ এটি প্ৰধান চৰ্ত সঠিক বা নিৰ্ভুল উচ্চাৰণ। সঠিক বা নিৰ্ভুল উচ্চাৰণ অবিহনে লোকভাষাৰ ৰূপ অস্পষ্ট। শীলভদ্ৰৰ উপন্যাসসমূহত ব্যৱহৃত গৌৰীপুৰকেন্দ্ৰিক লোকগীতৰ সঠিক প্ৰয়োগ দেখা যায়, য'ত প্ৰকাশিত হৈছে লোকভাষিক বৈশিষ্ট্য।

শীলভদ্ৰৰ উপন্যাসসমূহত ব্যৱহৃত লোকগীত প্ৰতুলে গোৰা 'হস্তীৰ কন্যা'ৰ পৰা আৰম্ভ কৰি নটবৰে গোৰা লোকগীতৰ মাজেৰে গোৱালপাৰাকেন্দ্ৰিক ভাষাৰ ভাষিক বৈশিষ্ট্য স্পষ্ট ৰূপত প্ৰকাশ পাইছে । ঔপন্যাসিকে লোকভাষা ব্যৱহাৰ সম্পৰ্কত উল্লেখ কৰিছে —

> *'ন হ'ল 'ল'। গানৰ শব্দবোৰ মোৰ ঠিক মনত নাই। অৰ্থ হ'ল যে চীলমাৰীৰ বজাৰ লুট হ'ল। মনকৰিবলগীয়া কথা এই যে লুটৰ বস্তু হ'ল লালী, লৱণ আৰু কেৰাচিন তেল। গাঁৱৰ মানুহৰ বজাৰৰ পৰা কিনিবলগীয়া আটাইতকৈ লাগতিয়াল বস্তু। সহজ মানুহৰ সহজ প্ৰাণৰ কথা, অলপো কৃত্ৰিমতা বা পালিচ নাই।'* [৮৫]

অৰ্থাৎ মধুপুৰ অঞ্চলৰ লোকভাষাৰ এটি অন্যতম উচ্চাৰণগত ভাষিক বৈশিষ্ট্য হ'ল 'ল' ৰ ঠাইত 'ন'ৰ ব্যৱহাৰ। সেয়েহে এই গীতটি গাইছে এনেদৰে—

> *'নুট হইল, নুট হইল, নুট হইল ৰে*
> *চীলমাৰীৰ বাজাৰ নুট হইল ৰে।*
> *কত নাহ্‌ল, নহ্‌বন, কেহ্‌ৰাচিন তেল*
> *সবে নিলে নুটিয়া।*
> *কাইঞা কান্ধে মাথাত হাত দিয়া।'* [৮৬]

গোৱালপাৰাৰ ভাষাৰ যে এটা সুকীয়া ভাষিক বৈশিষ্ট্য আছে, সেয়া শীলভদ্ৰৰ উপন্যাসত ব্যৱহৃত লোকগীতবোৰত স্পষ্ট।

**খ) প্ৰবাদ-প্ৰবচন ঃ**

প্ৰবাদ-প্ৰবচন হ'ল লোকসাহিত্যৰ এটি অত্যন্ত প্ৰাচীন শাখা। প্ৰবাদ হ'ল লোকৰ

পৰা শুনা কথা বা মানুহৰ মুখে মুখে চলি অহা পুৰণি কথা আৰু প্ৰবচন হ'ল জ্ঞানপূৰ্ণ কথা। গতিকে প্ৰবাদ আৰু প্ৰবচনৰ সম্পৰ্ক ওচৰচপা। প্ৰবাদ-প্ৰবচন হ'ল সাধাৰণ চহা, নিৰক্ষৰ লোকৰ মুখত উক্তিৰ আকাৰ লৈ প্ৰচলন হৈ আছে। ই মূলতঃ সঞ্চিত অভিজ্ঞতা আৰু জ্ঞানৰ ভঁৰাল। ইয়াত দুই ধৰণৰ অৰ্থ থাকে। আক্ষৰিক অৰ্থ বা বাহ্যাৰ্থ আৰু ব্যঞ্জনাৰ্থ বা গূঢ়াৰ্থ। আক্ষৰিক অৰ্থতকৈ গূঢ়াৰ্থৰ প্ৰতি বেছি গুৰুত্ব দিয়া হয়। ই সমাজ জীৱনৰ চিত্ৰ প্ৰতিফলিত কৰে। এনে প্ৰবাদ-প্ৰবচনৰ ব্যৱহাৰ শীলভদ্ৰৰ উপন্যাসসমূহত বিষয়বস্তুৰ লগত সংগতি ৰাখি স্থান আৰু পৰিৱেশ বিশেষে ব্যৱহাৰ কৰা দেখা যায়।

ক) কাণা, খোৰা, ভেঙুৰ
এই তিন চয়তানেৰ নেঙুৰ।

খ) মাঝি পাৰাৰ নয়ানী মাইঝানী।

গ) পতি পৰম গৰু (গুৰু)।

ঘ) শৰীলেৰ কুণ্ডলিনী জাগ্ৰত।

ঙ) অতি দৰ্পে হত লংকা।

চ) অহংকাৰ পতনৰ মূল।

ছ) কাজৰ সময়ত কাজী
কাজৰ অন্তত পাজী।

জ) মোৰে খাবু, মোৰে পিন্দিবু আৰ মোৰে বুকত বসি শেল বটুবু।

ঝ) কিসেৰ মোৰ ৰান্ধন-বাঢ়ন, কিসেৰ মোৰ ঘৰ সংসাৰ।

ঞ) বাৰহাত কেৰেলাৰ তেৰহাত গুটি।

**বিভিন্ন আঞ্চলিক শব্দ ঃ**

অবিভক্ত গোৱালপাৰা তথা মধুপুৰ অঞ্চলত নিত্য ব্যৱহাৰ্য লোকৰ মুখত প্ৰচলিত শব্দৰ ভাষিক ভিন্ন অৰ্থবহনকাৰী শব্দ, ধ্বন্যাত্মক শব্দ, গালিবাচক শব্দ, সম্বন্ধবাচক শব্দ আদিৰ প্ৰয়োগ যথেষ্ট।

**ভিন্ন অৰ্থবহনকাৰী শব্দ ঃ**

আমাগো (আমাৰ), অইব (হ'ব), নাইয়া (নাৱঁৰীয়া), আসৰ (মঞ্চ), পাওনা (পাবলগা), ভাটিবেলা (আবেলি), কাউবাউ (কাকতি-মিনতি), ফয়চালা (মীমাংসা), ফাকিফুকা (মিছা কথা কোৱা), ভঙৰ (দেওধা উঠা), পাত্তা (গুৰুত্ব নিদিয়া), ছাওৱা (সন্তান), ফাতৰামি (ফাকি দিয়া), তামাচা (ঠাট্টা), ইয়াৰ্কি (ঠাট্টা), ফাজলামি, হেস্ত-নেস্ত (হাৰাশাস্তি), ঝামা (বেছিকৈ পোৰা যোৱা ইটাৰ টুকুৰা), ঢোকা (ঘৰজোৱাঁই), ফিটফাট (পৰিস্কাৰ), হেচকাৰি (অৱহেলা), চচুক-চামাক (কোনো ঠাই বা লোকৰ ওপৰত ভয় বা সংকোচ কৰি অগা-পিছা কৰা কাৰ্য), কাসুন্দা (কাহুঁদি), গোলগাল, (ঘূৰণীয়া), কান্দিছ (কান্দি থকা), সোয়ামী (স্বামী), হন-হন (বেগাই যোৱা), ফুচফুচ (কাণে কাণে কথা পতা), ধুনি (জুই), ঝাপ (জপিয়াঁই দিয়া), হালমাজি (গাঁওসভাত মতা ব্যক্তি), মাঝি (মাছমৰীয়া), মাইঝানী (মাছমৰীয়া তিৰোতা), কাউআ (কাউৰী), মানষি (মানুহ), বাড়ী (ঘৰ), আগ (ৰাগ), বায়ৰা (বাহিৰত), টেকা, টাকা (টকা), মাফ (ক্ষমা) ইত্যাদি।

**গালিবাচক শব্দ ঃ**

চালা, চালা চুৱাৰকা বাচ্চা, হাড়ামি, হাৰামজাদা, ধচ্ চালি, বে-আক্কাল, বদমাচ, বেটা, মহাবজ্জাত আদি।

**সম্বন্ধবাচক শব্দ ঃ**

বাও, বাবা, মাও, মামা, দিদি, দাদা, বাচ্চাবাবু আদি।

**ধ্বন্যাত্মক শব্দ ঃ**

মেওঁ মেওঁ, হাও হাও, ঢেক্ ঢেক্, ভাজা-ভূজা, কাম-কাজ, চাল-চলন, টিপ চিপ, তেল-চেল, ফাকিফুকা, কাঢ়াকাঢ়ি, খুনাখুনি, কাউবাউ, খেচখেচ, কাট-ছাট, ঢেকঢেক, টুক্ৰী-চুক্ৰী, বেগ-ছেগ, ৰিক্চা-ফিক্চা, ঠেলা-হেঁচা, হেস্ত-নেস্ত, ধূপ-ধাপ, ধুম-ধাম, ঘোচ-ঘাচ, প্ৰেম-চেম, বিভক্তি-চিভক্তি, গোৱালপাৰা-চোৱালপাৰা, কাম-চাম, ঘেনঘেননি-পেনপেননি, হালোৱা-চালোৱা, হোটেল-চোটেল, খুচুৰা-খুচুৰী, মানুহ-দুনুহ, চুচুক-চামাক, পেক-পেক, হালিদুলি,

ধাৰধুপাৰ, টিকিৰা-চিকিৰা, টালিবাজি, মোটামুটি, ধুসা-ফুচা, ভক্ভক্, হাওহাও, ঢলংপলং, মিচিক-মাচাক, মাছ-টাছ, হলি-গলি, চাকৰ-নোকৰ, মট-মটি, হিচাপ-নিকাচ, মোটামটি, বিড়ি-চিৰি, খিটিৰ-মিটিৰ, চুৰি-চামাৰি, তিৰী-ছলি, চাটাং-চাটাং, পূজাপানী, ঠিকেঠাকে, ফিচিক-ফাচাক, কেচলা-কেচলি, খুচখাচ, চাহ-টাহ, মনচন ইত্যাদি।

**গ) সাধুকথা ঃ**

সাধুকথা মৌখিক সাহিত্যৰ এটি অন্যতম অংগ। ই মুখ পৰম্পৰাগতভাৱে লোক সমাজত প্ৰচলিত হৈ আহিছে। পুৰণি মিথ্ বা পুৰাকথা জাতীয় কাহিনী, ৰামায়ণ, মহাভাৰত পুৰাণৰ আখ্যান তথা সৃষ্টি কথা, দেৱ-দেৱী, জীৱ-জন্তু, ভূত-প্ৰেত জাতীয় অলৌলিক কাহিনীযুক্ত সাৱলীল বৰ্ণনা, য'ত সত্যৰ জয় অসত্যৰ পৰাজয়, ধৰ্মৰ জয় অধৰ্মৰ পৰাজয় আদিক মূল বিষয় হিচাপে নিৰ্বাচন কৰা হয় আৰু নিৰ্বাচিত বিষয়ৰ অন্তৰ্গত চৰিত্ৰসমূহে উপদেশমূলক কথা কয় তথা নৈতিক চৰিত্ৰৰ জ্ঞান দিয়ে, সিয়ে সাধুকথাৰ শাৰীত ধৰা হয়। প্ৰাচীন সমাজত সাধুকথাৰ প্ৰচলন মুখে মুখে প্ৰচলিত হৈ ই সাহিত্যৰ মূল্যৱান সম্পদ হিচাপে স্বীকৃত। সাধুকথাৰ সাহিত্যক মূল্যৰ লগতে ভাষিক মূল্যও কম নহয়। গতিকে সাধুকথাক লোকভাষিক উপাদান হিচাপে ধৰা হয়। শীলভদ্ৰৰ উপন্যাসত তেনে কোনো বিশেষভাৱে সাধুকথাৰ উল্লেখ পোৱা নাযায় যদিও 'আঁহতগুৰি' উপন্যাসত মহাজন চৰিত্ৰৰ মুখত সাধুকথা কোৱাৰ বৰ্ণনাৰ উল্লেখ পোৱা যায়।

> *'মহাদেৱ আৰু পাৰ্বতীয়ে এদিন আকাশেৰে গৈ আছিল। ভিক্ষাৰী এজনক দেখি দেৱীৰ দয়া হ'ল। মহাদেৱক খাটিলে ভিক্ষাৰীজনক কিবা দি অৱস্থা ভাল কৰি দিবলৈ। মহাদেৱে ক'লে দি লাভ নাই। মানুহজনৰ কপালতে নাই। দেৱীয়ে নুশুনে। দিলে বাটতে এটা টকাৰ টোপোলা পেলাই। ঠাইডোখৰ পাই অন্ধ এজনে কেনেকৈনো যায় সেইটো চাবৰ কাৰণে ভিক্ষাৰীজনে চকু বন্ধ কৰি খোজকাঢ়িব ধৰিলে। তেনেকৈ চকু বন্ধ কৰি টকাৰ টোপোলা থকা ঠাইডোখৰ পাৰ হৈ গ'ল। আচল কথা হ'ল কপাল। কপালত নাথাকিলে একো নহয়।'*[৮৭]

## ঘ) মন্ত্ৰ ঃ

প্ৰাচীন কালৰে পৰা মন্ত্ৰ লোক সমাজত চলি আহিছে। মন্ত্ৰ কেৱল লোক সমাজতে প্ৰচলিত তেনে নহয়, বৰং ভাৰতীয় সংস্কৃতিৰ এটি অমূল্য সম্পদ। ভাৰতীয় সাহিত্যত প্ৰথম মন্ত্ৰৰ উল্লেখ পোৱা যায় অথৰ্ববেদত। মন্ত্ৰই সাহিত্যিক মূল্য নিৰূপণ কৰাৰ লগতে ভাষিক দিশটোও তুলি ধৰে। মন্ত্ৰ মূলতঃ লোক চিকিৎসাৰ আহিলা হিচাপে লোক সমাজত সমাদৰ লাভ কৰি আহিছে। বিশেষকৈ ই লোক-বিশ্বাসৰ লগত জড়িত। গ্ৰাম্য সমাজত দেও ধৰা, হাওয়া লগা, পেটৰ বিষ, মুৰৰ বিষ, কলেৰা-মহামাৰী আদি বিভিন্ন বেমাৰ-আজাৰ নিৰাময়ৰ প্ৰতিষেধক হিচাপে বেজ-ওজা সকলে মন্ত্ৰ ব্যৱহাৰ কৰি ৰোগ মুক্ত কৰে। তদুপৰি বিভিন্ন পূজা-পাৰ্বন, শ্ৰাদ্ধ-ক্ৰিয়া আদিত মন্ত্ৰ ব্যৱহাৰ কৰা দেখা যায়। মন্ত্ৰৰ সহায়ত এজন বেজ বা সাধকে সাধনা কৰি মন্ত্ৰৰ সহায়ত অমৰত্ব লাভ, নাৰীৰ কামনা, নাৰী-পুৰুষক বশ কৰা, দেৱ-দেৱীক জাগ্ৰত কৰিব পৰা যায়। এনেধৰণৰ শক্তি মন্ত্ৰত বিৰাজমান বুলি লোক সমাজত প্ৰচলিত বিশ্বাস জড়িত হৈ আহিছে। মন্ত্ৰ লোক-বিশ্বাসৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হোৱা বাবে মন্ত্ৰৰ শব্দ আৰু উচ্চাৰণ অঞ্চলভেদে তাৰত্যম ঘটা পৰিলক্ষিত হয়। গতিকে মন্ত্ৰৰ ভাষাই অঞ্চলকেন্দ্ৰিক ভাষিক বৈশিষ্ট্য নিৰ্ণয় কৰে।

শীলভদ্ৰ ৰচিত উপন্যাসত মন্ত্ৰৰ বিশেষ উল্লেখ পোৱা নাযায় যদিও বেমাৰ-আজাৰ, দেও-ভূত আদিৰ পৰা পৰিত্ৰাণ পাবৰ বাবে এনে কিছুমান চৰিত্ৰ সন্নিৱিষ্ট কৰিছে, যিবোৰ চৰিত্ৰৰ দ্বাৰা মন্ত্ৰৰ কিছু কিছু উল্লেখ পোৱা যায়। মন্ত্ৰবোৰ যে লোক-বিশ্বাস আৰু অন্ধবিশ্বাসৰ লগত জড়িত, বিশেষকৈ লোক সমাজত দেও-ভূতৰ গুৰুত্ব অধিক হোৱা বাবে কাৰোবাৰ গাত ভূত লম্বা বুলি ধাৰণা বা অনুমান কৰা হয়, তেন্তে ভূত এৰাৰ একমাত্ৰ বিধান হ'ল ওজা। ওজা মাতি আনি ওজাৰ বিধান আৰু মন্ত্ৰৰ সহায়ত জৰা-ফুকা আৰু তাবিজ গাত বান্ধি দি ভূত গাৰ পৰা এৰোৱা হয়। 'আঁহতগুৰি' উপন্যাসত বৰ্ণিত মানসিক বিকাৰগ্ৰস্থ চৰিত্ৰটোৱে জলন্ত উদাহৰণ। 'আঁহতগুৰি' উপন্যাসত মন্ত্ৰৰ কথা উল্লেখ কৰিছে এনেদৰে—

> *'ভূত এটাই মোৰ পিছ লৈছে। মই জানো কোনে মোৰ পিছত ভূত লগাইছে। পিছে মোৰ একো কৰিব নোৱাৰে। মোৰ ডিঙিত এই যে তাবিজটো দেখিছা ই বৰ সাংঘাতিক বস্তু। এইটো থাকিলে ভূত-প্ৰেত মোক একো কৰিব নোৱাৰে।'* [৪৪]

তন্ত্ৰ-মন্ত্ৰৰ প্ৰতি যে কেৱল নিৰক্ষৰ হোজা মানুহবোৰে আসক্ত তেনে নহয় বৰং, সমাজৰ শিক্ষিত মানুহও যে বিশ্বাস কৰে, তাৰ উল্লেখ কৰিছে 'অবিচ্ছিন্ন' উপন্যাসত বৰ্ণিত চিকিৎসক সুৰেণৰ চৰিত্ৰত। সুৰেণৰ পক্ষাঘাত ৰোগত আক্ৰান্ত হোৱাৰ ফলত সন্ন্যাসী তান্ত্ৰিক এজনৰ হতুৱাই আৰোগ লাভ কৰিছে বুলি উল্লেখ কৰিছে। সুৰেণৰ মুখত দিয়া সংলাপ ফাঁকি হ'ল—

*'বুজিছ ধন, ইয়াৰ সন্নাসী এজনে মন্ত্ৰপুত চাউল কেইটামান দিছে। তাকে খাই কিছুদিনৰ পৰা বেছ উন্নত হৈছে।'* [৮৯]

সাপে কামুৰিলে ওজা বা কবিৰাজ তথা সাপুৰীয়াৰ হতুৱাই বিষ নমোৱা প্ৰথা প্ৰাচীন কালৰ পৰাই পশ্চিম অসমত চলি আহিছে। সেই সম্পৰ্কে আশাৰাফ সিদ্দিকিয়ে উল্লেখ কৰিছে—

*'সাপুড়িয়া সমাজকল্যাণ সমিতিৰ সদস্য বৰ্তমান সত্তৰ লাখ আটচল্লিশ হাজাৰ। তাৰ মতে যথাৰ্থ সাপুড়ে হতে হলে কামৰূপ-কামাখ্যা যেতেই হ'বে। তাৰ গুৰু শ্ৰীশ্ৰীচৈতন্য শৰ্মা বাস কৰেন আসামেৰ গেৱালাপাৰ জিলাৰ ডুড্ৰিতে। নয় বছৰ গুৰুগৃহে থেকে সাপ ধৰাৰ কৌশল, তন্ত্ৰ-মন্ত্ৰ, চিকিৎসাৰ গাছগাছড়া সম্বন্ধে জানতে হয়।'* [৯০]

শীলভদ্ৰৰ 'অনুসন্ধান' উপন্যাসত সাপৰ বিষ নমোৱা মন্ত্ৰ এফাঁকিৰ উল্লেখ পোৱা যায়—

*'হল্টুং মল্টুং নলেৰ গাজা,*
*মুই হলং তোৰ পাৰ্বতী ওজা।*
*ঝাডুং ঝডুং নাই বিষ,*
*ভাল হৈলে একটা টাকা দিস।'* [৯১]

মধুপুৰ অঞ্চলত প্ৰচলিত সাপৰ বিষ নমোৱা আঞ্চলিক ভাষাৰ মন্ত্ৰ। প্ৰাচীন লোক সমাজ-ব্যৱস্থাত সাপে কামুৰিলে আধুনিক চিকিৎসাৰ কোনো সু-ব্যৱস্থা নথকাৰ অজুহাতত কবিৰাজে মন্ত্ৰ মাতি বিষ ঢেকিয়াৰ আগেৰে সাপৰ বিষ নমোৱা চিকিৎসা কৰিছিল। কিন্তু উল্লিখিত মন্ত্ৰ ফাঁকিত কোনো সংস্কৃত শব্দৰ প্ৰয়োগ দেখা পোৱা নাযায়, তাৰ পৰিবৰ্তে মন্ত্ৰৰ শব্দবোৰ গৌৰীপুৰকেন্দ্ৰিক লোকভাষা তথা আঞ্চলিক শব্দ।

শীলভদ্ৰৰ উপন্যাসত উল্লিখিত প্ৰবাদ-প্ৰবচন, লোকগীত, মন্ত্ৰ আৰু বিভিন্ন শব্দগুচ্ছ গৌৰীপুৰ তথা গোৱালপাৰাকেন্দ্ৰিক লোকভাষাৰ ভাষিক উপাদানেৰে স্বকীয় বৈশিষ্ট্যৰে ভৰপুৰ। লোকজীৱনৰ ওঁঠৰ সৰল, নিভাঁজ ভাষা, য'ত কোনো কৃত্ৰিমতাৰ ছাপ নাই। কৃত্ৰিমতা বৰ্জিত ভাষাৰ ব্যৱহাৰে গৌৰীপুৰ কেন্দ্ৰিক নিম্নমধ্যবিত্ত সংগ্ৰামী জীৱনৰ বৰ্ণনাৰ মাজেদি লেখকৰ পূৰঠ অভিজ্ঞতাৰ বাৰ্তাবাহক হিচাপে আঞ্চলিকতাৰ স্থানীয় ৰূপ প্ৰকাশ কৰাটো মূল উদ্দেশ্য। য'ত লোকভাষা বা আঞ্চলিক ভাষাৰ প্ৰয়োগ কৰাটো অপৰিহাৰ্য। বিশেষকৈ অঞ্চল বিশেষৰ পৰিৱেশ বা বাতাবৰণ চিত্ৰিত কৰিবলৈ নিৰ্বাচিত অঞ্চলৰ সমাজ জীৱনৰ স্বাভাৱিক সজীৱতা প্ৰকাশ পায় লোকভাষাৰ মাধ্যমত। ভাষিক তাৎপৰ্য আৰু বৈচিত্ৰ্যই ঔপন্যাসিকৰ সৃষ্ট কথাবস্তু, প্ৰকাশৰ ক্ষেত্ৰত স্থানীয় শব্দ বা ভাষাৰ প্ৰয়োগে অচিনাকি পৰিৱেশ, চৰিত্ৰক চিনাকি কৰি দিবলৈ আঞ্চলিকতাৰ ৰহণ আৰু লোকভাষা প্ৰয়োগৰ বিশেষ প্ৰয়োজন। ইয়ে বৰ্ণিত কথাবস্তুক পাঠক বৰ্গৰ ওচৰলৈ যোৱাত লৈ সহায় কৰে।

**উপসংহাৰ ঃ**

লোক-সাংস্কৃতিক দিশৰ পৰা শীলভদ্ৰৰ উপন্যাসসমূহত আঞ্চলিকতাৰ ছাপ সুনিৰ্দিষ্ট। মধুপুৰকেন্দ্ৰিক তথা পশ্চিম অসমকেন্দ্ৰিক লোক-সাংস্কৃতিক উপাদানৰ প্ৰয়োগ যথেষ্ট। জমিদাৰী সংস্কৃতিৰ পৰম্পৰা, কোচ-ৰাজবংশী আৰু স্থানীয় মুছলমান সমাজৰ লোক-সংস্কৃতি উপস্থাপনৰ লগতে কলিতা, বামুন, নাথ-যোগী, বঙালী, বিহাৰী, মাৰোৱাৰী আদি জাতি-জনগোষ্ঠী মিলি সৃষ্টি কৰা অন্যবদ্য সংমিশ্ৰিত লোক-সংস্কৃতিৰ পীঠস্থান গৌৰীপুৰ। গৌৰীপুৰৰ সংস্কৃতি সংমিশ্ৰিত বুলি কোৱা হয় যদিও গৌৰীপুৰলৈ সময়ে সময়ে আগমন ঘটা বিভিন্ন সম্প্ৰদায়ৰ মানুহবোৰ গৌৰপুৰকেন্দ্ৰিক অঞ্চলৰ থলুৱা কৃষ্টি-সংস্কৃতি গ্ৰহণ কৰিছে। স্থানীয় আচাৰ-আচৰণ, বিশ্বাস-অবিশ্বাস, সংস্কাৰ-কু-সংস্কাৰ, পূজা-পাৰ্বন, লোক-প্ৰথা, লোকভাষা ইত্যাদি তুলি ধৰিছে। গৌৰীপুৰৰ মাঠত জমিদাৰী প্ৰথাৰে দূৰ্গাপূজা, বেলবৰণ, অষ্টমী, হাতীৰ সমদল উলিওৱা, আলোকঝাৰি পাহাৰৰ মহাময়া পূজা, গ্ৰাম্য সমাজৰ কবিৰাজী চিকিৎসা, দেও-ভূতৰ প্ৰতি বিশ্বাস, লোকগীত, লোকনৃত্য আদিৰ প্ৰচলন অতি প্ৰাচীন আৰু এতিয়াও বিৰাজমান। অৱশ্যে প্ৰচাৰ আৰু প্ৰসাৰৰ অভাৱ, আধুনিকতাৰ চাপ, বিশ্বায়ণৰ প্ৰভাৱত কিছু কিছু লোক-কৃষ্টি হেৰাই

যোৱাৰ পথত যদিও পশ্চিম অসমৰ লোক-কৃষ্টি সমূহক বিজ্ঞানভিত্তিত বিশ্লেষণ, সংগ্ৰহ, উপযুক্ত মঞ্চ, সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰে সমাজত ইতিবাচক প্ৰভাৱ পেলাব, তাত কোনো সন্দেহ নাই।

পশ্চিম অসম তথা অবিভক্ত গোৱালপাৰা জিলাখনত বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষিক আঞ্চলিক ৰূপ, ছন্দ আৰু লালিত্যৰ বৈশিষ্ট্যৰে ভৰপূৰ। তদুপৰি লোকগীত, লোকনৃত্য, বিভিন্ন উৎসৱ-অনুষ্ঠান, বাদ্যযন্ত্ৰ, আচাৰ-নীতিৰ ফালৰ পৰা পশ্চিম অসম একক আৰু সুকীয়া বৈশিষ্ট্য সম্পন্ন। গতিকে উদাৰতাই হ'ল ইয়াৰ মূল বৈশিষ্ট্য। উদাৰতাৰ দৃষ্টিভংগীৰে শীলভদ্ৰই উপন্যাসত লোক-সাংস্কৃতিক সমল সন্নিৱিষ্ট কৰিছে, তাত কোনো সন্দেহ নাই। যিমান দুৰ সম্ভৱ শীলভদ্ৰই উপন্যাস সাহিত্যৰ বৈশিষ্ট্য অক্ষুণ ৰাখি পশ্চিম অসমৰ লোক-সংস্কৃতিৰ পৰিচয় তুলি ধৰাত কৃপণালি কৰা নাই, যিয়ে অবিভক্ত গোৱালপাৰা জিলাৰ প্ৰতি থকা ভ্ৰান্ত ধাৰণা দুৰ কৰাত কিছু হ'লেও সহায় কৰিছে। গতিকে দেখা যায় যে, পশ্চিম অসমকেন্দ্ৰিক সাংস্কৃতিক ঐতিহ্যৰ উপস্থাপন কৰাটো শীলভদ্ৰৰ প্ৰধান বিশেষত্ব, যিয়ে বিভিন্ন জাতি-জনগোষ্ঠী, দেশ-বিদেশৰ লগত সাংস্কৃতিক ভাবৰ আদান-প্ৰদানৰ সুযোগ আৰু সমন্বয় গঢ়ি তুলিছে।

## প্ৰসংগটোকা


১) শীলভদ্ৰ [ছ. না.], শীলভদ্ৰৰ উপন্যাস সমগ্ৰ, তৰংগিনী, পৃ.- ১৩

২) শীলভদ্ৰ [ছ. না.], শীলভদ্ৰৰ উপন্যাস সমগ্ৰ, অবিচ্ছিন্ন, পৃ.- ১৯৬

৩) উল্লিখিত, পৃ.- ১৮৬

৪) শীলভদ্ৰ [ছ. না.], শীলভদ্ৰৰ উপন্যাস সমগ্ৰ, আহঁতগুৰি, পৃ.- ২৭১

৫) শীলভদ্ৰ [ছ. না.], শীলভদ্ৰৰ উপন্যাস সমগ্ৰ, আগমনীৰ ঘাট, পৃ.- ৫৯

৬) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ২৮৭

৭) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ২৯

৮) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১২

৯) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৪৬

১০) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১৮২

১১) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৬০

১২) শীলভদ্ৰ [ছ. না.], শীলভদ্ৰৰ উপন্যাস সমগ্ৰ, প্ৰাচীৰ, পৃ.- ৩৩২

১৩) শীলভদ্ৰ [ছ. না.], শীলভদ্ৰৰ উপন্যাস সমগ্ৰ, মধুপুৰ, পৃ.- ১৫১

১৪) উল্লিখিত, পৃ.- ১৫৬

১৫) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৫০

১৬) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১৪৯

১৭) উল্লিখিত, পৃ.- ১৪৯

১৮) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ২৭৮

১৯) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১১

২০) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৫১

২১) শীলভদ্ৰ [ছ. না.], শীলভদ্ৰৰ উপন্যাস সমগ্ৰ, গধূলি, পৃ.- ২২৯

২২) শীলভদ্ৰ [ছ. না.], শীলভদ্ৰৰ উপন্যাস সমগ্ৰ, অনুসন্ধান, পৃ.- ৪০

২৩) অমলেন্দু গুহ, জমিদাৰকালীন গোৱালপাৰা জিলাৰ আৰ্থ-সামাজিক অৱস্থা, পৃ.- ৫৬

২৪) শান্ত বৰ্মণ, গোৱালপাৰাৰ জন ইতিহাস, পৃ.- ২২৮

২৫) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৪৪

২৬) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১৮২

২৭) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৪০

২৮) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১৫৬

২৯) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ২৮৫

৩০) উল্লিখিত, পৃ.- ২৮০

৩১) ধীৰেন দাস, গোৱালপৰীয়া লোক-সংস্কৃতি আৰু লোকগীত, পৃ.- iii

৩২) শান্ত বৰ্মণ, পূৰ্বোল্লিখিত, পৃ.- ১

৩৩) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১৬৩

৩৪) উল্লিখিত, পৃ.- ১৬২

৩৫) নবীন চন্দ্ৰ শৰ্মা, অসমীয়া লোক-সংস্কৃতিৰ আভাস, পৃ.- ৪২

৩৬) পৃথ্বীশ নাৰায়ণ গোস্বামী, গোৱালপাৰা সংস্কৃতিৰ ইতিহাসত এভূমুকি, পৃ.- ১৭

৩৭) ভৱেশ দাস, গোৱালপৰীয়া লোক-সংস্কৃতিত এভূমুকি, পৃ.- ৩

৩৮) নবীন চন্দ্ৰ শৰ্মা, (সম্পা.) বসন্ত উৎসৱ আৰু অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকনৃত্য, পৃ.- ১

৩৯) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৩৯

৪০) উল্লিখিত, পৃ.- ৩৫

৪১) উল্লিখিত, পৃ.- ৩৫

৪২) উল্লিখিত, পৃ.- ৩৫

৪৩) উল্লিখিত, পৃ.- ৩৫

৪৪) উল্লিখিত, পৃ.- ৩৫

৪৫) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১৮০

৪৬) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১৬১

৪৭) নীহাৰ বালা বৰুৱা (মূল) প্ৰতিমা নিয়োগী (অনু.) কোচ ৰাজবংশী অঞ্চলৰ জীৱন আৰু সংগীত, প্ৰান্তবাসীৰ ঝুলি, পৃ.-৫৭

৪৮) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১৮৭

৪৯) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৩১৫

৫০) শিৱানন্দ শৰ্মা, গোৱালপাৰা জিলাৰ ইতিহাস, পৃ.- ১১৪

৫১) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ২৭১

৫২) সুৰীতি শৰ্মা ব্ৰহ্মচোধুৰী, গানৰ প্ৰতিমা প্ৰাণৰ প্ৰতিমা, পৃ.- ৭৭

৫৩) উল্লিখিত, পৃ.- ৭৭

৫৪) উপেন ৰাভা হাকাচাম আৰু অন্যান্য (সম্পা.), দগো ৰাংছাং, আজিজুৰ ৰহমান চৰকাৰ আৰু সংগীতা শইকীয়াৰ প্ৰবন্ধ, শীলভদ্ৰৰ উপন্যাসত পশ্চিম অসমৰ লোক-সাংস্কৃতিক উপাদান, পৃ.- ৪৩

৫৫) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৩১৪

৫৬) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৩৪

৫৭) উল্লিখিত, পৃ.- ৩৪

৫৮) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ২৮১

৫৯) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৩৪

৬০) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৭৮

৬১) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৩৫

৬২) উল্লিখিত, পৃ.- ৪৯

৬৩) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ২৬৭

৬৪) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৩১৫

৬৫) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৮৩

৬৬) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৩১৪

৬৭) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৩১৫

৬৮) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ২৩৭

৬৯) শীলভদ্ৰ [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৩৩

৭০) উল্লিখিত, পৃ.- ৫৯

৭১) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১৫৫

৭২) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ২৮০

৭৩) উল্লিখিত, পৃ.- ২৮৬

৭৪) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৩২২

৭৫) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ২৪৫

৭৬) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৫৯

৭৭) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১৮৫

৭৮) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৩১৫

৭৯) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৮০

৮০) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১৮৬

৮১) উল্লিখিত, পৃ.- ১৮৭

৮২) উল্লিখিত, পৃ.- ২০৮

৮৩) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ২৭১

৮৪) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ১৩

৮৫) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৪৯-৫০

৮৬) উল্লিখিত, পৃ.- ৪৯

৮৭) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ২৮৫

৮৮) উল্লিখিত, পৃ.- ২৭১

৮৯) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ২৭১

৯০) আশ্ৰাফ সিদ্দিকী, লোক-সাহিত্য, পৃ.- ১৭১

৯১) শীলভদ্র [ছ. না.], পূৰ্বোল্লিখিত, পৃ.- ৯৪